ISSN: 3048-6394

# অনুবন্ধ
# Anubandha

Vol: 03. Issue: 01
JANUARY
2026

Anubandha is a Bi-annual
Peer Reviewed Research Journal

PUBLISHED BY
IQAC, Bahona College, Jorhat, Assam

ISSN: 3048-6394

# অনুবন্ধ
# Anubandha

PUBLISHED BY
IQAC, Bahona College, Jorhat, Assam

## EDITORIAL BOARD
## ADVISERS

Dr. Sumbit Chaliha, Principal, Bahona College, Jorhat, Assam
Email: sumbit.chaliha@bahonacollege.edu.in
Profile Link: https://www.bahonacollege.edu.in/principal

## EDITORS

Ajit Kumar Borah, Associate Professor
Department of English
Bahona College, Jorhat, Assam
Email: ajit.borah@bahonacollege.edu.in
Profile Link: https://www.bahonacollege.edu.in/department/ENG/faculty

Dr. Sarala Das, Assistant Professor
Department of Assamese
Bahona College, Jorhat, Assam
Email: sarala.das@bahonacollege.edu.in
Profile Link: https://www.bahonacollege.edu.in/department/ASM/faculty

Dr. Pankaj Bora, Assistant Professor
Department of Political Science
Bahona College, Jorhat, Assam
Email: pankaj.bora@bahonacollege.edu.in
Profile Link: https://www.bahonacollege.edu.in/department/POL/faculty

ISSN: 3048-6394

# অনুবন্ধ

# Anubandha

PUBLISHED BY
IQAC, Bahona College, Jorhat, Assam

## MEMBERS

Bibha Rani Das, Assistant Professor
Department of Assamese
Bahona College, Jorhat, Assam

Dr. Satyajit Das, Assistant Professor
Department of Assamese
Assam University, Diphu Campus

Ilaxi Bora, Assistant Professor
Department of Education
Bahona College, Jorhat, Assam

Dilip Tamang, Assistant Professor
Department of Botany
Bahona College, Jorhat, Assam

Dr. Pragyan Jyoti Gogoi, Assistant Professor
Department of Physics
Bahona College, Jorhat, Assam

Sidhartha Goutam Dutta, Research Scholar
Department of Assamese
Dibrugarh University, Assam

## সম্পাদকীয়

এই সংখ্যাৰ *অনুবন্ধৰ* বাবে সম্পাদনা সমিতিয়ে কোনো নির্দিষ্ট বিষয় চয়ন কৰা নাছিল। ইয়াৰ উদ্দেশ্য আছিল বহুসূচী বিষয়বস্তুৰে গৱেষণা পত্রিকাখনৰ পৰিসৰ আৰু বিভিন্নতাক সমৃদ্ধ কৰা। কিন্তু আশ্চৰ্যজনকভাৱে আমাৰ হাতলৈ অহা সৰহ সংখ্যক গৱেষণা পত্ৰৰে আলোচ্য বিষয়সমূহ আছিল মূলতঃ অসমীয়া সাহিত্য,সমাজ আৰু সংস্কৃতিৰ বাৰে ৰহণীয়া দিশসমূহক প্ৰতিফলিত কৰিব পৰা। সেয়ে,নিৰ্বাচিত গৱেষণা পত্ৰসমূহক বিষয়বস্তুৰ ৰচনাকাল বা ঐতিহাসিক ক্ৰম অনুযায়ী সজাই পৰাই লৈ এই সংখ্যাটি প্ৰকাশৰ ব্যৱস্থা কৰা হৈছে।

অসমীয়া নৱবৈষ্ণৱ যুগৰ প্ৰখ্যাত কবি সাহিত্যিক সংস্কৃত পণ্ডিত অনন্ত কন্দলীৰ অমৰ সৃষ্টি *কুমৰ হৰণত* প্ৰতিফলিত লোক-সংস্কৃতিৰ উপাদানসমূহৰ আকৰ্ষণীয় এক বিশ্লেষণেৰে *অনুবন্ধৰ* এই যাত্ৰা আৰম্ভ কৰি সাম্প্ৰতিক অসমীয়া কাব্য সাহিত্যলৈ অনবদ্য অৱদান আগবঢ়োৱা জনজাতীয় মূলৰ কবি মুবিন ৰাভাৰ কাব্যগ্ৰন্থ *ক্ৰৌমুচীৰ* এটি সমীক্ষাত্মক অধ্যয়নত সমাপ্ত হৈছে।

অসমীয়া সাহিত্যৰ ইতিহাসত বুৰঞ্জীমূলক নাটক, উপন্যাস ৰচনাত অগ্ৰণী সুসাহিত্যিক,অসম সাহিত্য সভাৰ প্ৰথম সভাপতি পদ্মনাথ গোহাঞিবৰুৱাদেৰৰ অমৰ নাট্যকৃতি *সাধনীৰ* ঐতিহাসিক আৰু সাহিত্যিক মূল্যায়ন আগবঢ়োৱা এখনি গৱেষণা পত্ৰই এই সংখ্যাৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে।

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ সাহিত্যিক জীৱনৰ অন্যতম কীৰ্তিস্তম্ভ *ৰূপালীম* নাটকৰ নাট্যধৰ্মিতা আৰু কাব্যধৰ্মিতাৰ এটি নিৰ্মোহ বিশ্লেষণো এই সংখ্যাৰ *অনুবন্ধই* প্ৰকাশ কৰিছে। আধুনিক,পশ্চিমীয়া,অপেৰাধৰ্মী নাট্যসাহিত্যৰ লগত *ৰূপালীমৰ* কাব্যধৰ্মী স্বৰূপক এক নিটোল তুলনাত্মক অধ্যয়নৰ পথ এনে গৱেষণামূলক লেখাই সাহিত্যানুৰাগীসকলৰ বাবে খুলি দিব বুলি আশা কৰা হৈছে।

কুৰি শতিকাৰ পৰা একবিংশ শতিকাৰ প্ৰথম দশককৈলেকে অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ পথাৰখনক অমলিন সাহিত্য সংস্কৃতিৰে উজ্জীৱিত কৰি ৰখা ড° ভৱেন্দ্ৰনাথ শইকীয়াদেৱৰ দ্বাৰা পৰিচালিত বোলছবিত মূল নাৰী চৰিত্ৰ দুটিমানৰ উত্তৰণ সম্পৰ্কীয় এখনি গৱেষণা পত্ৰও *অনুবন্ধই* প্ৰকাশ কৰিছে। নাৰী মুক্তি,লিংগ সমতা,নাৰীৰ অধিকাৰ আৰু পিতৃতান্ত্ৰিকতাৰ বিৰুদ্ধে যুঁজিবলৈ জীৱন পণ কৰা *অগ্নিস্নানৰ* মেনকা আৰু *আৱৰ্তনৰ* জয়ন্তী চৰিত্ৰ দুটিৰ মানসিক আৰু বৌদ্ধিক উত্তৰণৰ ছবি এই গৱেষণা পত্ৰই সাৱলীল ৰূপত দাঙি ধৰিছে।

কুৰি শতিকাৰ শেষৰ দুটা দশক জুৰি অসমৰ সামাজিক আৰু ৰাজনৈতিক জীৱনক প্ৰায় সংপৃক্ত ৰূপত আচ্ছন্ন কৰা ছবছৰীয়া অসম আন্দোলনে যে অসমীয়া সাংস্কৃতিক চেতনাকো এক অন্য গতি দিলে তাৰ এক বিশদ তথ্যভিত্তিক আৰু নিৰ্মোহ বিশ্লেষণ দাঙি ধৰিছে ড° পংকজ শইকীয়াই তেওঁৰ গৱেষণা পত্ৰ 'অসম আন্দোলন আৰু অসমৰ সাংস্কৃতিক জাগৰণ'ত। মূলত ছাত্ৰসমাজৰ নেতৃত্বত ৰাজনৈতিক আৰু সামাজিক পৰিৱৰ্তনৰ লক্ষ্যৰে পৰিচালিত এই আন্দোলনে বিভিন্ন পৰ্যায়ত নতুন সাংস্কৃতিক গণচেতনা আৰু জাগৰণৰ সূচনা কৰিছিল যদিও কালৰ কুটিল গতিত এনে জাগৰণ বহুলাংশে শ্ল'গানধৰ্মী হৈ পৰাৰ বিড়ম্বনাক গৱেষকগৰাকীয়ে দ্ব্যৰ্থহীনভাৱে দাঙি ধৰিছে।

অসমীয়া সাহিত্যৰ বোঁৱতী সুঁতিত জনগোষ্ঠীয় বা জনজাতীয় মূলৰ সাহিত্যিকসকলৰ সৃষ্টিৰাজিয়ে ন-পানীৰ যোগান ধৰি আহিছে। বহুক্ষেত্ৰত সহজ সৰল,কৃত্ৰিমতাহীন জনজাতীয় সমাজ ব্যৱস্থাৰ সুন্দৰ প্ৰতিফলন ঘটা ভাৱ,ভাষা,কাব্যিক অলংকাৰে অসমীয়া কাব্য সাহিত্যক নতুন মাত্ৰা দিছে। সাম্প্ৰতিক অসমীয়া কাব্য সাহিত্যলৈ সুন্দৰ,প্ৰাঞ্জল ভাষাৰ কবিতাৰ শৰাই আগবঢ়োৱা কবি মুবিন ৰাভাৰ কাব্যগ্ৰন্থ *ক্ৰৌমুচীৰ* (ৰাভা ভাষাত কবিতা) এটি সমীক্ষাত্মক অধ্যয়নে এই সংখ্যাৰ *অনুবন্ধ* সমৃদ্ধ কৰিছে।

আমি সম্পাদনা সমিতিয়ে আশা কৰিছোঁ,সহৃদয় পাঠক, গৱেষকে *অনুবন্ধক* আদৰি ল'ব। লেখাসমূহত সহায়ক গ্ৰন্থপঞ্জীৰ সূচী সন্নিবিষ্ট কৰা হৈছে। তৎসত্বেও অনিচ্ছাকৃত বা অজ্ঞাতবশতঃ ঋণস্বীকাৰ কৰিবলৈ বৈ গ'লে সংশ্লিষ্ট গৱেষকসকলেই তাৰ নৈতিক দায়িত্ব ল'বলৈ আগবাঢ়ি আহিব লাগিব।

অনাগত দিনবোৰত পাঠক,গৱেষক সমাজৰ সক্ৰিয় সহযোগিতা কামনা কৰিছোঁ।

ধন্যবাদ

# সূচীপত্ৰ


- অনন্ত কন্দলীৰ ‘কুমৰ হৰণ’ কাব্যত লোক-সাংস্কৃতিক উপাদান ঃ এটি অধ্যয়ন॥ ৫

  ড° প্ৰাঞ্জুমণি শইকীয়া

- শংকৰদেৱৰ ‘ৰুক্মিণী হৰণ ’ নাট আৰু মাতৃভাষা ভাষা ভবেন্দ্ৰনাথ শইকীয়া পৰিচালিত ‘অগ্নিস্নান’ আৰু ‘আৱৰ্তন’ কথাছবিৰ শীৰ্ষ নাৰী চৰিত্ৰৰ উত্তৰণৰ স্বৰূপ ঃ এক অধ্যয়ন॥ ১২

  ছন্দামিতা ঠাকুৰীয়া

- অসম আন্দোলন আৰু অসমৰ সাংস্কৃতিক জাগৰণ॥ ১৮

  ড° পংকজ শইকীয়া

- পদ্মনাথ গোহাঞিবৰুৱাৰ বুৰঞ্জীমূলক নাটক ‘সাধনী’ ঃ এটি চমু অধ্যয়ন॥ ২৭

  ড° দেৱযানী বকলীয়াল

- জনগোষ্ঠীয় কবি মুবীন ৰাভাৰ ‘ক্ৰৌমুচী’ ঃ এটি বিহংগম দৃষ্টিভংগী॥ ৩৪

  ড° পুণ্য লতা গোহাঁই

- জাতীয় আবেগ, জাতীয় চিন্তা আৰু আলি আই লৃগাং ঃ এক সমাজ-সাংস্কৃতিক অধ্যয়ন॥ ৩৯

  ড° ৰঞ্জিত পেগু

- জ্যোতিপ্ৰসাদ আগৰৱালাৰ ‘ৰূপালীম’ নাটকৰ নাট্যধৰ্মীতা আৰু কাব্যধৰ্মীতা॥ ৪৫

  জেৰিণা ৰৰুৱা

- ঔপন্যাসিক বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য॥ ৫১

  ড° অপৰাজিতা গগৈ

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

# অনন্ত কন্দলীৰ 'কুমৰ হৰণ' কাব্যত লোক-সাংস্কৃতিক উপাদান ঃ এটি অধ্যয়ন

✍ ড° প্ৰাঞ্জুমণি শইকীয়া
সহকাৰী অধ্যাপিকা,অসমীয়া বিভাগ,
জুৰীয়া মহাবিদ্যালয়

বৈষ্ণৱ যুগৰ কবিসকলৰ ভিতৰত অনন্ত কন্দলী অন্যতম। তেওঁৰ প্ৰকৃত নাম হৰিচৰণ পাঠক, তৰ্কশাস্ত্ৰত পাণ্ডিত্য লাভ কৰি অনন্ত কন্দলী নাম পায়। মহাপুৰুষ শংকৰদেৱৰ সংস্পৰ্শলৈ আহি তেখেতৰ শিষ্য হৈ বহুকেইখন গ্ৰন্থ ৰচনা আৰু অনুবাদৰ জৰিয়তে অসমীয়া সাহিত্যলৈ বৰঙণি আগবঢ়াইছিল। অনন্ত কন্দলীৰ উল্লেখযোগ্য সাহিত্যকৃতি হ'ল— ৰামায়ণ, কুমৰ হৰণ কাব্য, ভাগৱতৰ ষষ্ঠ স্কন্ধৰ বৃত্ৰাসুৰ বধ, মধ্য আৰু শেষ দশম, মহীৰাৱণ বধকাব্য আৰু সীতাৰ পাতাল প্ৰবেশ নাট। 'ৰুক্মিণী হৰণ' কাব্যৰ জৰিয়তে যেনেদৰে শংকৰদেৱে প্ৰকৃত কাব্যিক জীৱন আৰম্ভ কৰে ঠিক তেনেদৰে 'কুমৰ হৰণ' কাব্যৰ জৰিয়তে অনন্ত কন্দলীৰ কাব্যিক জীৱন আৰম্ভ হয়। অনন্ত কন্দলীৰ 'কুমৰ হৰণ' কাব্য এক উৎকৃষ্ট আৰু অনুপম ৰচনা।

লোকসংস্কৃতি মানৱ জাতিৰ সমানেই পুৰণি। মানুহে জন্ম গ্ৰহণ কৰি জীৱন আৰু জীৱিকাৰ সৈতে জড়িত কৰ্মৰাজিৰ পাতনি মেলাৰ লগে লগেই লোক-সংস্কৃতিৰো জন্ম হৈছে। লোক-সংস্কৃতি জনসাধাৰণৰ সংস্কৃতি। জনসাধাৰণৰ মাজত বিশ্বাস, লোক-বিশ্বাস, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, খেলা-ধূলা, ধৰ্ম বিশ্বাসজনিত কৰ্ম আদিয়েই লোক-সংস্কৃতি সৃষ্টিৰ মূল। বিৰিঞ্চিকুমাৰ বৰুৱাৰ বক্তব্যৰে— "ধৰ্ম অনুষ্ঠান, পূজা-পাতল, লোক-বিশ্বাস, নিয়ম-কানুন, সাধু, উপাখ্যান, পুৰা কাহিনী, প্ৰকৃতিৰ ব্যাখ্যা, নৃত্য-নাট্য অভিনয়, ক্ৰীড়া-কৌতুক এই সকলোৰে সমাহাৰত লোক-সংস্কৃতি সম্পূৰ্ণ।"

ৰিচাৰ্ড ডাৰচনৰ লোক-সংস্কৃতিৰ বিভাজনৰ ভিত্তিত নবীনচন্দ্ৰ শৰ্মাই লোক-সংস্কৃতিক চাৰিটা ভাগত ভাগ কৰিছে— মৌখিক লোকবিদ্যা, সামাজিক লোকপ্ৰথা বা লোকাচাৰ, ভৌতিক সংস্কৃতি আৰু লোক-পৰিৱেশ্য কলা। সমাজজীৱনত সাংস্কৃতিক পৰম্পৰা তথা লোক-সংস্কৃতিৰ উপাদান বা সমলসমূহৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। অনন্ত কন্দলীয়ে ঐকান্তিকতাৰে পৰম্পৰাগত অসমীয়া লোক-জীৱনৰ ৰীতি নীতি, বিশ্বাস- পৰম্পৰা, উৎসৱ-অনুষ্ঠান, আচাৰ-ব্যৱহাৰ, গালি-গালাজ, সাজপাৰ, আ-অলংকাৰ, প্ৰবাদ-প্ৰবচন আদি লোক-সংস্কৃতিৰ উপাদানৰ প্ৰয়োগৰ বৈচিত্ৰ্যৰে কাব্যখনত তদানীন্তন সমাজজীৱনৰ ছবি দাঙি ধৰিছে। ইয়াৰ মাজেৰে কবিৰ সমসমায়িক লোক-জীৱন আৰু লোক-সংস্কৃতিৰ সৈতে থকা সুগভীৰ সম্পৰ্ক তথা জাতীয় চেতনাৰ প্ৰকাশ ঘটিছে। অনন্ত কন্দলীৰ 'কুমৰ হৰণ' কাব্যত অসমৰ লোক-সাংস্কৃতিক উপাদানসমূহ খুন্দ খাই সোমাই আছে। আমাৰ এই গৱেষণা পত্ৰখনৰ জৰিয়তে অনন্ত কন্দলীৰ 'কুমৰ হৰণ' কাব্যখনত প্ৰতিফলিত হোৱা লোক-সাংস্কৃতিক উপাদানসমূহৰ ওপৰত এক অধ্যয়নকেন্দ্ৰিক আলোচনা যুগুত কৰিবলৈ প্ৰয়াস কৰা হৈছে।

**বীজ শব্দ ঃ** কুমৰ হৰণ, লোক-সংস্কৃতি, অনন্ত কন্দলী।

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

অসমৰ সাংস্কৃতিক জীৱনত নৱজাগৰণৰ সূচনা কৰা বৈষ্ণৱ যুগৰ কবিসকলৰ ভিতৰত প্ৰথিতযশা অন্যতম কবি অনন্ত কন্দলী। তেখেতৰ প্ৰকৃত নাম হৰিচৰণ পাঠক। তৰ্ক শাস্ত্ৰত পাণ্ডিত্য লাভ কৰি অনন্ত কন্দলী নাম পায়। মহাপুৰুষ শঙ্কৰদেৱৰ সংস্পৰ্শলৈ আহি তেখতৰ শিষ্য হৈ বহুকেইখন গ্ৰন্থ ৰচনা আৰু অনুবাদৰ জৰিয়তে অসমীয়া সাহিত্যলৈ বৰঙণি আগবঢ়াইছিল। অনন্ত কন্দলীদেৱৰ উল্লেখযোগ্য সাহিত্যকৃতি হ'ল— ৰামায়ণ, কুমৰ হৰণ কাব্য, ভাগৱতৰ ষষ্ঠ স্কন্ধৰ বৃত্ৰাসুৰ বধ, মধ্য আৰু শেষ দশম, মহীৰাৱণ বধ কাব্য আৰু সীতাৰ পাতাল প্ৰৱেশ নাট। 'ৰুক্মিণী হৰণ' কাব্যৰ জৰিয়তে যেনেদৰে শঙ্কৰদেৱে প্ৰকৃত কাব্যিক জীৱন আৰম্ভ কৰে, ঠিক তেনেদৰে 'কুমৰ হৰণ' কাব্যৰ জৰিয়তে অনন্ত কন্দলীৰ কাব্য জীৱন আৰম্ভ হয়। অনন্ত কন্দলীৰ 'কুমৰ হৰণ' কাব্য এক উৎকৃষ্ট আৰু অনুপম ৰচনা।

সংস্কৃতি সমাজৰ দাপোণ স্বৰূপ। সমাজ আৰু সংস্কৃতি এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। এই সমাজৰে অন্তৰ্গত লোক, জন বা ব্যক্তি। সেইপিনৰ পৰা 'লোক-সংস্কৃতি' মানে জনসাধাৰণৰ সংস্কৃতি। লোক-সমাজৰ সামাজিক আচৰণকেই লোক-সংস্কৃতি বুলি ক'ব পাৰি। কোনো ৰাজ্য বা অঞ্চলৰ জনসাধাৰণে নাইবা কোনো জনগোষ্ঠীয়ে লৌকিক আৰু পৰম্পৰাগত ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-পাৰ্বণ, ধৰ্ম আদি পালন কৰে; সেইবোৰেই লোক-সংস্কৃতিৰ স্বৰূপ। লোক-সংস্কৃতিৰ পৰিসৰ অতি ব্যাপক। ৰিচাৰ্ড এম ডাৰচনে লোক-সংস্কৃতিক মৌখিক সাহিত্য, ভৌতিক সংস্কৃতি, সামাজিক ৰীতিনীতি বা সামাজিক লোকাচাৰ আৰু লোক ভাগসমূহক কিছুমান উপশ্ৰেণীত ভাগ কৰিছে এনেদৰে—

**ক) মৌখিক লোকবিদ্যা** ঃ লোক-কাহিনী, লোক-কবিতা , লোক-মহাকাব্য, লোকোক্তি, সাঁথৰ, লোকভাষা, যোজনা-পটন্তৰ, জতুৱা ঠাঁচ অন্তৰ্ভুক্ত।

**খ) সামাজিক লোকাচাৰ** ঃ উৎসৱ-অনুষ্ঠান, অৱসৰ-বিনোদন আৰু খেল-ধেমালি, লোক-ঔষধ আৰু লোক-ধৰ্ম অন্তৰ্ভুক্ত।

**গ) ভৌতিক সংস্কৃতি ঃ** লোকশিল্প, লোককলা, লোকস্থপতি বিদ্যা, লোক আভৰণ, লোকৰন্ধন প্ৰণালী অন্তৰ্ভুক্ত।

**ঘ) লোক পৰিৱেশ্য কলা ঃ** লোক নাট, সংগীত, নৃত্য আদি অন্তৰ্ভুক্ত।

গৱেষণা পত্ৰখনিত লোক-সংস্কৃতিৰ এই উপাদানসমূহৰ আলোচনা কৰিবলৈ প্ৰয়াস কৰা হ'ব।

**গৱেষণা পত্ৰৰ উদ্দেশ্য ঃ** সাহিত্য, সংস্কৃতি, ৰীতি-নীতি, ৰুচি-অভিৰুচি, সহজ-সৰল, গ্ৰাম্য জীৱনযাত্ৰাৰ প্ৰণালী 'কুমৰ হৰণ' কাব্যত বিদ্যমান। ধৰ্মীয় অনুষ্ঠান, পূজা-পাতল, লোকবিশ্বাস, নিয়ম-কানুন, সাধু লোকভাষা, পুৰণি আখ্যান-উপাখ্যান আদি সকলোৰে সমাহাৰত লোক-সংস্কৃতি সম্পূৰ্ণ। লোক-সংস্কৃতিৰ এই উপাদানসমূহ অনন্ত কন্দলীৰ 'কুমৰ হৰণ' কাব্যত কিদৰে চিত্ৰায়িত হৈছে সেই বিষয়ে আলোচনা কৰাই গৱেষণা পত্ৰৰ মুখ্য উদ্দেশ্য।

**গৱেষণাৰ পদ্ধতি আৰু উৎস ঃ** বিষয়টো অধ্যয়নৰ ক্ষেত্ৰত বিশ্লেষণাত্মক পদ্ধতি অৱলম্বন কৰা হৈছে। তথ্য সংগ্ৰহৰ ক্ষেত্ৰত গৌণ উৎস হিচাপে বিষয়ৰ লগত সংগতি থকা বিভিন্ন গ্ৰন্থৰ সহায় লোৱা হৈছে।

**বিষয়ৰ আলোচনা ঃ** 'কুমৰ হৰণ' ৰ কাহিনী ভাগৰ সমল ভাগৱত পুৰাণ আৰু হৰিবংশৰ পৰা গ্ৰহণ কৰি কন্দলীদেৱে কথাবস্তুক নব্যৰূপ প্ৰদান কৰি সাৱলীল আৰু ৰমণীয় কাব্য ৰূপ প্ৰদান কৰিছে। অন্য গ্ৰন্থৰ পৰা সংগ্ৰহ কৰি ৰচনা কৰিলেও কাব্যখনক স্বকীয় ৰূপ প্ৰদান কৰিবলৈ সক্ষম হৈছে। কাব্যখনত অসমীয়া সমাজজীৱনত প্ৰতিফলিত হোৱা লোক-সাংস্কৃতিক উপাদানসমূহ সুন্দৰ ৰূপত ফুটি উঠা দেখিবলৈ পোৱা যায়। তলত কাব্যখনত প্ৰতিফলিত হোৱা লোক-সাংস্কৃতিক উপাদানসমূহৰ বিষয়ে আলোচনা কৰা হ'ল—

**ক) মৌখিক লোকবিদ্যা** ঃ সৰ্বসাধাৰণৰ মনৰ ভাৱৰাজিৰ মুকলি প্ৰকাশেই লোক-সাহিত্য বা জন-সাহিত্য। লোক-সমাজত প্ৰচলিত বিভিন্ন ধৰণৰ গীত-পদ, ফকৰা যোজনা, পটন্তৰ, প্ৰবচন, সাধুকথা, জনশ্ৰুতি, মালিতা, সাঁথৰ আদিয়েই লোক-সাহিত্য। অতুলচন্দ্ৰ বৰুৱাই 'অসমীয়া লোক-সাহিত্য' গ্ৰন্থত লিখিছে—"লোক সাহিত্যৰূপী এই উৰণীয়া পখীটোৰ দুখন পাখি। এখন পদ্যৰ, আনখন গদ্যৰ। পদ্যৰ পাখিখনত উঠি বিবিধ প্ৰকাৰৰ গীত-পদ, কবিতা, ফকৰা- যোজনা, শ্লোক আদিয়ে বিচিত্ৰ ৰূপ লৈ জনমানসক আপ্লুত কৰি ওঁঠ বাগৰি উৰি ফুৰে। আনফালে গদ্যৰ ইখন পাখিত নানাধৰণৰ আখ্যান-উপাখ্যান, উপদেশ, নীতিবচন, শ্লেষোক্তি, ব্যংগোক্তি, বাজোক্তি আদিয়ে বিস্তৃতি লভিবলৈ সুবিধা পায়। এই দুইফালৰ পৰা চাই

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

লোক-সাহিত্যক দুভাগত ভগাব পাৰি। এভাগ সুৰধৰ্মী আনভাগ জ্ঞানধৰ্মী।" (ডেকা, পৃ ৪৩৭)

অতি প্ৰাচীনকালৰে পৰা অসম তন্ত্ৰ-মন্ত্ৰত বিখ্যাত। বেদ, পুৰাণৰ ৰীতি-নীতিৰ ওপৰত অটল বিশ্বাস ৰাখি লৈ পূজা-পাতল কৰে কাৰণে অতীজৰে পৰা অসমত তন্ত্ৰ-মন্ত্ৰৰ প্ৰতি গুৰুত্ব অসীম। জীৱন দৰ্শনৰ অতীন্দ্ৰিয়বাদত প্ৰত্যয়শীল হোৱাৰ কাৰণে হয়তো বিৰাট এক লোকবিশ্বাসে তন্ত্ৰবাদক সকলোৰে মনত স্পন্দিত কৰি ৰাখিছে। মহাকাব্যৰ যুগত হোৱা যুদ্ধ-বিগ্ৰহত বাণ মৰা কথাৰ পৰা মন্ত্ৰবিদ্যা যে প্ৰাগ-ঐতিহাসিক যুগৰ পৰা প্ৰচলন হৈছিল আৰু বেদ, উপনিষদ, পুৰাণ আদি শাস্ত্ৰপুথিৰ পৰা উদ্ধৃত হৈছে; তাক জনা যায়।

লোক-কাহিনী, ভেল্কিবিদ্যা, তন্ত্ৰ-মন্ত্ৰ আদি মৌখিক লোক-বিদ্যাৰ অন্তৰ্গত। 'কুমৰ হৰণ' কাব্যত চিত্ৰলেখাৰ মায়া প্ৰদৰ্শন, হৰণলুকী মায়া আৰু ইয়াৰ সাধন প্ৰণালী, চিত্ৰলেখাৰ মধুকৰী ৰূপ পৰিগ্ৰহ আৰু হৰণলুকী মায়াৰ সহায়ত অনিৰুদ্ধক ভ্ৰমৰলৈ ৰূপান্তৰ কৰি অনা আদি কাৰ্যৰ জৰিয়তে প্ৰাচীন অসমৰ তন্ত্ৰ-মন্ত্ৰ বিদ্যাৰ প্ৰচলনৰ কথা প্ৰকাশ পায়।

**'কুমৰ হৰণ'ত চিত্ৰলেখাৰ হৰণলুকী মায়া প্ৰদৰ্শন ঃ**

"মধ্য নিশা ভাগে চন্দ্ৰ আছন্ত প্ৰকাশি।
লাগিল গ্ৰহণ ৰাহু গ্ৰাসিলেক আসি।।
সেহি বেলা উড়ি গৈলন্ত খঞ্জৰী পক্ষী।
তাঙ্ক জাম্প দিয়া ধৰিলেক চিত্ৰলেখি।।
পটাত পিসিয়া বড়ি সাজিলেক তাই।
মনত বিস্ময়ে ঋষি ৰাজে আছে চাই।।
কৰত মৰ্দ্দিয়া কপালত দিয়া ফোট।
তেতিক্ষণে ভৈল তাই মধুকৰী গোট।।'
(পাঠক, ১৯৯৭ পৃ. ৫৯)

**চিত্ৰলেখাই মায়াৰ জৰিয়তে কুমৰক হৰণ কৰিছে এনেদৰে—**

দুইৰো কপালে ফোট দিলা যে ৰঙ্গ কৰি।
তেতিক্ষণে ভৈলা দুয়ো ভ্ৰমৰ ভ্ৰমৰী।।
পৃষ্ঠভাগে তাই কুমৰক তুলি লৈলা।
কুন্দ্ৰাক্ষৰ জালে দুয়োবাজহুয়া গৈলা।। ২০৩
উৰ্দ্ধমুখ কৰি উড়িলেক ৰথখান।
গগনে উঠিল যেন দেৱৰ বিমান।।
চিত্ৰলেখি দুইৰো ফোট মলচিলা কৰে।
নিজৰূপ ভৈলা দুয়ো ৰথৰ উপৰে।। ২০৪
(পাঠক, ১৯৯৭ পৃ ৬৩)

মায়াবিদ্যাৰ জৰিয়তে চিত্ৰলেখাই ব'হাগ মাহক জেঠ মাহলৈ ৰূপান্তৰিত কৰা কাৰ্যৰ জৰিয়তে তন্ত্ৰ-মন্ত্ৰৰ কথাকে সূচায়।

পুৰণি অসমীয়া সমাজত ফকৰা যোজনা, পটন্তৰৰ প্ৰয়োগ প্ৰাক শংকৰী আৰু শংকৰী যুগৰ কাব্যৰ উপৰি মৌখিক সাহিত্যৰ মাজতো দেখিবলৈ পোৱা যায়। কথাই প্ৰতি ব্যক্তিসকলে ফকৰা যোজনা-পটন্তৰ প্ৰয়োগ কৰা দেখা যায়। 'কুমৰ হৰণ' কাব্যখনতো এনে পটন্তৰৰ প্ৰয়োগ দেখা যায়।

ক) খুদ খাই নষ্ট কৰা অমৃতৰ ভোগ। ২১২
খ) উষা বোলে সখি তোৰ বুজিলো আকলি।
আগে শাহ খাই পাছে দিবিহি বাকলি।। ১২৩
গ) লক্ষিবে নোৱাৰি যেন কুমাৰৰ চাক।। ২৯৬
ঘ) ফৰিঙ্গ উভয় যেন দিশ দিশান্তৰে।। ৩৮১
ঙ) ডিঙ্গা নাৰখান যেন আনিলা ঘসাই ।। ৪৪৯
চ) বিগুটি বিগুটি সখি নামাতিবি মোক। ৮৫

**অসমীয়া সমাজত ব্যৱহৃত জটুৱা-ঠাঁচ 'কুমৰ হৰণ' কাব্যতো বিদ্যমান**

ক) গুৱামালী পিন্ধে কোনে মালতীক পাই।
অমৃতক এড়ি কোনে খাৰ পানী খাই।। ২১৫
খ) ভূমি চুই বিষ্ণু স্মৰি পৰশিলা কাণ ।। ১২৪
গ) হৃদয়ত কুঠাৰ হানিলে কেন বিধি।। ৭৯
ঘ) খুমুচি আকাৰ মুখ টেমি যেন গাল।। ২৫৫

লোক-সংস্কৃতিৰ দিশৰ পৰা গালি-শপনিৰ এক সুকীয়া তাৎপৰ্য আছে। অনন্ত কন্দলীৰ 'কুমৰ হৰণ' কাব্যও এই ক্ষেত্ৰত ব্যতিক্ৰম নহয়। ঊষাৰ লগত অনিৰুদ্ধক দেখি কুঁজীয়ে বাৰে বাৰে তিৰী চোৰ বুলি গালি পাৰিছে এনেদৰে—

"অৰে অৰে চোৰ তোৰ গৃহ এতমান।
লোহায়ে বান্ধিলি ঘাড় আসিলি ইথান।" ২৫৮

অসমীয়া সমাজত কোনোবাই কৰোবাক গালি পাৰিলে মুখেৰে অশ্লীল শব্দ প্ৰয়োগ কৰাৰ লগতে মূৰ জোকাৰে, দাঁত কৰচে, মাটিত ভুকুৱাই, বুঢ়া আঙুলি দেখুৱাই, চৰ দিম বুলি কৈ খং উপশম কৰা আৰু বহুক্ষেত্ৰত খং প্ৰকাশ কৰে।


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

'কুমৰ হৰণ' কাব্যতো এনে বৰ্ণনা দেখিবলৈ পোৱা যায়—

"দসন কামুৰি তাঞ্ৰি মাতিলেক খঙ্গে।" ২৫৭

"চুলত ধৰিয়া গালত মাৰিয়া
খেদাইবো বাজ কৰি মায়।।
যাহ মান বুজি নমাতিবি কুঁজী
প্ৰহাৰ নল'বি খুজি।
চৰড়েক মৰি দান্ত সব সাৰি
দেখাইবো মানস সুজি।।" ২৬৫

'কুমৰ হৰণ' কাব্যত তন্ত্ৰ-মন্ত্ৰ, ফকৰা যোজনা, পটন্তৰ, জটুৰা ঠাঁচ, গালি-শপনি আদি মৌখিক লোকবিদ্যা সুন্দৰকৈ ফুটি উঠা দেখিবলৈ পোৱা গৈছে।

**খ) সামাজিক লোকাচাৰ ঃ** লোকাচাৰ মানৱজীৱনৰ বিবিধ ক্ৰিয়াৰ সমষ্টিহে, যিবোৰ লোকবিশ্বাসৰ গাত ভেঁজা দি সমাজত ক্ৰমবৰ্ধমান ৰূপত প্ৰচলিত হৈ আহিছে। কোনো এটা জনগোষ্ঠীৰ মাজত পৰম্পৰাগতভাৱে প্ৰচলিত হৈ অহা উৎসৱ-অনুষ্ঠান, ৰীতি-নীতি, খেল-ধেমালি, লোক-ঔষধ আদিয়েই সামাজিক লোকাচাৰ।

জন্ম সম্পৰ্কীয় সংস্কাৰমূলক কৃত্য সামাজিক লোকাচাৰৰ অন্তৰ্গত। নামকৰণ জন্ম সম্পৰ্কীয় লোকাচাৰ। 'কুমৰ হৰণ' কাব্যতো বাণ ৰজাই তেওঁৰ একমাত্ৰ কন্যাৰ জন্মৰ পাছত নামকৰণ অনুষ্ঠান পাতি গণকক মাতি গণি-পঢ়ি নাম থৈছে ঊষা।

"মহাবীৰ বাণাসুৰ ত্ৰৈলোক্য বখানি।
শত পুত্ৰ ভৈল তান কন্যা একখানি।।
গণি-পঢ়ি তান পাছে ঊষা নাম থৈলা।
পুত্ৰতো অধিক শত গুণে স্নেহ ভৈল।।" ২১

বিবাহ এক সামাজিক প্ৰথা। বিবাহৰ জৰিয়তে যুগ্ম জীৱনৰ পাতনি মেলা হয়। গন্ধৰ্ব বিবাহ আঠ প্ৰকাৰৰ বিবাহৰ অন্তৰ্গত। 'কুমৰ হৰণ' কাব্যত ঊষা আৰু অনিৰুদ্ধৰ গন্ধৰ্ব বিবাহ দেখুওৱা হৈছে। এই বিবাহ বৰ আৰু কন্যাৰ অনুৰাগবশতঃ সম্পন্ন কৰা হয়। ঊষাৰ মনোৰথ পূৰণৰ নিমিত্তে চিত্ৰলেখাই হৰণলুকী মায়াৰ জৰিয়তে অনিৰুদ্ধক হৰণ কৰি আনি অগ্নিগড়ৰ ভিতৰত ঊষা-অনিৰুদ্ধক গন্ধৰ্ব বিবাহ সম্পন্ন কৰি দিলে—

"কেশে কেশে ধৰি অভিষেকিলন্ত জলে।
লগ্ন গাণ্ঠি বান্ধিলন্ত আঞ্চলে আঞ্চলে।।
দুইৰো হাতে দুইকো নিয়া দিয়াইলা তাম্বুল।
লগ্ন গাণ্ঠি পিন্ধাই দুইকো দিয়াইলেক ফুল।।" ২৩০

'কুমৰ হৰণ' কাব্যৰ শেষত ঊষা-অনিৰুদ্ধক বাণ ৰজাই বিধিমতে বিবাহ সম্পন্ন কৰিলে। অসমীয়া সমাজত বিয়াত যৌতুক দিয়া প্ৰথা নাই যদিও পিতৃ-মাতৃয়ে নিজৰ সাধ্যানুসাৰে জীয়ৰীক দুই-এপদ বস্তু দিয়ে। 'কুমৰ হৰণ' কাব্যতো ঊষা-অনিৰুদ্ধৰ বিয়াৰ পাছত বাণ ৰজাই ঊষাৰ লগত ৰথ-ৰথী, দাস-দাসী, সুবৰ্ণ, ৰজত পৰ্যন্ত দিয়াৰ কথা উল্লেখ পাওঁ এনেদৰে—

"ৰথ ৰথি দাস-দাসী সুবৰ্ণ ৰজত।
অনেক যৌতুক দিলা জীউৰ লগত।।
অনিৰুদ্ধে কুম্ভাণ্ডক বুলিলন্ত বাণী।
চিত্ৰলেখা নামে যে তোমাৰ জীউখানি।।"৪৮০

কাব্যখনত মন্ত্ৰী কুম্ভাণ্ডয়ো পুত্ৰী চিত্ৰলেখা আৰু গদৰ বিবাহৰ পাছত সাধ্য অনুসাৰে বস্তু দিয়াৰ কথা উল্লেখ পাওঁ।

লোকবিশ্বাস সমাজজীৱনত বৰ গুৰুত্বপূৰ্ণ। অনাদি কালৰে পৰা আমাৰ সমাজত লোকবিশ্বাস প্ৰচলিত হৈ আহিছে। 'কুমৰ হৰণ' কাব্যতো মঙ্গলামঙ্গল গণনা, যাত্ৰাকালত নাপিত, ধোবা আৰু বাঁৰী তিৰোতা দেখিলে যাত্ৰা নষ্ট হোৱা বুলি ধাৰণা, সপোন সম্পৰ্কে ধাৰণা, ভূমি চুই শপত খোৱা আদিৰ কথা উল্লেখ কৰিব পাৰিব। কাব্যখনত বাণ ৰজাৰ সমৰ যাত্ৰাৰ সময়ত দেখা দিয়া অমংগলৰ চিন এনেধৰণৰ—

"দশ অক্ষৌহিণী সেনা লগে চলি যাই।
প্ৰজাৰ উপৰে কাক শগুণ উড়াই।।
হৰিদ্ৰা বৰ্ণ-মেঘ যে ঢাকিল আকাশ।
আগত শৃগাল আসি পাৰয় আটাস।।
যাত্ৰা কালে ৰাজায়ো দেখিলে সুদাহাণ্ডী।
বোলা বুলি কৰি দ্বন্দ কৰে দুই ৰাণ্ডী।।
আৰো দেখিলেক ৰাজা তৈলৰ পহাৰী।
আগে লৈয়া যাই দেখে খৰি ভাৰ চাৰি।।" ৩৫৫

ভূমি চুই শপত খোৱা, কাণত ধৰা, ভগৱানৰ নাম লোৱা আদি কাৰ্যৰ জৰিয়তে বিশ্বাস জন্মোৱা হয়। 'কুমৰ হৰণ' কাব্যতো ঊষাৰ সপোন স্বামীক আনিবলৈ সাজি-কাচি ওলোৱা দেখি ঊষাই চিত্ৰলেখাৰ ওপৰত সন্দেহ কৰাত চিত্ৰলেখাই "ভূমি চুই বিষ্ণু স্মৰি পৰশিলা কাণ" ১২৮ বুলি শপত খাইছে।

গণক এক শ্ৰেণী বৃত্তিধাৰী মানুহ। গণনাই তেওঁৰ মুখ্য কাম। কাব্যখনত কুঁজীয়ে গণকৰ ওচৰলৈ যোৱাত গণকে কুঁজীক ৰাজ পটেশ্বৰী হোৱাৰ যোগ আছে বুলি কোৱাত

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

আনন্দত আত্মহাৰা হৈ পৰিছে আৰু গণকৰ কথা বিশ্বাস কৰি ৰাজ পটেশ্বৰী হোৱাৰ আশাত ৰজাৰ ওচৰত উপস্থিত হৈ সভাৰ মাজত ঊষা-অনিৰুদ্ধৰ কথা বৰ্ণনা কৰাত ৰজাই খণ্ডত কাটোৱালৰ হতুৱাই কুঁজীৰ নাক-কাণ কাটি ৰাজসভাৰ পৰা বাহিৰ কৰি দিলে। এফালে কুঁজীয়ে গণকৰ কথা বিশ্বাস কৰিছে আৰু আনফালে কুঁজীক 'পটেশ্বৰী' হোৱাৰ যোগ আছে বুলি ছলনা কৰাৰ কথা কাব্যখনত ফুটি উঠিছে।

খেল-ধেমালি সমাজজীৱনৰ এক এৰাব নোৱৰা অংগ। অতি প্ৰাচীন কালৰে পৰাই জনসাধাৰণৰ মাজত খেল-ধেমালিৰ প্ৰচলন হৈ আহিছে। খেল-ধেমালিসমূহ সময় কটোৱাৰ এক উত্তম মাধ্যম। পাশাখেল অতি জনপ্ৰিয় খেল। অসম বুৰঞ্জীত আছে—"পাছে নৰনাৰায়ণ (নাৰায়ণে) আপুচ গোহাঁইক অনাই তেবে সহিতে পাশা চালিলে।" (ফুকন, পৃ. ৪৫) পাণ্ডৱসকল পাশাখেলত হাৰি বনবাসলৈ যোৱাৰ কথাই পাশাখেলৰ প্ৰাচীন কালত থকা জনপ্ৰিয়তাৰ ইংগিত বহন কৰে। 'কুমৰ হৰণ' কাব্যতো ঊষা আৰু চিত্ৰলেখাই অগ্নিগড়ৰ ভিতৰত সময় কটাবলৈ বা অৱসৰ বিনোদনৰ কাৰণে পাশাখেলকেই মাধ্যম হিচাপে ব্যৱহাৰ কৰিছে। "খনো পাশাখেলি কৰে হৃদয় সন্তোষ।।" ৪১

সামাজিক লোকপ্ৰথাৰ ধৰ্মীয় দিশটো উপাসনা পদ্ধতিৰ গতি নিৰ্ণায়ক। নানা ধৰণৰ পূজা-উপাসনা আদি লোকপ্ৰথাৰ পৰিসৰৰ ভিতৰুৱা। দেৱ-দেৱীক উপাসনা, মনৰ কামনা পূৰণ কৰাৰ নিমিত্তে ভগৱানক স্মৰণ কৰা লোকসমাজৰ এক ৰীতি। 'কুমৰ হৰণ' কাব্যতো বাণ ৰজাই মহাদেৱ শিৱক নিতৌ পূজা কৰা, বাণৰ উপাসনাত সন্তুষ্ট হৈ বৰ দিয়া, বৰ পাই নিজ ৰাজ্যত শিৱক পূজিবলৈ দেৱঘৰ নিৰ্মাণ কৰা কাৰ্যৰ কথা উল্লেখ পাওঁ। কাব্যত ঊষায়ো হৰ-গৌৰীৰ মন্দিৰত গৈ উপাসনা কৰা, গোসাঁনীয়ে মন বুজি বৰ দিয়া আদি কথাৰ উল্লেখ আছে।

'কুমৰ হৰণ' কাব্যখনত জন্মসম্পৰ্কীয়, বিবাহ সম্পৰ্কীয়, লোকবিশ্বাস, খেল-ধেমালি, পূজা উপাসনা আদি সামাজিক লোকাচাৰসমূহ সুন্দৰ ৰূপত ফুটি উঠিছে।

**গ) ভৌতিক সংস্কৃতি ঃ** লোক স্থপতিবিদ্যা ভৌতিক সংস্কৃতিৰ অন্তৰ্গত। লোক স্থপতিবিদ্যাত গৃহ নিৰ্মাণ, স্থাপত্য-ভাস্কৰ্য আদি অন্তৰ্ভুক্ত। 'কুমৰ হৰণ' কাব্যত বাণ ৰজাই নিতৌ শংকৰক পূজা-উপাসনা কৰিবৰ নিমিত্তে দেৱগৃহ নিৰ্মাণ কৰা কথাই লোক স্থপতিবিদ্যাৰ কথাৰ উল্লেখ পোৱা যায়।

"শংকৰ পূজিতে সাজিলা দেৱঘৰ।
কৈলাশ শিখাৰে যেন দেখি মানোহৰ।।" ১৯

ঊষাৰ কন্যাকাল উপস্থিত হোৱাৰ লগে লগে বাণ ৰজাই ঊষাক সুৰক্ষিত কৰি ৰাখিবৰ বাবে অগ্নিগড় নিৰ্মাণ কৰা কথাই লোক স্থপতিবিদ্যাৰ কথা সোঁৱৰাই দিয়ে।

"চতুৰ্ভিতি বেঢ় আতি দিলে গঢ়ি গড়।" ৩৭

ঊষাৰ মনোৰথ পূৰণৰ নিমিত্তে দ্বাৰকা নগৰীলৈ যোৱাৰ পথত নাৰদক লগ পাই চিত্ৰলেখাই । নাৰদে চিত্ৰলেখাক সোধাত চিত্ৰলেখাই প্ৰিয় সখীৰ মনৰ বাঞ্ছা পূৰণৰ নিমিত্তে গোবিন্দৰ নাতি অনিৰুদ্ধক হৰণ কৰাৰ কথা ব্যক্ত কৰে। নাৰদে তেতিয়া চিত্ৰলেখাৰ মায়াবিদ্যাৰ পৰীক্ষা লয় আৰু চিত্ৰলেখাই সকলো মায়াবিদ্যা প্ৰদৰ্শন কৰোঁৱাত নাৰদে চিত্ৰলেখাই এই মায়াবিদ্যাই কুমৰক হৰণ কৰিব নোৱাৰিব বুলি ক'লে। তেতিয়া চিত্ৰলেখাই নাৰদক উপায় বিচাৰিলে। নাৰদেও চিত্ৰলেখাক হৰণ লুকী মায়া শিকাই দি দুয়ো দ্বাৰাকা অভিমুখে যাত্ৰা কৰিলে। নাৰদে আগতীয়াকৈ দ্বাৰকালৈ গৈ শ্ৰীকৃষ্ণক তেওঁৰ গৃহত চোৰ সোমাব আৰু চোৰে অনিৰুদ্ধ কুমৰক হৰণ কৰাৰ কথা ক'লে। তেতিয়া শ্ৰীকৃষ্ণই অনিৰুদ্ধক সুৰক্ষিত কৰি ৰাখিবলৈ লোহাৰ ঘৰ নিৰ্মাণ কৰা কথাৰ জৰিয়তে লোক স্থপতিবিদ্যাৰ কথা সুন্দৰভাৱে প্ৰকাশ পাইছে।

"প্ৰবন্ধে সজাইলা প্ৰভু লৌহময় ঘৰ।
কুমৰক থৈল নিয়া তাহাৰ ভিতৰ।।" ১৮৮

লোক-আভৰণ ভৌতিক সংস্কৃতিৰ অন্তৰ্গত। সাজপাৰ, আ-অলংকাৰ, প্ৰসাধন সামগ্ৰী লোক-আভৰণৰ অন্তৰ্ভুক্ত। সৌন্দৰ্য চৰ্চাত নাৰী অতি সচেতন। সুন্দৰ সাজ-পোছাক, আ-অলংকাৰ পৰিধান কৰি নিজকে সজাই-পৰাই নাৰীয়ে ভাল পায়। 'কুমৰ হৰণ' কাব্যতো চিত্ৰলেখাই কুমৰক আনিবলৈ যোৱাৰ সময়ত নিজকে নানা ধৰণৰ ৰত্ন অলংকাৰ পিন্ধি সজাই তুলিছে এনেদৰে—

"উপৰক তুলি কেশ বান্ধিলেক খোপা।
পিঠিত হালয় তাইৰ মালতিৰ থোপা।। ১১৯
কপালত আতি ভাল তিলক পিন্ধিল।
গন্ধৰ নিকৰ পিসি আগৰত দিল।।
গ্ৰীৱে লৈলা গজমতি হাৰে দুলে জেঠি।
দশো আঙ্গুলিত ঝাম্পি সোণাৰ আঙ্গুঠি।।১২০
নখৰ মূলত তাই লগাইলেক হীৰ।


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

কৰ্ণত জ্বলয় ৰত্ন কুণ্ডল ৰুচিব।।" ১২১

বোৱাৰীয়ে জ্যেষ্ঠজনক দেখিলে মূৰত ওৰণি লোৱাটো অসমীয়া সমাজত প্ৰচলিত। 'কুমৰ হৰণ' কাব্যতো ঊষাই চিত্ৰলেখাই আঁকি দিয়া চিত্ৰত শহুৰ কামদেৱক দেখা পাই মূৰত ওৰণি লৈছে।

"পাছে কামদেৱক লেখিলা কৃষ্ণ পাশে।
মাথে বস্ত্ৰ দিয়া লাজে বচন নভাযে।। ১০৬

কাব্যত কুঁজীয়ে ঊষা অনিৰুদ্ধক একেলগে দেখি কুমৰক ভৰ্ৎসনা কৰাত ঊষাই কুঁজীক চুলিত ধৰি বাহিৰলৈ পঠাই দিয়ে। কুঁজীয়ে ঊষা-অনিৰুদ্ধৰ কথা ৰাণী মধুমতীক জনোৱাত ৰাণীয়ে কুঁজীক ৰজাৰ আগত নক'বলৈ কয় আৰু বিবিধ বস্তু, বস্ত্ৰ আৰু খাদ্যসম্ভাৰেৰে পৰিতুষ্ট কৰে। চিত্ৰলেখাই পট নিৰ্মাণ কৰোঁতে শ্ৰীকৃষ্ণৰ হালধীয়া বস্ত্ৰ পৰিধান আৰু গলত কৌস্তভমণি পিন্ধাৰ কথা, চিত্ৰলেখাৰ ৰথচালকজনে ক'লা টুপী আৰু ক'লা বস্ত্ৰ পৰিধান কৰাৰ কথাৰ জৰিয়তে লোক-আভৰণৰ স্পষ্ট নিদৰ্শন দাঙি ধৰে।

লোকৰন্ধন প্ৰণালীও ভৌতিক সংস্কৃতিৰ অন্তৰ্গত।

"ভোকৰ ভাত, পিয়াহৰ পানী
ইয়াকে নেখালে হয় দেহৰ হানি।"

খাদ্য বা আহাৰেই জীৱৰ প্ৰাণ স্বৰূপ। জিভাৰ জুতি লগাবলৈ মূল খাদ্যৰ লগত বিভিন্ন শাক-পাচলি, মাছ-মাংস ব্যৱহাৰ কৰা দস্তুৰ মানুহৰ মাজত প্ৰচলিত। অসমীয়া সমাজত প্ৰচলিত খাদ্যৰ তালিকাখন অতি দীঘলীয়া। অসমীয়া খাদ্য সামগ্ৰীৰ বৰ্ণনা 'কুমৰ হৰণ' কাব্যত সুন্দৰ ৰূপত পোৱা যায়। পিঠা, পৰমান্ন, বিবিধ চাইলৰ ভাত, মচুৰ-মগু দালি, ঘিউ, চেনি চুৰা আদিৰ ব্যৱহাৰ কাব্যত স্পষ্ট—

"বহুবিধ সংযোগে সাজিলা পৰমান্ন।
পিষ্টক সাজিল তাই নানাবিধ ঠান।। ২৩৩
মগুৰ দালিত ঘৃত চিনি চুৰা দিল।
আতি ভাল কৰি তাক মচুৰে ৰঞ্জিল।। ২৩৪

শাক-পাচলি হিচাপে বৰকল, লফা, ৰম্ভামুল, কচ-বচ, পালঙ্গ, বেঙেনা। টেঙাৰ ভিতৰত লফা, বদৰী, পকা তেঁতেলী, শোলঙ্গ, জামিৰ আদি। বিবিধ মছলা— আদা, লোণ, জনি, জিৰা, মৰিচ, হিং, কৰ্পূৰ আদিৰ ব্যৱহাৰ কাব্যত উল্লেখ পাওঁ। পাৰ, খাহি, কাছ, হৰিণা, বৰপহু আদি মাংসৰ ব্যঞ্জনেৰে চিত্ৰলেখাই অতি সুন্দৰভাৱে ঊষা অনিৰুদ্ধক পৰিৱেশন কৰাইছে। মাছৰ ভিতৰত বৰালি, ৰৌ, কচ, শ'ল, ইলিচ, কান্দুলি, মাগুৰ, কাৱৈ আদিয়ে সুস্বাদু ব্যঞ্জন প্ৰস্তুত কৰা কথা কাব্যত সুন্দৰ ৰূপত প্ৰকাশিত হৈছে।

"বড়ালীৰ ঘাণ্টি লাড়ি মৎস্যত মচুৰ।।
কচে বচে বেসুৱাৰি শৌলে মূলে সঙ্গ।
ডৰিকে বেঙ্গনে আড়ি মাছ পালঙ্গ।। ২৩৬

ভোজনৰ আগত কৰ্পূৰ আৰু লৱণৰ লগত ঘিউ খোৱা নিয়ম "কৰ্পূৰ লৱণ ঘৃত ভুঞ্জিলন্ত আগে।" ভোজনৰ শেষত ম'হৰ দৈ, মৌ, ঘনক্ষীৰ আদি খোৱাৰ কথা কাব্যত স্পষ্ট—

"মহিষৰ দধি দিলা আৰু মধুৰস।
বহুবিধ ঘন ক্ষীৰ আমোদ বিশেষ।।

মুখশুদ্ধি হিচাপে কৰ্পূৰ তামোল-পাণ অসমীয়া সমাজত প্ৰচলিত। 'কুমৰ হৰণ' কাব্যতো মুখশুদ্ধি হিচাপে ঊষা অনিৰুদ্ধই কৰ্পূৰ তামোল খোৱাৰ কথা উল্লেখ পাওঁ।

'কুমৰ হৰণ' কাব্যত লোকশিল্পৰ ব্যৱহাৰো দেখিবলৈ পোৱা যায়। কুঠাৰ, কটাৰী, যুৱলি, চাবুক, পটা, ধনু, শৰ, গছা, ৰত্নময় সজ্জা, সোণৰ আসন, সোণৰ খাট বা বিছনা, বিচনী, নাও, তাল, কৰতাল, মৃদঙ্গ, মাদল আদিৰ কথা উল্লেখ পাওঁ।

'কুমৰ হৰণ' কাব্যখনত লোক স্থপতিবিদ্যা, লোক আভৰণ, লোক ৰন্ধন প্ৰণালী আৰু লোক শিল্প আদি ভৌতিক সংস্কৃতিসমূহ সুন্দৰ ৰূপত ফুটি উঠিছে।

**ঘ) লোক পৰিৱেশ্য কলা** ঃ পৰিৱেশন কৰিব পৰা কলা ৰূপেই হ'ল পৰিৱেশ্য কলা। লোকজীৱনৰ অন্যতম অংগ লোক পৰিৱেশ্য কলাই নিৰ্দিষ্ট ৰূপৰ মাজেদি স্বৰূপাৰ্থত লিখিত বা বাচিক কলাক চাক্ষুস ৰূপ দিয়ে। গীত, নৃত্য, নাট আদি লোক পৰিৱেশ্য কলাৰ প্ৰধান অংগ। সমাজত প্ৰচলিত পৰম্পৰাগত সংগীত শৈলীৰ স্বৰবিভাজন পদ্ধতি, বিভিন্ন ৰাগ-ৰাগিনী আদিৰ উল্লেখ 'কুমৰ হৰণ' কাব্যত পোৱা যায়।

অনন্ত কন্দলী পূৰ্বৰে পৰা প্ৰাগজ্যোতিষ কামৰূপ অসমত ব্যাস সংগীত বা বিবাহৰ ওজাপালি পৰিৱেশ্য অৰ্ধ নাটকীয় সংগীত শৈলীৰ স্বৰক ঘোৰ, মন্দ আৰু জাৰ এই তিনিটা ভাগত বিভাজন কৰাৰ পৰম্পৰা চলি আহিছে। (শৰ্মা ২০১৩, পৃ ১৫২)

"তাৰ ঘোৰ মন্ত্ৰ আদি গাৱে বহুভাৱে।
মনক মোহয় যেন কোকিলৰ ৰাৱে। ২১৭
মালৱত ৰাগ মালৈ কৰোক কৰ্ণাড়।
কৰ্ণাট সুৱাগ সুহাই মালবী মল্লাড়।।

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

ললিত বিভাগ মঞ্জু ভৈৰৱী মল্লাড়ী।
ৰামগিৰী ধনশিৰী ভুপালি বৰাড়ী।।” ২১৮

অসমীয়া বাদ্য যন্ত্ৰৰ ভিতৰত ‘কুমৰ হৰণ’ কাব্যখনিত তাল, মৃদঙ্গ, মাদল, কৰতাল আদিৰ উল্লেখ আছে।

“বাজয় তাল মৃদঙ্গ
বাজয় মাদল তাল কৰতাল।
অসংখ্য হাজাৰ বাজে।” ৪৮৬

‘কুমৰ হৰণ’ কাব্যখনিত গীত আৰু বাদ্যযন্ত্ৰৰ ব্যৱহাৰৰ জৰিয়তে লোক পৰিৱেশ্য কলা সুন্দৰ ৰূপত ফুটি উঠিছে।

ওপৰৰ আলোচনাৰ পৰা দেখা গ’ল যে অনন্ত কন্দলীৰ ‘কুমৰ হৰণ’ কাব্যত অসমীয়া সমাজজীৱনৰ সকলো দিশৰ লগতে লোক-সাংস্কৃতিক উপাদান মৌখিক লোকবিদ্যা, সামাজিক লোকাচাৰ, ভৌতিক সংস্কৃতি আৰু লোক পৰিৱেশ্য কলাসমূহ সুন্দৰ ৰূপত ফুটি উঠিছে। গতিকে কন্দলীৰ ‘কুমৰ হৰণ’ কাব্যখন লোক-সাংস্কৃতিক সমলেৰে ভৰপূৰ এখন সাৰ্থক কাব্য বুলি মূল্যায়ণ কৰিব পাৰি।

**গ্ৰন্থপঞ্জী ঃ**

১) পাঠক, ৰমেশ (সম্পা) [1997]. অনন্ত কন্দলীৰ বিৰচিত ‘কুমৰ হৰণ’ কাব্য, বুকলেণ্ড গুৱাহাটী।
২) শৰ্মা, নবীন চন্দ্ৰ (২০২৩). অনন্ত কন্দলী, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী ।
৩) শৰ্মা, নবীন চন্দ্ৰ (২০১৬). অসমীয়া লোক সংস্কৃতিৰ আভাস, বাণী প্ৰকাশ গুৱাহাটী।
৪) চহৰীয়া, কনকচন্দ্ৰ (২০১৯). পুৰণি অসমীয়া কাব্য, অলিম্পিয়া প্ৰকাশন গুৱাহাটী।
৫) দাস, কৈলাস (২০০৬). অসমীয়া ভক্তি সাহিত্য, শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ কলিতা, ৰজিতা মৰল (সম্পা), নগাঁও জিলা শাখা, নগাঁও।
৬) ডেকা, কনকচন্দ্ৰ (সম্পা) ঃ অতুল চন্দ্ৰ বৰুৱা ৰচনাৱলী।

❖ ❖ ❖

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

# শংকৰদেৱৰ 'ৰুক্মিণী হৰণ ' নাট আৰু মাতৃভাষা ভাষা ভবেন্দ্ৰনাথ শইকীয়া পৰিচালিত 'অগ্নিস্নান' আৰু 'আৱৰ্তন' কথাছবিৰ শীৰ্ষ নাৰী চৰিত্ৰৰ উত্তৰণৰ স্বৰূপ ঃ এক অধ্যয়ন

✍ ছন্দামিতা ঠাকুৰীয়া
গৱেষক, অসমীয়া বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয

**সংক্ষিপ্তসাৰ ঃ**

অসমীয়া চলচ্চিত্ৰ জগতত যিসকল মহান মনীষীয়ে প্ৰভূত বৰঙণি আগবঢ়াই থৈ গৈছে, তাৰ ভিতৰত ড° ভবেন্দ্ৰনাথ শইকীয়াৰ নাম সদা স্মৰণীয়। কুৰি শতিকাৰ সত্তৰৰ দশকত তেওঁ চলচ্চিত্ৰ পৰিচালক হিচাপে আত্মপ্ৰকাশ কৰি অসমীয়া চিনেমাক এক বিশিষ্ট মাত্ৰা প্ৰদান কৰিছিল আৰু ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছিল। ১৯৭৭ চনত তেওঁৰ প্ৰথমখন ছবি 'সন্ধ্যাৰাগ' মুক্তি পায় আৰু পৰৱৰ্তী সময়ত ক্ৰমে অনিৰ্বাণ, অগ্নিস্নান, কোলাহল, সাৰথি, আৱৰ্তন, ইতিহাস আদি কথাছবি তেওঁ নিৰ্মাণ কৰে। কাহিনী, চৰিত্ৰ, সংলাপ সকলো দিশৰ পৰাই তেওঁৰ কথাছবিকেইখন উচ্চ মানবিশিষ্ট। শক্তিশালী সংলাপৰ প্ৰয়োগে চৰিত্ৰসমূহক অধিক জীৱন্ত কৰি তুলিছে। 'নাৰী চৰিত্ৰৰ চিত্ৰণ' তেখেতৰ চলচ্চিত্ৰৰ এক সুকীয়া বিশেষত্ব। আটাইকেইখন চলিচ্চত্ৰতে নাৰী চৰিত্ৰৰ প্ৰাধান্য আছে। বিশেষকৈ 'অগ্নিস্নান' কথাছবিৰ মুখ্য নাৰী চৰিত্ৰ 'মেনকা' এক ক্লাছিক চৰিত্ৰ হিচাপে অসমীয়া ছবি জগতত পৰিচিত। তেনেদৰে কোলাহলৰ 'কিৰণ', আৱৰ্তনৰ 'জয়ন্তী', সন্ধ্যাৰাগৰ 'চাৰু', অনিৰ্বাণৰ 'ভাগ্যৱতী' প্ৰত্যেকটো নাৰী চৰিত্ৰৰে সুকীয়া আবেদন তথা নিজস্ব স্থিতি আছে। কোনোটো চৰিত্ৰ কাহিনী বিন্যাসৰ লগে লগে উত্তৰণৰ দিশলৈ আগবাঢ়িছে আৰু অধিক শক্তিশালী ৰূপত আত্মপ্ৰকাশ কৰিছে। নাৰীৰ স্বাভিমানী, প্ৰতিবাদী, স্বয়ংসম্পূৰ্ণ ৰূপটো বহুকেইটা চৰিত্ৰৰ মাধ্যমেৰে প্ৰকাশ পাইছে। এই গৱেষণা পত্ৰত ড° ভবেন্দ্ৰনাথ শইকীয়াৰ 'অগ্নিস্নান' আৰু 'আৱৰ্তন' কথাছবিৰ মুখ্য নায়িকাৰ চৰিত্ৰ দুটা বিশ্লেষণৰ বাবে নিৰ্বাচন কৰা হৈছে। নিৰ্বাচিত চলচ্চিত্ৰৰ নাৰী চৰিত্ৰৰ চাৰিত্ৰিক বিশেষত্ব, কথনভংগী, প্ৰতিবাদী সত্ত্বা তথা উত্তৰণৰ স্বৰূপ সম্পৰ্কে আলোচনা কৰা হ'ব।

**বীজ শব্দ ঃ** চলচ্চিত্ৰ, অগ্নিস্নান, আৱৰ্তন, চৰিত্ৰ, নাৰী, মেনকা, জয়ন্তী, উত্তৰণ

**প্ৰস্তাৱনা ঃ**

কুৰি শতিকাৰ সত্তৰ, আশীৰ দশকত ড° ভবেন্দ্ৰনাথ শইকীয়াই বহুকেইখন মানবিশিষ্ট অসমীয়া চলচ্চিত্ৰ নিৰ্মাণ কৰি অসমীয়া চলচ্চিত্ৰক সমৃদ্ধি আৰু বিস্তাৰ প্ৰদান কৰিছিল। সূক্ষ্ম পৰ্যবেক্ষণ আৰু সাৱলীল উপস্থাপনেৰে তেওঁৰ আটাইকেইখন চলচ্চিত্ৰত প্ৰকাশ পাইছে বাস্তৱ জীৱনৰ জীয়া ছবি।

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

তেওঁৰ 'আৱৰ্তন' কথাছবিৰ বাদে অন্য কথাছবিসমূহ তেওঁৰ সাহিত্যকৰ্মৰ আধাৰত নিৰ্মিত। 'বাণপ্ৰস্থ' গল্পৰ আধাৰত 'সন্ধ্যাৰাগ', 'অন্তৰীপ' উপন্যাসৰ আধাৰত 'অগ্নিস্নান', 'এন্দুৰ' গল্পৰ আধাৰত 'কোলাহল', 'ফাউণ্ডেচন' গল্পৰ আধাৰত 'সাৰথি', 'প্ৰহৰী' গল্পৰ আধাৰত 'অনিৰ্বাণ' নিৰ্মাণ কৰা হৈছে। 'আৱৰ্তনৰ' বাবে তেওঁ পোনপটীয়াকৈ কাহিনীভাগ লিখি উলিয়াইছিল। ভবেন্দ্ৰনাথ শইকীয়াৰ গল্প, উপন্যাসত যিদৰে বৰ্ণনাৰ সূক্ষ্মাতিসূক্ষ্ম চিত্ৰ প্ৰতিফলিত হয়, তেনেদৰে চলচ্চিত্ৰ পৰিচালক হিচাপেও তেখেতে কাহিনী, সংলাপ, দৃশ্য নিৰ্মাণ তথা অন্যান্য কাৰিকৰী দিশসমূহত দক্ষতাৰ পৰিচয় দিছে। সাহিত্য-কৰ্মৰ পৰা নিৰ্মিত কথাছবিসমূহে সাহিত্যৰ চৰিত্ৰসমূহক জীৱন্ত কৰি তুলিছে। এই গৱেষণা-পত্ৰৰ নিৰ্বাচিত কথাছবি দুখন হৈছে— 'অগ্নিস্নান' আৰু 'আৱৰ্তন'। অগ্নিস্নান — নামটোতেই নিহিত হৈ আছে এক ব্যঞ্জনা, বিশালতা তথা নানা প্ৰতিঘাত নেওচি নিজৰ অস্তিত্বক প্ৰমাণ কৰাৰ এক প্ৰতিবাদী সত্তা। অগ্নিস্নানৰ মেনকা কেৱল এটা চৰিত্ৰ নহয়; পুৰুষতান্ত্ৰিক সমাজৰ বিৰুদ্ধে নীৰৱে, নিতালে লোৱা প্ৰতিশোধৰ এক ধাৰাল প্ৰতীক। তেনেদৰে আৱৰ্তনৰ 'জয়ন্তী' এগৰাকী সাধাৰণ হৈও অসাধাৰণ, স্পষ্টবাদী যদিও 'দুষ্টা', সৰল হৈও জটিল মনোভাৱেৰে পূৰ্ণ এগৰাকী নাৰী। নাৰীৰ সপোন-বাস্তৱ-সংঘাতৰ অন্তত আত্মবিশ্বাসী আৰু সিদ্ধান্ত ল'ব পৰাকৈ সাহসী নাৰীৰ প্ৰতিনিধি হৈছে জয়ন্তী। ভবেন্দ্ৰনাথ শইকীয়াৰ চলচ্চিত্ৰত নাৰীৰ ৰূপ-বৈচিত্ৰ্য সুকীয়া সুকীয়া বিশেষত্বৰে প্ৰতিফলিত হৈছে যদিও 'অগ্নিস্নান' আৰু 'আৱৰ্তন'ৰ মুখ্য নাৰী চৰিত্ৰ আনকেইখনতকৈ পৃথক আৰু অধিক শক্তিশালী।

**অধ্যয়নৰ উদ্দেশ্য আৰু গুৰুত্ব ঃ**

উক্ত বিষয়টি নিৰ্বাচন কৰাৰ উদ্দেশ্যসমূহ হ'ল —

ক) ড° ভবেন্দ্ৰনাথ শইকীয়াৰ নিৰ্বাচিত দুখন চলচ্চিত্ৰত নাৰী চৰিত্ৰই কেনেধৰণৰ ভূমিকা গ্ৰহণ কৰিছে সেই সম্পৰ্কে আলোকপাত কৰা।

খ) নাৰীয়ে নিজৰ মৰ্যাদা, স্বীকৃতি তথা অস্তিত্ব বজাই ৰাখিবলৈ কৰা সংগ্ৰাম আৰু তাৰ পৰিণতি বিশ্লেষণ কৰা।

গ) নিৰ্বাচিত চলচ্চিত্ৰৰ নাৰী চৰিত্ৰই কিদৰে সমাজত প্ৰভাৱ পেলাব পাৰে তাৰ ইতিবাচক-নেতিবাচক সকলোবোৰ দিশ আলোচনা কৰা।

**অধ্যয়নৰ পৰিসৰ আৰু সীমাবদ্ধতা ঃ**

উক্ত বিষয়টি নিৰ্বাচন কৰোঁতে ড° ভবেন্দ্ৰনাথ শইকীয়া পৰিচালিত অসমীয়া চলচ্চিত্ৰসমূহৰ ভিতৰত কেৱল 'অগ্নিস্নান' আৰু 'আৱৰ্তন' কথাছবি দুখন আলোচনাৰ বাবে নিৰ্বাচন কৰা হৈছে। উক্ত কথাছবি দুখনৰ সকলো চৰিত্ৰৰ মাজৰ পৰা শীৰ্ষ দুটা নাৰী চৰিত্ৰ 'মেনকা' আৰু 'জয়ন্তী' চৰিত্ৰৰ বিশ্লেষণ কৰা হ'ব। অৱশ্যে প্ৰসংগক্ৰমে অন্য চৰিত্ৰসমূহো আলোচনাৰ আওতালৈ অনা হ'ব।

**অধ্যয়নৰ পদ্ধতি ঃ**

গৱেষণা-পত্ৰখনত প্ৰধানতঃ বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতি অৱলম্বন কৰা হৈছে।

**মূল বিষয়ৰ আলোচনা ঃ**

**অগ্নিস্নানৰ শীৰ্ষ নাৰী চৰিত্ৰ 'মেনকা' ঃ**

১৯৮৫ চনত মুক্তিপ্ৰাপ্ত ভবেন্দ্ৰনাথ শইকীয়া পৰিচালিত 'অগ্নিস্নান' হৈছে এখন পৰিয়ালকেন্দ্ৰিক চলচ্চিত্ৰ, য'ত ব্যক্তিগত জীৱনৰ সুখ-দুখ, সংঘৰ্ষ, ক্ষোভ, প্ৰতিশোধ আদি প্ৰতিফলিত হৈছে। তেখেতৰ 'অন্তৰীপ' উপন্যাসৰ আধাৰত এই চলচ্চিত্ৰৰ কাহিনীভাগ নিৰ্মিত। কাহিনীভাগত আছে কুৰি শতিকাৰ ত্ৰিশ-চল্লিশৰ দশকত সমাজৰ প্ৰতিপত্তিশীল পুৰুষৰ দাম্ভিক আৰু অহংকাৰী চেতনা তথা নাৰীৰ আত্মপ্ৰকাশৰ বাট মুকলিৰ স্বৰূপ। মূল নাৰী চৰিত্ৰ মেনকা সীতা-সাৱিত্ৰীৰ আদৰ্শৰে প্ৰতিপালিত, তেওঁ স্বামী মহীকান্তক ঈশ্বৰৰূপে গণ্য কৰে। মহীকান্ত কলঘৰৰ মালিক হোৱাৰ লগতে গাড়ী-ঘোঁৰা, ধন-সম্পত্তিৰে এক আভিজাত্যপূৰ্ণ চৰিত্ৰ। চাৰিটা ল'ৰা-ছোৱালীৰ সৈতে মেনকা-মহীকান্তৰ সুখৰ সংসাৰ। কিন্তু কেনাটো লাগে তেতিয়া, যেতিয়া মেনকাই মহীকান্তৰ দ্বিতীয় বিবাহ সম্পৰ্কীয় পৰিকল্পনাৰ বিষয়ে জানিব পাৰে। ইমান বছৰে মহীকান্তৰ দম্ভ, অহংকাৰ, ককৰ্থনা, মদ খাই নিশা কৰা অত্যাচাৰ সকলো নীৰৱে সহি সন্তানৰ মুখলৈ চাই নিজকে শান্ত কৰি ৰখা মেনকাই অৱশেষত ধৈৰ্যৰ বান্ধ হেৰুৱাই পেলায়। ক্ষোভ, ঈৰ্ষা, দুখ-সন্তাপত মেনকা স্তব্ধ হৈ পৰে। এদিন সঁচাকৈয়ে মেনকাৰ চকুৰ সন্মুখতে মহীকান্তই দ্বিতীয় পত্নী কিৰণক বিয়া পাতি আনে। ধন-ঐশ্বৰ্যৰে বিভূষিত মহীকান্তই পুৰুষ হোৱাৰ বাবেই পৌৰুষত্ব প্ৰমাণ কৰিবলৈ এনে কাৰ্য কৰিব পাৰে, কিন্তু মেনকাৰ অস্তিত্বক সম্পূৰ্ণৰূপে আওকাণ কৰা ঘটনাই

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

তদানীন্তন সমাজৰ নাৰীক ভোগ-বিলাস তথা কামনাৰ সংগী হিচাপে গণ্য কৰা মানসিকতাক উদঙাই দিয়ে। কিন্তু মেনকা আৰু দুৰ্বল হৈ নাথাকে। মেনকাৰ অস্তিত্বক ভৰিৰে মোহাৰি পেলাব বিচৰা সমাজখনত মেনকা নামি পৰে প্ৰতিশোধ পূৰণ তথা অস্তিত্ব ৰক্ষাৰ যুঁজত। অৱশ্যে বহু সমালোচকৰ দৃষ্টিত মেনকাৰ প্ৰতিশোধৰ ধৰণ মেনকাৰ নৈতিক অৱক্ষয়ৰ স্বৰূপ। মহীকান্তৰ এনে কাৰ্যৰ পোতক তুলিবলৈ তাই মদনৰ সৈতে গঢ়ি তোলে এক অনামী সম্পৰ্ক আৰু শেষত মেনকা অন্তঃসত্বা হৈ উঠে। দ্বিতীয় বিবাহৰ পাছত মহীকান্তক শৰীৰটো স্পৰ্শ কৰিবলৈ নিদিয়া মেনকাৰ অন্তঃসত্বা হোৱাৰ বাতৰি পাই মহীকান্ত ক্ৰোধান্বিত হৈ পৰে আৰু শেষলৈ মহীকান্তৰ অসহায়, অস্থিৰ ৰূপটো ওলাই পৰে। মহীকান্তৰ প্ৰতি, তথাকথিত পুৰুষতান্ত্ৰিক সমাজৰ প্ৰতি মেনকাৰ এয়া নীৰৱ শক্তিশেল। কোনো উচ্চ-বাচ্য নকৰাকৈ, কোনো প্ৰতিক্ৰিয়া নেদেখুওৱাকৈ, শান্ত-সৌম্যভাৱে লোৱা প্ৰতিশোধৰ ই এক ব্যতিক্ৰমী ধৰণ।

**মেনকাৰ প্ৰতিবাদী ভাষা ঃ**

অসমীয়া সাহিত্যত সৃষ্ট নাৰী চৰিত্ৰসমূহৰ ভিতৰত হয়তো সৰ্বাধিক চৰ্চিত নাৰী চৰিত্ৰটো হৈছে মেনকা। সাহিত্য বুলি ইয়াত উল্লেখ কৰাৰ কাৰণটো হ'ল মেনকা পোনতে 'অন্তৰীপ' উপন্যাসৰ চৰিত্ৰ। পিছলৈ ই 'অগ্নিস্নান' চলচ্চিত্ৰৰ মাধ্যমেৰে অভিনয়ৰ যোগেদি জীৱন্ত হৈ উঠিছে। 'অগ্নিস্নান' নামটোতে এক প্ৰতীকি ব্যঞ্জনা নিহিত হৈ আছে, অগ্নিৰে স্নান কৰিব পৰা এক দুঃসাহসৰ ব্যঞ্জনা। ভাৰতীয় সমাজ ব্যৱস্থাৰ ধৰ্ম-ৰীতি অনুসৰি সীতাই সতীত্ব প্ৰমাণৰ বাবে অগ্নিপৰীক্ষা দিবলৈ বাধ্য হৈছিল। সেই সীতাৰ প্ৰসংগৰে মেনকাই উল্লেখ কৰিছে —

'আই-বোপায়ে সীতা-সাৱিত্ৰী হ'বলৈ কৈ পঠিয়াইছিল। তেনেকুৱা হ'ব নোৱাৰিলেও মই ধৰ্মত আছিলোঁ। এঘাৰ বছৰে মই বহুত সহ্য কৰি আপুনি ভাল পোৱা কামকে কৰিলোঁ। কিন্তু কথা নাই, বতৰা নাই, দং দংকৈ গাভৰু ছোৱালী এজনী আনি আপুনি মোৰ আগতে, মোৰ চাৰিটাকৈ ল'ৰা-ছোৱালীৰ আগতে তাইৰ লগত শুবলৈ ল'লে। তাৰ পাছতো, মই সীতা-সাৱিত্ৰী হ'ম? আপোনাৰ ভৰিৰ ধূলি শিৰত লৈ ধৰ্ম কৰিম?' (অগ্নিস্নান, পৃ. ১২২)

প্ৰকৃততে, অগ্নিস্নানৰ এটা সংলাপতেই কাহিনীৰ সাৰাংশ স্পষ্ট হৈ আছে। কথাছবিখনৰ শীৰ্ষ চৰিত্ৰ যদিও মেনকাৰ সংলাপসমূহ প্ৰথমাৱস্থাত চুটি চুটি, য'ত মেনকাৰ দুৰ্বল, অসহায় ৰূপৰ প্ৰতিফলন ঘটিছে। কিন্তু পৰিস্থিতিয়ে মেনকাক ক্ৰমাৎ কঠোৰ, পৰিপক্ক আৰু সাহসী কৰি তুলিছে, পৰৱৰ্তী দৃশ্যৰ সংলাপসমূহত তাৰ উমান পোৱা গৈছে। সীতা আৰু ৰামৰ প্ৰসংগত মেনকাই পুনৰ এষাৰি কথা দোহাৰিছে — 'সীতা হ'বলৈ হ'লে ৰামো থাকিব লাগিব, তেহে!' মেনকাৰ এই উক্তি কেৱল নাৰীৰ অধিকাৰৰ ঘোষণা নহয়, ই নাৰী-পুৰুষৰ সম অধিকাৰ-সম মৰ্যাদাৰ আহ্বান।

মহীকান্তৰ ভোগ-বিলাস, সেৱা-সৎকাৰ সকলোতে তৎপৰ হৈ থকা মেনকাই মহীকান্তৰ দ্বিতীয় বিবাহৰ বাতৰি পোৱাৰ পাছত ক্ষুণ্ণ, কিন্তু বাহিৰত ভীষণভাৱে সহজ হৈ দেখুৱায়। সহজভাৱে ঘৰুৱা কাম-বন কৰে, ল'ৰা-ছোৱালীৰ যতন লয়। বিবাহৰ প্ৰসংগত মহীকান্তৰ প্ৰতি নিক্ষেপ কৰা এক ব্যংগাত্মক সংলাপত মেনকাৰ নীৰৱ প্ৰতিবাদ ফুটি উঠে এইদৰে—

মহীকান্ত ঃ তুমি এইবিলাক একোতে হাত নিদিবা নেকি? একোতে হাত নিদিওঁ বুলি ঠিক কৰি লৈছা নেকি?

মেনকা ঃ কিয় নিদিম? দিম। দৰা ধোৱাবলৈ মাহ-হালধি পিছি দিম। ঘট ধৰিম, ঘাটত পানী তুলিবলৈ যাম। (অগ্নিস্নান, পৃ. ৫১)

পৰিস্থিতিক উপহাস কৰাৰ, কোনো প্ৰস্তাৱৰ বিৰোধিতা কৰাৰ ই এক কৌশল। প্ৰকৃততে মেনকাই যে কোনো কামতে হাত নিদিয়ে উক্ত সংলাপত তেনে এক নেতিবাচক অৰ্থই প্ৰকাশিত হৈছে। মহীকান্তৰ বিবাহৰ পাছত মেনকাৰ স্বাভিমান হৈ পৰিছে দুগুণ শক্তিশালী। একেটা ঘৰতে, একেখন চালৰ তলতে থাকি কোনো খং, ৰাগৰ প্ৰতিক্ৰিয়া নেদেখুওৱাকৈ সাধাৰণ জীৱন-যাপন কৰি অথচ মহীকান্তক সম্পূৰ্ণৰূপে আওকাণ কৰি, মহীকান্তৰ অস্তিত্বক মোহাৰি পেলাব বিচৰা মেনকাৰ এই আচৰণ প্ৰৱল প্ৰতিবাদী। দুগৰাকী পত্নীৰ প্ৰাপ্তিৰে উদ্ভাসিত হোৱা মহীকান্তই প্ৰথমা পত্নী মেনকাৰ ওচৰলৈ নিশাটো পাৰ কৰিবলৈ যোৱা কাৰ্যত ক্ষোভিত হৈ মেনকাই আস্ফালন কৰিছে এইদৰে —

মেনকা ঃ এনেকৈ এইটো কোঠালিলৈ নাহিব। আহিবৰ মন গ'লে কিৰণক লগত লৈ আহিব। তাই মাতিলে মই দুৱাৰ খুলি দিম। (অগ্নিস্নান, পৃ. ৬৫)

মেনকা যে মহীকান্তৰ কেৱল শোৱাকোঠাৰ সংগী নহয়, সেই বিষয়ত মেনকাৰ স্থিতি স্পষ্ট। মেনকাই মহীকান্তৰ


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

পৰা নিজকে নিলগাই ৰাখি যে দুখী আৰু অসহায় জীৱন কটাইছে, তেনে নহয়। কিয়নো নিজাকৈ ঘোঁৰাবাগী বিচৰা, কলঘৰ চোৰা-চিতা কৰাৰ সংকল্প লোৱা আদিত মেনকাৰ কৰ্তৃত্ব ফুটি উঠিছে। মহীকান্তৰ কলঘৰ আৰু ঘোঁৰাবাগী — এই দুটি উপাদান হৈছে তেওঁৰ দম্ভৰ প্ৰতীক। মেনকাই সেই ঘোঁৰাবাগীত উঠিবলৈ অস্বীকাৰ কৰাটোৱে মেনকাৰ প্ৰতিবাদী মনৰ প্ৰকাশ কৰিছে। অৱশ্যে, আৱেগ আৰু হতাশাৰ বশৱৰ্তী হৈ মদনৰ ওচৰত মেনকা হৈ পৰিছে দুৰ্বল। মহীকান্তৰ কাৰ্যৰ প্ৰতিশোধ ল'বলৈ তাই মদনক নিজৰ মনৰ মানুহ হ'বলৈ আহ্বান জনাইছে। সেই ঘটনা সংঘটিত হৈছে অতি সংগোপনে। মহীকান্তৰ লক্ষ্য স্পষ্ট, মেনকাৰ লক্ষ্য গোপন। দুয়োৰে লক্ষ্যৰ ভুল শুদ্ধতাৰ বিচাৰ অন্য এক বিষয়। কিন্তু দুই বৈপৰীত্যই সৃষ্টি কৰিছে কাহিনীৰ গতি, সংঘাত আৰু নাটকীয় 'আইৰণি'।

**আৱৰ্তনৰ শীৰ্ষ নাৰী চৰিত্ৰ 'জয়ন্তী' ঃ**

অগ্নিস্নানৰ মেনকাৰ সমান্তৰালকৈ ভবেন্দ্ৰনাথ শইকীয়াৰ চলচ্চিত্ৰত অন্য এক নাৰীৰ অদমনীয় ৰূপৰ প্ৰতিচ্ছবি দেখা যায়, সেয়া হৈছে 'আৱৰ্তন' কথাছবিৰ 'জয়ন্তী' চৰিত্ৰ। পাৰ্থক্য ইয়াতেই যে— জয়ন্তী স্পষ্টবাদী, সাহসী, জয়ন্তীয়ে কোনো গোপনীয়তা অৱলম্বন কৰা নাই, জয়ন্তীয়ে কেতিয়াও মিথ্যাৰ আশ্ৰয় লোৱা নাই। চলচ্চিত্ৰখনত জয়ন্তী হৈছে ভ্ৰাম্যমান থিয়েটাৰৰ জনপ্ৰিয়, সুন্দৰী অভিনেত্ৰী। সমগ্ৰ চলচ্চিত্ৰখন জয়ন্তীকেন্দ্ৰিক। জয়ন্তীক কেন্দ্ৰ কৰি ঘূৰিছে তেওঁৰ পৰিয়াল, থিয়েটাৰতে থকা তেওঁৰ এগৰাকী প্ৰেমিক, প্ৰযোজক তথা হঠাৎ আবিৰ্ভাৱ হোৱা অইন এগৰাকী প্ৰেমিক। এই ঘূৰ্ণকবোৰ গতি আৰু ভ্ৰমণৰ বহুমাত্ৰিক কাহিনীয়েই আৱৰ্তন।

থিয়েটাৰখনৰ বাবে জয়ন্তী অতি প্ৰয়োজনীয়, জয়ন্তীৰ নিজৰ বাবে তথা পৰিয়ালটোক পোহপাল দিবৰ বাবে থিয়েটাৰখনত অভিনয় কৰি থকাটো জয়ন্তীৰ বাবে প্ৰয়োজনীয়। যেন ইটো আনটোৰ পৰিপূৰক। অভিনয়, সংলাপ আদি জয়ন্তীৰ সহচৰ। জয়ন্তীৰ বাস্তৱ জীৱনতো নাটকীয় সংলাপৰ প্ৰভাৱ স্পষ্ট। ঘটনাক্ৰমে জয়ন্তীয়ে এদিন এটা বাছযাত্ৰাত পৰিমল নামৰ এগৰাকী ব্যক্তিক লগ পায়। দুগৰাকী অচিনাকী ব্যক্তিৰ মাজত প্ৰথম পৰিচয়ত যি ধৰণৰ কথোপকথনৰ সাধাৰণতে আদান প্ৰদান হয়, তেনেদৰেই তেওঁলোকৰ পৰিচয়ৰ আৰম্ভণি। পৰিমলে তাতেই আভাস পায় জয়ন্তীৰ সুকীয়া কথন শৈলী। উদাহৰণস্বৰূপে -

(১) জয়ন্তী ঃ বেনাৰৰ ছবিবোৰত মোৰ নিজকে চিনি পাবলৈ টান লাগে। চিনি পোৱাৰ পাছতো সেইজনী মই নহওঁ বুলি ভাবিয়েই ভাল লাগে।

(২) জয়ন্তী ঃ আচলতে আজিকালি মই নিজৰ পৰা একো নক'লেও হয়। যিকোনো কথাৰ উত্তৰ কাৰোবাৰ নহয় কাৰোবাৰ ডায়লগৰ টুকুৰাৰেই দি দিব পাৰোঁ। আচলতে মই কথা নকওঁৱেই। ডায়লগ মাতো। লোকৰ ডায়লগ। সঁচাকৈ। আপুনি যিহকে সোধে — পলিটিকছ, দুৰ্ভিক্ষ, প্ৰেম, বিপ্লৱ, কলা সংস্কৃতি — আটাইবোৰৰ বিষয়ে উত্তৰ দিবলৈ এটা নহয় এটা ডায়লগ মোৰ মুখস্থ আছেই।

জয়ন্তীৰ বাহ্যিক সৌন্দৰ্যতকৈও আভ্যন্তৰীণ সৌন্দৰ্যই পৰিমলক আকৃষ্ট কৰে। বাছত সাক্ষাৎ হোৱাৰ পাছতো আখৰাথলীত পৰিমলে জয়ন্তীক পুনৰ লগ ধৰিবলৈ যায়। আখৰাথলীত ইতিমধ্যেই উপস্থিত থাকে জয়ন্তীৰ প্ৰেমত মত্ত এগৰাকী একপক্ষীয় প্ৰেমিক, যাৰ নাম নীহাৰ। যিজনে জয়ন্তীৰ নানা কটাক্ষকো উপেক্ষা কৰি জয়ন্তীৰ আৰাধনা কৰে। জয়ন্তীৰ কথাৰ পৰা উমান পোৱা যায় যে নীহাৰ বিবাহিত আৰু এটি সন্তানৰ পিতৃ। ইমানৰ পাছতো নীহাৰে জয়ন্তীক লৈ সপোন দেখে। তাইৰ সৈতে সুন্দৰ কোনো ঠাইলৈ যোৱাৰ পৰিকল্পনা কৰে। পৰিমল অহাৰ পৰাই আৰম্ভ হয় সংঘাতৰ। কাৰণ জয়ন্তীয়ে থিয়েটাৰৰ নীহাৰকো সজোৰে প্ৰত্যাখ্যান কৰা নাই, পৰিমলৰ প্ৰতিও গভীৰভাৱে আকৰ্ষিত হোৱা নাই। জয়ন্তীৰ এটা কলুষিত অতীত আছে, যাৰ বিষয়ে জয়ন্তীয়ে বৰ্ণনা কৰা নাই কিন্তু লাজ লগা অতীতৰ বিষয়টো বাৰে বাৰে পৰিমলৰ সমুখত উত্থাপন কৰিছে। জয়ন্তীয়ে কেতিয়াও নিজকে লুকুৱাব বিচৰা নাই। এসময়ত জয়ন্তী কিমান 'লেতেৰা' আছিল সেই বিষয়েও তাই স্পষ্ট কৰি দিছে। স্পষ্টবাদীতাই জয়ন্তীৰ প্ৰধান বিশেষত্ব। সমান্তৰালভাৱে তাই নিজৰ প্ৰতিভা, গুণ-গৰিমা, মৰ্যাদা সম্পৰ্কে সচেতন তথা আত্মবিশ্বাসী। নিজে স্বাৱলম্বী হোৱাৰ মনোবল আৰু প্ৰয়োজনীয়তা তাইৰ দুয়োটায়ে আছে। সেয়েহে তাই স্বীকাৰ কৰিছে যে — 'মই যদি স্কুল-কলেজত আবৃত্তি, নাটক, নৃত্য-নাটিকা আদি নকৰিলোহেঁতেন তেনেহ'লে বিপদেই আছিল।' এনেবোৰ প্ৰতিভাই জয়ন্তীক স্বাৱলম্বনৰ পথ মুকলি কৰিছে। কাৰণ তাইৰ পৰিয়ালটোৰ বাবেও তাই একমাত্ৰ আৰ্থিক সম্বল। এসময়ত 'থিয়েটাৰ নায়িকা হ'ব যদি ঘৰৰ পৰা ওলাই যা' বুলি কোৱা পৰিয়ালৰ লোকে জয়ন্তীয়ে

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

বিবাহলৈ মন মেলা দেখি 'ঘৰখন কেনেকৈ চলিব' বুলি আক্ষেপ কৰিছে। পৰিয়ালৰ লোকৰ এনে আচৰণে স্বাৰ্থলোভী মানুহৰ স্বৰূপ উদঙাই দিছে। সকলো ফালৰ পৰা চেপা-খুন্দা খোৱা জয়ন্তীয়ে এছোৱা অস্থিৰ সময় অতিক্ৰমী শেষ সিদ্ধান্তত উপনীত হৈছে। স্বাৰ্থলোভী নিজৰ পৰিয়ালৰ সৈতে সম্পৰ্ক ছেদ কৰি, নীহাৰৰ সৈতে সম্পৰ্ক শেষ কৰি, থিয়েটাৰৰ চুক্তি নাকচ কৰি শেষত পৰিমলৰ সৈতে জীৱন কটোৱাৰ সংকল্প লৈ আৰম্ভ কৰিছে এক নতুন যাত্ৰা। এটা বাছ যাত্ৰাৰে আৰম্ভ হোৱা কথাছবিখনৰ সামৰণি পৰিছে অন্য এক বাছ যাত্ৰাৰে; এই যাত্ৰা যেন এটা কক্ষপথৰ সামৰণি আৰু এটা নতুন পথৰ আৰম্ভণি। প্ৰতীকি অৰ্থত এই বাছ যাত্ৰাই কথাছবিখনক পূৰ্ণতা প্ৰদান কৰিছে।

**নিৰ্বাচিত কথাছবিৰ সামৰণিত দুই শীৰ্ষ নাৰী চৰিত্ৰৰ উত্তৰণ ঃ**

'আৱৰ্তন'ৰ কাহিনীটো মূলতঃ এগৰাকী যুৱতীৰ উত্তৰণৰ কাহিনী। ইয়াত চিত্ৰনাট্যকাৰে চৰিত্ৰটোক কোনো আদৰ্শ চৰিত্ৰ হিচাপে প্ৰতিষ্ঠা কৰিবলৈ বিচৰা নাই, কিন্তু তেওঁৰ স্পষ্টবাদিতা আৰু লাহে লাহে আহৰণ কৰা দৃঢ়তাই চৰিত্ৰটোক এটা ধনাত্মক দিশলৈ উন্নীত কৰিছে। ভাল-বেয়াৰ মাজেৰে জীৱনটো আগবঢ়াই নিয়া জয়ন্তীয়ে নিজে সিদ্ধান্ত এটা লৈ আগবাঢ়ি যাবলৈ ওলোৱাত তাইৰ আশে-পাশে থকা নিকটাত্মীয়ই নিজ নিজ স্বাৰ্থৰ পৰিচয় দি তাইক বাধা দিবলৈ ওলাল। জয়ন্তীয়ে ক্ৰমান্বয়ে সকলোৰে স্বৰূপ বুজি উঠিলে। নীহাৰক প্ৰত্যাখ্যান কৰা আৰু পৰিমলক আকোঁৱালি লোৱা, সেই মাজৰ সময়খিনি জয়ন্তীৰ বাবে এক জটিল সময় আছিল। সেই সময়তে চৰিত্ৰটো পৰিপক্ক আৰু বিকশিত হৈছে। যদিও জয়ন্তীয়ে জানিছিল যে নীহাৰ বিবাহিত আৰু নীহাৰৰ সৈতে জয়ন্তীৰ কোনো ভৱিষ্যৎ নাই, তথাপি নীহাৰ আছিল জয়ন্তীৰ অপূৰ্ণ আৰু একঘেয়ামী জীৱনৰ এক সাময়িক সকাহৰ ইন্ধন। কিন্তু নীহাৰৰ স্বাৰ্থপৰতা আৰু পৰিমলৰ দৃঢ়তাৰ বৈপৰীত্যই জয়ন্তীক পৰিমলৰ সৈতে জীৱন কটোৱাৰ সিদ্ধান্তত উপনীত হোৱাত সহায় কৰিলে। জয়ন্তীয়ে বুজি উঠিলে যে তাইক কেন্দ্ৰ কৰি প্ৰত্যেকেই আৱেগিক আৰু আৰ্থিক নিৰাপত্তাৰ কথা চিন্তা কৰি আছে। বিশেষকৈ নিজৰ পিতৃ, মাতৃ, ভাতৃ, ভগ্নীয়ে যেতিয়া কেৱল তাইৰ উপাৰ্জনৰ ওপৰত নিৰ্ভৰ কৰিয়েই আজীৱন কটাই দিয়াৰ মনোভাৱ প্ৰকাশ কৰে তেতিয়া আচৰিত হৈ পৰে আৰু মনত আঘাত পায়। সেই আঘাতে জয়ন্তীক অধিক কঠোৰ কৰি তোলে। শেষত জয়ন্তীয়ে অগ্ৰাধিকাৰ দিয়ে নিজৰ ইচ্ছা, নিৰাপত্তা তথা আৱেগক। লেটাৰ মাজৰ পৰা ওলাই অহা পলুৰ দৰে জয়ন্তীয়ে মুক্ত আৰু স্বাধীনভাৱে নিজৰ সিদ্ধান্তৰ জৰিয়তে জীৱনলৈ পৰিৱৰ্তন নমাই আনে।

তেনেদৰে অগ্নিস্নানৰ মেনকাৰ চৰিত্ৰটোতো দেখা যায় এঢাপ এঢাপকৈ মেনকা দৃঢ় আৰু শক্তিশালী হৈ উঠিছে। পিঞ্জৰাত আবদ্ধ হৈ থাকিও সঠিক সময়ত সঠিক আঘাত হানিব পাৰিছে যাৰ ফলত মহীকান্তৰ দৰ্প-অহংকাৰ চুৰ্ণ-বিচুৰ্ণ হৈছে, তেওঁ মানসিকভাৱে ক্ষত-বিক্ষত হৈ পৰাজয় বৰণ কৰিবলৈ বাধ্য হৈছে। মেনকাৰ দৃঢ়তাৰ উত্তৰণ প্ৰকাশ পাইছে দৃশ্যসমূহৰ জৰিয়তে। প্ৰথম দৃশ্যত চিত্ৰিত হৈছে শোৱনি কোঠা আৰু ৰান্ধনিঘৰত কৰ্মৰত মেনকা য'ত মেনকাৰ ওপৰত আৰোপিত মহীকান্তৰ ইচ্ছা-অনিচ্ছাই প্ৰাধান্য পাইছে। চিত্ৰনাট্যৰ সামৰণি ঘটিছে কলঘৰত, যিটো কলঘৰ মহীকান্তৰ শক্তিৰ প্ৰতীক। মেনকাই কলঘৰ চলাবলৈ লোৱা সিদ্ধান্ত আৰু মেচিন চলাবলৈ দিয়া নিৰ্দেশ এই দুয়োটা দিশতে মেনকাৰ কৰ্তৃত্ব ফুটি উঠিছে। চাৰিটা সন্তানৰ মাতৃ মেনকাৰ চকুৰ সমুখেৰে নিজৰ সা-সম্পত্তিৰ দম্ভ দেখুৱাই কিৰণক বিবাহ কৰাই অনা মহীকান্তক মেনকাই প্ৰমাণ কৰি দেখুৱাইছে যে তাই কেতিয়াও দুৰ্বল নাছিল আৰু কাহানিও দুৰ্বল নহয়। মহীকান্ত-মেনকাৰ সংঘাত আৰু মেনকাৰ পদক্ষেপত প্ৰতিধ্বনিত হৈছে পৰিৱৰ্তনৰ, প্ৰতিবাদৰ, সম-অধিকাৰ তথা সম-মৰ্যাদাৰ সুৰ। 'অগ্নিস্নান' আৰু 'আৱৰ্তন' দুয়োখন কথাছবিতে শীৰ্ষ নাৰী চৰিত্ৰৰ অদমনীয় সাহস এইদৰে অতি শক্তিশালী সংলাপেৰে প্ৰস্ফুতিত হৈছে।

**উপসংহাৰ ঃ**

অসমীয়া সাহিত্যৰ অন্যতম কাণ্ডাৰী ড° ভবেন্দ্ৰনাথ শইকীয়াৰ সুবিশাল সাহিত্যৰাজিৰ সকলোবোৰ মুখ্য, পাৰ্শ্ব চৰিত্ৰ স্বকীয় আবেদনেৰে সমুজ্জল। বিশেষকৈ নাৰী চৰিত্ৰসমূহৰ মাধ্যমেৰে মানৱীয় অনুভূতি, মনস্তাত্বিক গভীৰতা, সংস্কাৰমুখী মনৰ চানেকি প্ৰতিভাত হৈছে। চলচ্চিত্ৰৰ প্ৰসংগত ক'ব পাৰি যে তেওঁৰ আটাইকেইখন চলচ্চিত্ৰতে নাৰী চৰিত্ৰই মুখ্য চৰিত্ৰ হিচাপে প্ৰাধান্য পাইছে। নাৰীৰ যুক্তি, অধিকাৰ, সম মৰ্যাদা আদিৰ প্ৰসংগত তেওঁৰ সচেতন মনৰ আভাস দেখা যায়। লগতে নাৰীমনৰ নিসংগতা, যন্ত্ৰণাবোধ আৰু কাৰুণ্যৰ ছবি মৰ্মস্পৰ্শী ৰূপত প্ৰতিফলিত হৈছে। মুখ্য চৰিত্ৰসমূহক সম্পূৰ্ণ কৰি তুলিছে পাৰ্শ্ব চৰিত্ৰসমূহে। পাৰ্শ্ব চৰিত্ৰসমূহৰ

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

ভূমিকাও মন কৰিবলগীয়া। নাৰী চৰিত্ৰৰ গঠন আৰু বিকাশত দৃষ্টিগোচৰ হোৱা বিষয়টো হৈছে নাৰীৰ অসহায়, নিসংগ, যন্ত্ৰণাকাতৰ জীৱনৰ সমান্তৰালকৈ শেষত একেগৰাকী নাৰীৰ মনত আত্মবিশ্বাসী, শক্তিশালী চেতনা জাগ্ৰত হৈছে, অৰ্থাৎ নাৰী চৰিত্ৰ ধাৱমান হৈছে উত্তৰণৰ দিশে। প্ৰায়সংখ্যক নাৰী চৰিত্ৰই শেষত নিজস্বভাৱে একোটা সিদ্ধান্তত উপনীত হোৱাৰ ছবি দেখা যায়। সন্ধ্যাৰাগৰ 'চাৰু', কোলাহলৰ 'কিৰণ', আৱৰ্তনৰ 'জয়ন্তী' অথবা অগ্নিস্নানৰ 'মেনকা'ৰ কথা এইখিনিতে উল্লেখ কৰিব পাৰি। এনে উদাহৰণ তেওঁৰ গল্পসমূহতো দৃশ্যমান। মুঠতে তেখেতৰ সাহিত্যৰাজি অথবা চলচ্চিত্ৰৰ ৰসাস্বাদন কৰিলে পাঠক/দৰ্শকৰ চৰিত্ৰৰ প্ৰতি সহানুভূতি, সহমৰ্মিতা জাগ্ৰত হোৱাৰ লগতে অনুভৱ কৰে এক গভীৰ সন্তুষ্টি।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

**মুখ্য উৎস ঃ**

১. দত্ত, উৎপল (সম্পা.), (২০০৯). আৱৰ্তন, গুৱাহাটী, ষ্টুডেণ্টচ্ ষ্ট'ৰচ্।

২. দত্ত, উৎপল (সম্পা.),(২০১৮). অগ্নিস্নান, গুৱাহাটী, ষ্টুডেণ্টচ্ ষ্ট'ৰচ্,

**গৌণ উৎস ঃ**

১. দত্ত, উৎপল (২০১৯). চলচ্চিত্ৰৰ ৰসাস্বাদন, গুৱাহাটী, পূৰ্বায়ন প্ৰকাশন।

২. দত্ত বৰুৱা, ফণীন্দ্ৰ নাৰায়ণ (২০১৭). প্ৰয়োগ ভাষা বিজ্ঞানৰ ৰূপৰেখা, গুৱাহাটী, বিশাল প্ৰকাশন।

৩. দাস, অৰুণলোচন (২০১৭). ১০০ অসমীয়া চলচ্চিত্ৰৰ কাহিনী আৰু গীত, গুৱাহাটী, শিশু শশী প্ৰকাশন।

৪. বড়া, প্ৰদীপ(২০২২). সাহিত্যৰ চলচ্চিত্ৰকৰণ আৰু অসমীয়া চলচ্চিত্ৰ,গুৱাহাটী, বৰ্ণ প্ৰকাশ।

৫. মেনা, উৎপল(২০১৭). অসমীয়া চিনেমা.গুৱাহাটী,জাগৰণ প্ৰকাশন।

৬. শইকীয়া ভবেন্দ্ৰনাথ (২০২২). জীৱন-বৃত্ত,গুৱাহাটী,অসম বুক হাইভ।

৭. শৰ্মা,অপূৰ্ব (২০২২). অসমীয়া চলচ্চিত্ৰৰ ছাঁ-পোহৰ,গুৱাহাটী,আঁক-বাক।

❖ ❖ ❖

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

# অসম আন্দোলন আৰু অসমৰ সাংস্কৃতিক জাগৰণ

✍ ড° পংকজ শইকীয়া
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
জেংৰাইমুখ মহাবিদ্যালয়

**সংক্ষিপ্ত-সাৰ ঃ**

(১৯৭৯-১৯৮৫ চনলৈ প্ৰায় ছবছৰ ধৰি চলা অসম আন্দোলনে অসমৰ সমাজ, ৰাজনীতি, অৰ্থনীতি, শিক্ষা, সমাজ-মানসিকতাৰ লগতে অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনক ব্যাপকভাৱে প্ৰভাৱিত কৰিছিল। অসমীয়া জাতীয়তাবাদৰ প্ৰতিনিধিসকলে এই আন্দোলনক 'অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ শেষ সংগ্ৰাম' হিচাপে অভিহিত কৰি ইয়াৰ সমান্তৰালভাৱে 'সাংস্কৃতিক ৰণ' এখন আগবঢ়াই নিবলৈ সচেষ্ট হৈছিল। ফলত এহাতে অসমৰ সাংস্কৃতিক ঐতিহ্য আৰু প্ৰতীকসমূহৰ পুনৰ্মূল্যায়নে অসমৰ সাংস্কৃতিক জীৱনধাৰা তথা জাতীয়তাবাদী ধাৰাত নতুনত্বৰ সংযোগ ঘটাইছিল; আনহাতে জনজাতীয় গোষ্ঠীবোৰে স্বকীয় সাংস্কৃতিক ঐতিহ্য আৰু উপাদানবোৰৰ স্বীকৃতি, চৰ্চা আৰু প্ৰতিষ্ঠাৰ বাবে প্ৰদৰ্শন কৰা ক্ৰিয়াশীলতা 'বৃহত্তৰ অসমীয়া জাতি আৰু সংস্কৃতি'ৰ বাবে প্ৰত্যাহ্বানস্বৰূপ হৈ উঠিছিল। অসম আন্দোলনৰ প্ৰেক্ষাপটত বিহু, সাজপাৰৰ দৰে সাংস্কৃতিক উপাদানসমূহ জাতীয় পৰিচয়, চেতনা, আকাংক্ষাৰ চানেকিস্বৰূপ হৈ পৰিছিল। আন্দোলনটোৰ সময়তে স্বাৱলম্বিতাৰ আদৰ্শ অনুকৰণ কৰি বহিৰাগতৰ আগ্ৰাসন ৰোধ কৰাৰ সচেতনতা গঢ় লৈ উঠিছিল। বিভাজনমুখী প্ৰৱণতা ৰোধৰ উদ্দেশ্যে অসমৰ বিভিন্ন খিলঞ্জীয়া জনগোষ্ঠীৰ মাজত এক সংহতি আৰু সমন্বয় স্থাপনৰ প্ৰয়াসো পৰিদৃষ্ট হৈছিল। এইদৰে অসম আন্দোলনৰ সময়ত এক সাংস্কৃতিক জাগৰণৰ প্ৰেক্ষাপট তৈয়াৰ হৈছিল। এই গৱেষণা-পত্ৰত অসম আন্দোলনৰ প্ৰেক্ষাপটত সাংস্কৃতিক চেতনাৰ জাগৰণ সম্পৰ্কে বিশ্লেষণ কৰাৰ লগতে ইয়াৰ অন্তৰালত নিহিত থকা আৱেগ আৰু পৰিণাম সম্পৰ্কেও বিচাৰ আগবঢ়োৱা হৈছে।)

**বীজশব্দ ঃ** অসম আন্দোলন, সাংস্কৃতিক জাগৰণ, সংস্কৃতি, বিহু, কৰ্ম-সংস্কৃতি

## ০.০ প্ৰস্তাৱনা ঃ

১৯৭৯-১৯৮৫ চনলৈ চলা প্ৰায় ছবছৰীয়া অসম আন্দোলনৰ প্ৰভাৱত অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনলৈ একধৰণৰ জাগৰণ আহিছিল। অসম আন্দোলন প্ৰধানতঃ ৰাজনৈতিক আন্দোলন হ'লেও এই আন্দোলনে বিদেশী বহিষ্কৰণৰ জৰিয়তে অসমীয়াৰ স্বকীয় ৰাজনৈতিক, আৰ্থ-সামাজিক আৰু সাংস্কৃতিক অস্তিত্ব সুৰক্ষিত কৰাৰ আকাংক্ষা বহন কৰিছিল। সেয়েহে আন্দোলনটোক 'অসমীয়াৰ আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰাম' আখ্যা দিয়া হৈছিল। 'অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ শেষ সংগ্ৰাম' হিচাপে গণ্য কৰা এই আন্দোলনৰ সমান্তৰালভাৱে অসমীয়া জাতীয়তাবাদৰ প্ৰতিনিধিসকলে 'সাংস্কৃতিক ৰণ'খন আগবঢ়াই নিয়াৰ কথা ভাবিছিল।

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

অসমীয়াৰ স্বকীয়ত্ব প্ৰতিষ্ঠাৰ বাবে তথাকথিত 'মূলসুঁতিৰ অসমীয়াসকল' আন্দোলনৰ প্ৰেক্ষাপটত অতি সচেতন হৈ পৰিছিল। ইয়াৰ বিপৰীতে জনজাতীয় গোষ্ঠীবোৰে নিজৰ নিজৰ সাংস্কৃতিক ঐতিহ্য আৰু উপাদানবোৰৰ স্বীকৃতি আৰু চৰ্চাৰ বাবে সচেষ্ট হৈ উঠিছিল।

**১.০ ঐতিহ্য আৰু সংস্কৃতিৰ প্ৰতীকসমূহৰ নৱ-মূল্যায়ন ঃ**

ভাৰতৰ স্বাধীনতা আন্দোলনৰ পটভূমিত জাতীয়তাবোধৰ মনোভাৱ জাগ্ৰত কৰিবলৈ অসমীয়া লেখক-সাহিত্যিকে অসমৰ ইতিহাসৰ বীৰ-বীৰাংগনাসকলৰ অতীতৰ শৌৰ্য-বীৰ্যৰ কাহিনী, মাতৃভূমিৰ গুণানুকীৰ্তন আৰু গৌৰৱ-গাঁথা সাহিত্যৰ মাধ্যমেৰে দাঙি ধৰিছিল। একেদৰে অসম আন্দোলনৰ সময়তো সংবাদ-পত্ৰ-আলোচনীৰ যোগেদি এনে বীৰ-বীৰাংগনা, শিল্পীসকলক প্ৰক্ষেপ কৰা হৈছিল।

অসম আন্দোলনৰ নেতৃত্বৰ আহ্বানক্ৰমে জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ স্মৃতিত ক্ৰমে শিল্পী দিৱস আৰু বিষ্ণু ৰাভা দিৱস সমগ্ৰ অসমতে পালন কৰা হৈছিল। জাতীয়তাবাদী শিবিৰে অসমীয়া সমাজ-সংস্কৃতিৰ ঐতিহ্য হিচাপে পৰিগণিত হোৱা এই শিল্পী দুগৰাকীক অসমীয়া সংস্কৃতি, সভ্যতা আৰু জাতীয়তাৰ প্ৰতীকৰ ৰূপত উপস্থাপন কৰিছিল। দৈনিক অসমত লিখিছিল— "সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত আজি সমগ্ৰ অসমতে বিভিন্ন কাৰ্যসূচীৰে শিল্পী দিৱস উদ্‌যাপন কৰা হয়। সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি শ্ৰীপ্ৰফুল্ল মহন্তই আজিৰ এই পৱিত্ৰ দিনটোত অসমীয়া কৃষ্টি সংস্কৃতি, সভ্যতা আৰু মুক্তিকামী জনতাৰ আকাংক্ষাক জীৱন্ত ভাষা দিবলৈ অসমৰ শিল্পী-সাহিত্যিক-সাংবাদিক আৰু বুদ্ধিজীৱি সকলক আহ্বান জনাইছে।"[১] শিল্পী দিৱসক প্ৰতিবাদ সাব্যস্তকৰণৰ মাধ্যম হিচাপেও জাতীয়তাবাদী পক্ষই ব্যৱহাৰ কৰিছিল। ১৯৮০ চনৰ ১৭ জানুৱাৰীত 'অসম শিল্পী দিৱস সমিতি'য়ে অনুষ্ঠিত কৰা সভাত আৰম্ভণিতে ইতিমধ্যে শ্বহীদ হিচাপে ঘোষিত খৰ্গেশ্বৰ তালুকদাৰ আৰু দিলীপ হুজুৰিৰ স্মৃতিত মৌন শ্ৰদ্ধা নিবেদন কৰাৰ লগতে উত্তৰ কামৰূপত সামৰিক বাহিনীয়ে চলোৱা অত্যাচাৰৰ প্ৰতিবাদ কৰি প্ৰস্তাৱ গ্ৰহণ কৰিছিল।[২]এই সভাত 'জাতীয়তাবোধ আৰু সংহতিৰ ক্ষেত্ৰত জ্যোতিপ্ৰসাদৰ অৱদান' শীৰ্ষক বিষয় সম্পৰ্কে হোৱা আলোচনাচক্ৰত ভূপেন হাজৰিকা, চন্দ্ৰপ্ৰসাদ শইকীয়া, জীৱেশ্বৰ গোস্বামী, নিৰ্মলপ্ৰভা বৰদলৈ আৰু কনকসেন ডেকাৰ দৰে বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিছিল। জাতীয়তাবাদী নেতৃত্বই জ্যোতিপ্ৰসাদৰ সাংস্কৃতিক চিন্তা আৰু জাতীয় চেতনাৰ আধাৰত 'নতুন অসম' গঢ়িবলৈ আকাংক্ষা কৰিছিল। জাতীয়তাবাদী কাকতে জ্যোতিপ্ৰসাদৰ কবিতাৰ পংক্তি প্ৰকাশ কৰি অসমৰ নতুন প্ৰজন্মৰ মন সংগ্ৰামী কৰিবলৈ চেষ্টা কৰিছিল। তেনেধৰণৰ উদাহৰণ হ'ল— "আয়ে দিয়া বিহু-গামোচাৰে/গুলী খোৱা তেজ মছি,/ৰণদেৱতাৰ ৰঙা থাপনাৰ জ্বলাওঁ/শলিতাগছি/পুনৰ সপ্তম—সাজু হৈছো/দিৱলে জীৱন দান" অথবা "মোৰ তেজৰ এটি টোপেই/আই তোক/কৰিব সোণালী/ মোৰ অগ্নিৰে ধেমালি।"[৩]

জ্যোতিপ্ৰসাদ আৰু বিষ্ণু ৰাভাৰ উপৰি অসমীয়া জাতীয়তাৰ সমৃদ্ধিত অৰিহণা যোগোৱা বাগ্মীবৰ নীলমণি ফুকন আৰু অম্বিকাগিৰী ৰায়চৌধুৰী অসম আন্দোলনৰ সময়ত বিশেষভাৱে চৰ্চিত হৈছিল। এওঁলোকৰ চিন্তা আৰু কৰ্মক জাতীয়তাবাদী দল-সংগঠন-ব্যক্তিয়ে বিশেষ স্বীকৃতি প্ৰদান কৰিছিল। সেই অনুসৰি অসম সাহিত্য সভাৰ আহ্বানক্ৰমে নীলমণি ফুকনৰ জন্ম শতবৰ্ষ পূৰ্তিৰ উপলক্ষে ১৯৮০ চনৰ ২২ জুন তাৰিখটো 'জাতীয় স্বাৰ্থৰক্ষা দিৱস' হিচাপে পালন কৰিবলৈ সিদ্ধান্ত লোৱা হয়।[৪]

লাচিত বৰফুকন, মূলা গাভৰু, মণিৰাম দেৱান, পিয়লি ফুকন— এইসকলে নিজৰ বীৰত্বব্যঞ্জক আৰু স্বদেশপ্ৰীতিজ্ঞাপক কৰ্মৰ জৰিয়তে অসমৰ অতীত ইতিহাসত বীৰ-বীৰাংগনাৰ মৰ্যাদা লাভ কৰিছিল। এওঁলোকৰ কীৰ্তি আৰু কাৰ্যকলাপৰ সোঁৱৰণৰ যোগেদি অসমীয়া জাতীয় জীৱন সদায় অনুপ্ৰাণিত হৈ আহিছে। সেয়েহে অসম আন্দোলনৰ প্ৰেক্ষাপটত এই চৰিত্ৰবোৰ অসমীয়া জাতীয় ঐতিহ্য, সংস্কৃতি আৰু স্বাভিমানৰ প্ৰতীকৰ ৰূপত প্ৰক্ষেপিত হৈছিল। ২৪ নৱেম্বৰৰ দিনটো 'লাচিত দিৱস' হিচাপে পালন কৰাত জাতীয়তাবাদী ছাত্ৰ সংগঠন অ জা যু ছা প-ই বিশেষভাৱে আগভাগ লৈছিল। এই দিনটোত লাচিতৰ প্ৰতিমূৰ্তিৰ আগত হেংদাং অৰ্পণ, অসমৰ জাতীয় স্বাৰ্থৰ বিপক্ষে কাৰ্যকলাপ চলোৱা 'ঘৰ বিভীষণ আৰু কাপুৰুষ মোমাইহঁত'ৰ বিৰুদ্ধে জেহাদ ঘোষণা, দেশপ্ৰেমমূলক কবিতা আবৃত্তি, দেশমাতৃৰ অস্তিত্ব ৰক্ষাৰ্থে সংকল্প গ্ৰহণ— এনেধৰণৰ কাৰ্যসূচী ৰূপায়ণ কৰা হৈছিল।[৫] অসমীয়াৰ অস্তিত্বৰ হকে যুঁজিবলৈ নাৰীসকলক অন্তৰ্ভুক্ত কৰি মূলা গাভৰুৰ নামত 'মূলা গাভৰু সন্থা'[৬] আৰু যুৱকসকলক অন্তৰ্ভুক্ত কৰি লাচিতৰ নামত 'লাচিত সেনা'[৭]

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

গঠন কৰাৰ সংবাদ আন্দোলনটোৰ সমকালীন সংবাদ-পত্ৰই দাঙি ধৰে। আনহাতে মণিৰাম দেৱান আৰু পিয়লি ফুকনৰ নাম লোৱাৰ নৈতিক অধিকাৰ চৰকাৰী পক্ষৰ নাই বুলি আছুৱে বিবৃতি প্ৰকাশ কৰি স্বাভিমান ব্যক্ত কৰিছিল। লগতে অতীতৰ ঘটনাক বৰ্তমানৰ প্ৰেক্ষাপটত বিচাৰ কৰি নৱ-মূল্যায়ন আগবঢ়াইছিল। আছুৰ ভাষ্য অনুসৰি, জাতীয় বীৰ দুজনে ঔপনিৱেশিক ব্ৰিটিছৰ বিৰুদ্ধে যুঁজি ফাঁচীকাঠত ওলমিছিল; সেইদৰে ঔপনিৱেশিক দিল্লীৰ চৰকাৰে অসমৰ সংগ্ৰামী ছাত্ৰ-যুৱক-পুৰুষক গুলীয়াই মাৰিছে।[৮]

অসমৰ ঐতিহ্য আৰু সংস্কৃতিৰ প্ৰতীকস্বৰূপ বীৰ-নেতা-শিল্পীসকলৰ এনেধৰণৰ নতুন মূল্যায়নক এচামে কিন্তু সহজভাৱে লোৱা নাছিল। বিষয়টো সন্দৰ্ভত নাগৰিক, জনক্ৰান্তিৰ দৰে অসম আন্দোলনৰ সমালোচনা আগবঢ়াই অহা কাকতত এইচাম লেখক-বুদ্ধিজীৱীয়ে যুক্তিসহকাৰে আপত্তি দৰ্শাইছিল। এওঁলোকে জ্যোতি-বিষ্ণুৰ সঠিক মূল্যায়ন হোৱা নাই বুলি কোৱাৰ লগতে আন্দোলনত জড়িত জাতীয়তাবাদী পক্ষই জ্যোতিপ্ৰসাদৰ ভাবাদৰ্শ, সৃষ্টিক বিকৃতকৰণ কৰিছে বুলি অভিযোগ উত্থাপন কৰে। এওঁলোকৰ মতে সুন্দৰৰ পূজাৰী, সমাজকৰ্মী, বিপ্লৱী আৰু সংগ্ৰামী জ্যোতিপ্ৰসাদৰ দৰে শিল্পীক সীমাবদ্ধভাৱে 'বেছ অসমীয়া' কৰিবলৈ যোৱাৰ ফলতে অসমত সংস্কৃতিৰ নামত ভণ্ডামি চলিছে আৰু তাৰ ফলস্বৰূপে সাংস্কৃতিক সংকটৰ সৃষ্টি হৈছে।[৯] মাৰ্ক্সবাদী লেখকসকলে বিশ্লেষণ কৰি কৈছিল যে জ্যোতিপ্ৰসাদ আৰু বিষ্ণু ৰাভাৰ জীৱনাদৰ্শ আৰু কৰ্মজীৱনত সাম্যবাদ আৰু জাতীয় চেতনাৰ মাজত যোগসূত্ৰ আছিল। কিন্তু জাতীয়তাবাদীসকলে এই দুটাক বিচ্ছিন্ন কৰি বিকৃত মূল্যাংকন কৰিছে। সাম্ৰাজ্যবাদ আৰু ধনতন্ত্ৰবাদৰ বিৰুদ্ধে সংগ্ৰামী স্থিতি লৈ পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ ভেটিত প্ৰগতিশীল সমাজ-প্ৰতিষ্ঠাৰ সপোন দেখা জ্যোতিপ্ৰসাদৰ 'আজি ৰাঙলী কৰি দে ৰণাঙ্গন' শীৰ্ষক গীতেৰে আন্দোলনকাৰী ডেকা-গাভৰুক সংগ্ৰামৰ বাবে আহ্বান জনোৱা হৈছিল; অথচ সাম্ৰাজ্যবাদ-বিৰোধী পল ৰবচনৰ নামত চান্দমাৰীত প্ৰতিষ্ঠা হোৱা 'ৰবচন সংঘ' ভস্মীভূত কৰি তাৰ কাষতে 'লাচিত সংঘ' প্ৰতিষ্ঠা কৰা হৈছে।[১০]হোমেন বৰগোহাঞিয়ে জ্যোতিপ্ৰসাদ অথবা বিষ্ণু ৰাভাৰ চিন্তা-আদৰ্শৰ এটা অংশক বিচ্ছিন্ন কৰি উলিয়াই সেইখিনিক পূজা কৰা আৰু বাকীখিনিক অৱজ্ঞা কৰাটোক মহৎ শিল্পী দুজনৰ প্ৰতি চৰম অসন্মান বুলি মন্তব্য দিছিল।[১১] এনেধৰণৰ সমালোচনা আৰু ব্যাখ্যা-বিশ্লেষণৰপৰা অনুমান কৰিব পাৰি যে আন্দোলনৰ সময়ত মতাদৰ্শগত কাৰণতে অসমৰ সাংস্কৃতিক ঐতিহ্যৰ মূল্যায়নে এক নতুন গতি লৈছিল। জাতীয়তাবাদী দৃষ্টিকোণৰপৰা হোৱা ঐতিহ্যৰ পুনৰ্মূল্যায়নে অসমৰ সাংস্কৃতিক জীৱনধাৰা আৰু জাতীয়তাবাদী ধাৰাত নতুনত্বৰ সংযোগ ঘটাইছিল।

**১.১ ঐতিহ্য আৰু সাংস্কৃতিক উপাদানৰ প্ৰায়োগিক দিশৰ পৰিৱৰ্তন ঃ**

অসম আন্দোলনৰ প্ৰেক্ষাপটত অসমীয়া সংস্কৃতি আৰু ঐতিহ্যৰ দুটা অপৰিহাৰ্য উপাদান তথা প্ৰতীকৰ প্ৰায়োগিক দিশত কেনে নতুনত্ব বা পৰিৱৰ্তন পৰিলক্ষিত হৈছিল, সেই সম্পৰ্কে তলত বিচাৰ কৰা হৈছে। সেই উপাদান দুটা হ'ল—

(ক) বিহু

(খ) সাজপাৰ

**(ক) বিহু ঃ**

অসম আন্দোলনৰ প্ৰেক্ষাপটত অসমৰ 'জাতীয় উৎসৱ'খ্যাত বিহুক মূল্যায়ন কৰাৰ প্ৰচেষ্টা চলিছিল। অসমীয়া জাতীয়তাৰ প্ৰতি সচেতন ব্যক্তিয়ে বিহু উৎসৱ উদ্‌যাপনৰ সময়ত অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ বিষয়টো জড়িত কৰি অসমীয়াৰ আত্মধবংসী প্ৰৱণতা চিনাক্ত কৰিছিল। আলোচনাবোৰৰ মূল বক্তব্য আছিল এই যে বিহুৰ লগত জড়িত খাদ্যাভাস, পোছাক-পৰিচ্ছদৰ ক্ষেত্ৰত অসমীয়াই পুৰণি কালত যি স্বাৱলম্বিতা, কৰ্মকুশলতা, দৃঢ়তাৰ পৰিচয় দিছিল, সেয়া লাহে লাহে পৰিৱৰ্তন হৈ পৰনিৰ্ভৰশীলতালৈ পৰ্যবসিত হৈছে। ফুলাম বিহুৱান, গৰুৰ ডিঙিত দিয়া ন-পঘাডাল, বিহুৰ ঢোলটো, পিঠা-পনা— বিহুৰ এই অত্যাৱশ্যকীয় সামগ্ৰীবোৰৰ ক্ষেত্ৰত অসমীয়াসকল অনা-অসমীয়া ব্যৱসায়ীৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিল। বিশেষকৈ দক্ষিণ ভাৰতৰ ব্যৱসায়ীয়ে গামোচা আৰু পিঠা-পনাৰ চাহিদালৈ লক্ষ্য কৰি সেই সুযোগ গ্ৰহণ কৰিলে। এই দৃষ্টিকোণৰপৰা 'অসমীয়া জাতি' বিপৰ্যস্ত হৈছে বুলি কোৱাৰ লগতে অসমীয়াই অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত বিজয়ী হ'বলৈ সামাজিক, সাংস্কৃতিক সকলো দিশতে অভিযান চলাব লাগিব বুলি উপলব্ধি কৰা হৈছিল।[১২]

অসম আন্দোলনৰ নেতৃত্বই বিহুৰ উছাহ-উদ্দীপনাৰ লগত 'অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰাম'ক একাকাৰ কৰি

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

পেলাইছিল। আন্দোলনৰ ব্যস্ততাপূৰ্ণ কাৰ্যসূচী আৰু অনিশ্চয়তা তথা আশংকাৰ পৰিস্থিতিৰ মাজত বিহু অনাড়ম্বৰভাৱে উদ্‌যাপিত হৈছিল। ১৯৮০ চনৰ ৰঙালী বিহু ১৪ এপ্ৰিলৰ দিনা মাথোঁ এদিনীয়া কাৰ্যসূচীৰে পালন কৰাৰ সিদ্ধান্ত লোৱা হয়। তদুপৰি বিভিন্ন বিহুতলীত পুৱা 'শ্ৰীময়ী অসমীৰ...' শীৰ্ষক দেশপ্ৰেমমূলক সংগীত গোৱা, শ্বহীদ তৰ্পণ কৰাৰ যোগেদি জাতীয় আৱেগ সৃষ্টি কৰা হৈছিল। আন্দোলনঘটিত পৰিস্থিতিত বিহুৰ দৰে আনন্দোৎসৱ এটা কিদৰে ম্লান পৰিছিল সেই কথা প্ৰকাশ কৰি দৈনিক অসম কাকতে সংবাদ পৰিৱেশন কৰিছিল— 'এইবেলি বিহু মলঙি গল'। ইয়াৰ বিপৰীতে এই এদিনীয়া বিহু 'সংকল্প গ্ৰহণৰ উৎসৱ' হিচাপে পালন কৰা হৈছিল। 'অসম মৰিলে আমিও মৰিম'— এই দৃঢ়তাৰেই সমগ্ৰ অসমবাসীয়ে ব'হাগৰ বতৰত প্ৰতিশ্ৰুতিবদ্ধ হৈছিল। ৰাজ্যখনৰ ইমূৰৰপৰা সিমূৰলৈ বিহুতলীয়ে বিহুতলীয়ে এই জাগ্ৰত জনচেতনাৰ ঢৌ বিয়পি গৈছিল।[১৩]এইদৰেই অসমীয়া সংস্কৃতিৰ প্ৰতীক বিহু আন্দোলনৰ প্ৰেক্ষাপটত জাতীয় আৱেগ আৰু 'জাতিৰ প্ৰাণ প্ৰতিষ্ঠা'ৰ আধাৰ হৈ পৰিল। আনফালে, ৰঙালী বিহুৰ মঞ্চত অসমৰ বিভিন্ন জনজাতীয় গোষ্ঠী, যেনে— বড়ো, মিচিং, কাৰ্বি, ৰাভা, ডিমাছা, গাৰো, দেউৰী আদিৰ সংস্কৃতি পৰিৱেশন কৰা হৈছিল। এনেদৰে জাতি-উপজাতিৰ মাজত সংহতি আৰু ঐক্য স্থাপনেৰে অসমীয়াৰ মনোবল বৃদ্ধি কৰিব খোজা হৈছিল। বিহুৰ মঞ্চক জনজাগৰণ সৃষ্টিৰ মাধ্যমৰ ৰূপ দি বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই আহ্বান জনাইছিল— "মাত মাতক, কথা কওক, লিখক, গাওক, নাচক। আমাৰ আচৰণত সত্য ফুটি উঠক। লুইতৰ পাৰ মৈদাম হবলৈ নিদিব। বিদেশীৰ সমস্যা অব্যৰ্থ প্ৰেমৰ শক্তিৰে সমাধান কৰিব লাগিব।"[১৪]

অসম আন্দোলনৰ সময়তে বিহু উৎসৱ ৰাজনৈতিক উৎসৱলৈ ৰূপান্তৰিত হোৱা বুলি অভিযোগ উত্থাপন হৈছিল। 'এটা বিশেষ ৰাজনৈতিক দলৰ অবাঞ্চিত কৃপাৰে সজা বিহু মঞ্চবোৰত এচাম তথাকথিত সংস্কৃতি প্ৰেমীক ৰাজনীতিৰ পুতলা শিল্পী সজাই এদল ৰাজনীতিকে ক্ষমতা লিপ্সাৰ হীন ষড়যন্ত্ৰত লিপ্ত হৈ অসমৰ জাতীয় উৎসৱ বিহুক কলুষিত কৰা'[১৫]ৰ চেষ্টা চলাইছে বুলি কোৱা হৈছিল। বিহুৰ ৰাজনীতিকৰণৰ বিপক্ষে থিয় দি আছুৰে ১৯৮২ চনতে ৰাইজক সতৰ্ক কৰি দিয়ে।

অসমীয়া সংস্কৃতিৰ প্ৰতীক বিহুক নতুন ধৰণে উপস্থাপন আৰু ইয়াৰ সংকীৰ্ণ স্বাৰ্থত হোৱা ব্যৱহাৰৰ বিৰুদ্ধে সজাগতা সৃষ্টি কৰাৰ সমান্তৰালভাৱে এই উৎসৱৰ উপাদানবোৰৰ বিকৃতকৰণ সম্পৰ্কতো চিন্তা-চৰ্চা হৈছিল। নাগৰিকৰ পাতত বিহুদলবোৰৰ 'পুঁজি সংগ্ৰহ অভিযান', বিকৃত বিহুগীত[১৬]ৰ প্ৰসংগ উল্লেখ কৰি বিহুক ৰক্ষা কৰিবলৈ আহ্বান জনোৱা হৈছিল। নিৰ্মলপ্ৰভা বৰদলৈয়ে 'ট্ৰাক-বাছ ৰখাই আলিবাটত বিহু নাচি পইচা খোজা' কাৰ্যক বিকৃত মানসিকতা বুলি কৈ ভিক্ষাবৃত্তিৰ লগত ৰিজাইছিল।[১৭] আটাইতকৈ উদ্বেগজনক কথাটো হ'ল এই যে অসমৰ জনজাতীয় লোকৰ এটা অংশই বিভিন্ন জনগোষ্ঠীৰ আৱেগিক ঐক্য আৰু সমন্বয়ৰ প্ৰতীকস্বৰূপ বিহু বৰ্জন কৰাৰ কথা ঘোষণা কৰিছিল।[১৮]

**(খ) সাজপাৰ ঃ**

অসমীয়া জাতীয়তাৰ স্বকীয় ঐতিহ্যৰ হীন-ডেঢ়ি অথবা ক্ৰম-অৱলুপ্তিৰ প্ৰসংগ অসম আন্দোলনৰ সময়ত চৰ্চিত হৈছিল। লগতে হেৰাই যাবলৈ ধৰা ঐতিহ্যৰ পুনৰুদ্ধাৰৰ জৰিয়তে জাতীয় জীৱন আৰু সংস্কৃতিক সমৃদ্ধ কৰাৰ প্ৰচেষ্টাও পৰিলক্ষিত হয়। সংস্কৃতিৰ অন্যান্য অংগৰ দৰে সাজপাৰেও জাতীয় জীৱনৰ স্বকীয় বৈশিষ্ট্য প্ৰকাশ কৰে। কিন্তু আধুনিকতা, অনুকৰণপ্ৰিয়তা আৰু নতুনত্বৰ প্ৰতি ওপজা আকৰ্ষণৰ ফলস্বৰূপে অসমীয়াৰ ঐতিহ্যপূৰ্ণ সাজপাৰৰ ক্ষেত্ৰত পৰিৱৰ্তন দেখা গৈছিল। হিন্দী চিনেমাৰ অনুকৰণত অসমীয়া নাৰীয়ে সেই সময়ত চুৰিদাৰ, চেলোৱাৰ, কুৰ্তা, পায়জামা পিন্ধিবলৈ লয়। অসমীয়া জাতীয় সাজ-পোছাকৰ পৰিৱৰ্তে এনেদৰে আনৰ সাংস্কৃতিক পৰম্পৰা গ্ৰহণ কৰাৰ বাবে সচেতন লোকসকল চিন্তিত হৈছিল। ইয়াৰ জৰিয়তে দেশৰ বৃহৎ পুঁজিপতি আৰু শিল্পপতি অৰ্থাৎ অনা-অসমীয়া ব্যৱসায়ীসকলৰ লাভ হৈছিল। ইয়াৰ লগে লগে স্বকীয় ঐতিহ্য-পৰম্পৰা বিসৰ্জন দিয়াৰ বাবে অসমীয়াৰ জাতীয় সংস্কৃতি আৰু জাতীয় পৰিচয় অৱক্ষয়ৰ গৰাহত পৰিছিল।[১৯] অসম আন্দোলনৰ প্ৰেক্ষাপটত সাংস্কৃতিক অস্তিত্ব তথা সুৰক্ষাৰ প্ৰশ্নত এনেধৰণৰ আলোচনা-সমালোচনা সাংস্কৃতিক পুনৰুদ্ধাৰৰ প্ৰয়াস হিচাপে বিবেচিত হ'বৰ যোগ্য।

অসমৰ কাকত-আলোচনীত অসমীয়া জীয়ৰী-বোৱাৰীৰ শাৰীপ্ৰীতিৰ বিষয়ে কটু সমালোচনা কৰা হৈছিল। অসম সাহিত্য সভাই অসমীয়া নাৰীক শাৰী পৰিত্যাগ কৰি জাতীয় সাজপাৰ মেখেলা-চাদৰ পৰিধান কৰিবলৈ সকীয়াই দিছিল। পুৰুষৰ জাতীয় সাজপাৰৰ প্ৰসংগত চোলা-চুৰীয়া পৰিধানৰ কথা উত্থাপিত হোৱাৰ লগতে বিদেশী চাহাবৰ


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

অনুকৰণত কোট-পেণ্ট-টাই পিন্ধিবলৈ লোৱা বিষয়টোৰো চৰ্চা হৈছিল। অসম আন্দোলনৰ প্ৰেক্ষাপটত হোৱা এনেধৰণৰ সমালোচনাবোৰে জাতীয় সংস্কৃতি আৰু ঐতিহ্য ৰক্ষাৰ প্ৰতি এটা সচেতনতা আনে। ইয়াৰ ফলস্বৰূপে অসমীয়া সমাজৰ সাজপাৰৰ ক্ষেত্ৰলৈ এটা পৰিৱৰ্তন অহা পৰিলক্ষিত হয়। বিশেষকৈ চাদৰ-মেখেলাৰ প্ৰতি অসমীয়া নাৰীৰ মৰম আৰু শ্ৰদ্ধা আন্দোলনৰ সময়ত বৃদ্ধি পাইছিল।[২০] সাজপাৰৰ ক্ষেত্ৰত জন্ম হোৱা এনে সচেতনতাবোধে থলুৱা বস্ত্ৰ-শিল্পৰ উন্নতিৰ সম্ভাৱনাও বৃদ্ধি কৰিছিল।

দৈনিক অসমৰ এটা সম্পাদকীয়ত কটন কলেজৰ দৰে অসমৰ এখন আগশাৰীৰ শৈক্ষিক অনুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলে শাৰী, চেলোৱাৰ, কামিজ, জিনছ্ পৰিহাৰ কৰি ঐতিহ্যানুসাৰে পোছাক পিন্ধিবলৈ লোৱা সিদ্ধান্তৰ কথা গুৰুত্বসহকাৰে প্ৰকাশ হৈছিল। এই সম্পাদকীয়তে গোটেই দেশৰ বাবে প্ৰযোজ্য হোৱাকৈ জাতীয় পোছাক নিৰ্ধাৰণৰ প্ৰয়োজনীয়তাৰ কথাও ব্যক্ত কৰা হৈছিল।[২১]

## ২.০ কৰ্ম-সংস্কৃতি ঃ

অসম আন্দোলনৰ সময়ত অসমত স্বাৱলম্বী হোৱাৰ এটা জাগৰণ দেখিবলৈ পোৱা গৈছিল। আন্দোলনৰ নেতৃত্বই দিয়া আহ্বানক্ৰমে ১৯৮২ চনৰ ১১ ফেব্ৰুৱাৰীৰপৰা ২০ ফেব্ৰুৱাৰীলৈ সমগ্ৰ অসমতে এলানি সমাজ-কল্যাণৰ কাৰ্যসূচী ৰূপায়িত কৰা হয়। এই কাৰ্যসূচীৰ অন্তৰ্গতভাৱে পথ-নিৰ্মাণ, অনুষ্ঠান-প্ৰতিষ্ঠানৰ মেৰামতি তথা পৰিষ্কাৰকৰণ, চিকিৎসালয় পৰিষ্কাৰকৰণ, বৃক্ষৰোপণৰ লগতে স্ব-নিৰ্ভৰশীলতাৰ বাবে বিভিন্ন ব্যৱহাৰিক কাৰ্যপদ্ধতিৰ জ্ঞান দিবলৈ আহ্বান জনাইছিল।

অসমীয়াসকলক স্বাৱলম্বী আৰু পৰিশ্ৰমী হিচাপে গঢ়ি তুলিবলৈ আন্দোলনৰ প্ৰাৰম্ভিক অৱস্থাৰেপৰা এক সজাগতাৰ সৃষ্টি হৈছিল। অসমীয়া কাকত-পত্ৰই এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। প্ৰফুল্ল কটকীয়ে নীলাচলৰ পাতত লিখিছে— "আত্মচেতনা আত্মপ্ৰতিষ্ঠাৰ প্ৰধান ভিত্তি। আত্মনিৰ্ভৰশীলতা ইয়াৰ এক কাৰ্যকৰী উপাদান। আত্মনিৰ্ভৰশীলতাৰ অবিহনে আত্মচেতনা হ'ব অৰ্থহীন; কাৰণ পৰমুখাপেক্ষী জাতি এটাই কেতিয়াও তাৰ আৰ্থিক, সামাজিক, ৰাজনৈতিক কোনোপ্ৰকাৰ স্বকীয়তাকে ৰক্ষা কৰিব নোৱাৰে।"[২২] আন্দোলনটোৰ পৰিপ্ৰেক্ষিতত জাগ্ৰত হোৱা অসমীয়াৰ জাতীয় চেতনাক কাৰ্যত ৰূপায়ণ কৰি আত্মপ্ৰতিষ্ঠা লাভৰ অৰ্থে কটকীয়ে সমালোচনাৰ লগতে দিহা দিছিল এনেদৰে—

আজিকালি গাঁৱে-ভূঞে কলেজ আদি গঢ়ি উঠিছে। ই ভাল কথা। কিন্তু কলেজত পঢ়িবলৈ যোৱা ডেকা-গাভৰুবোৰৰ মাজত আৰামপ্ৰিয়তা গা কৰি উঠা লক্ষ্যত পৰিছে আৰু সাধাৰণ অৱস্থাত কৰা দৈনন্দিন কামকাজখিনিও নকৰি পৰিশ্ৰম ঘৃণা কৰি বিলাসক সাৰটি লোৱা দেখা গৈছে। এনেবোৰ লক্ষণ আত্মঘাতী লক্ষণ। কিন্তু মাৰোৱাৰীসকলৰ ভিতৰত দেখিব, কলেজত পঢ়া ল'ৰায়ো গাদীত বহিছে, মাল বেচিছে, আৰু পৰীক্ষাত ভাল কৃতকাৰ্য্যতাও লাভ কৰিছে।.... গৃহস্থালি এখনৰ অৰ্থনৈতিক দিশটো পাৰ্য্যমানে স্বাৱলম্বী কৰি তুলিব লাগিব। গৰু-ছাগলী, হাঁহ-কুকুৰা পোহা, কল, তামোল, শাক-পাচলি ৰুই তাৰ দ্বাৰাও দুপইচা উপাৰ্জন কৰা, তাতশালখন তৰি লৈ শৰীৰ আৰু মনক ব্যস্ত ৰখাৰ আমাৰ অসমীয়া সমাজৰ স্বাৱলম্বনৰ প্ৰাচীন আদৰ্শ ঘৰে ঘৰে পুনৰ উজ্জীৱিত হ'ব লাগিব।[২৩]

আন্দোলনৰ নেতৃত্বৰ 'নতুন অসম গঢ়াৰ আঁচনি'ত এই স্বাৱলম্বিতাৰ আদৰ্শই বিশেষভাৱে গুৰুত্ব পাইছিল। 'নতুন অসম গঢ়াৰ আঁচনি ঃ এটি প্ৰাসংগিক চিন্তা' শীৰ্ষক লেখাত কমলা কান্ত দাসে স্বাৱলম্বিতাৰ লক্ষ্যত উপনীত হ'বৰ বাবে সকলো কামৰ প্ৰতি শ্ৰদ্ধা, কামৰ প্ৰতি কৰ্মচাৰীৰ আন্তৰিকতা, অৰ্থনীতিবিদৰ পৰামৰ্শ, উদ্যোগ বিভাগৰ সেৱা-পৰামৰ্শ, ৰাইজৰ আন্তৰিকতা, সামাজিক ঐক্য— এনেবোৰ বিষয় লাগতিয়াল বুলি বিবেচনা কৰিছিল।[২৪] মন কৰিবলগীয়া যে জ্ঞাননাথ বৰাই আসামত বিদেশী গ্ৰন্থত বিদেশীৰ আগ্ৰাসনৰপৰা অসমীয়াৰ সৰ্বদিশৰ অস্তিত্বৰ সুৰক্ষাৰ বাবে আত্মনিৰ্ভৰশীলতাৰ আদৰ্শ স্বাধীনতা-পূৰ্বকালতে দাঙি ধৰিছিল।

স্বাৱলম্বিতাৰ আদৰ্শৰ প্ৰতি অসমীয়া সমাজে প্ৰথম অৱস্থাত আশানুৰূপভাৱে সঁহাৰি জনাইছিল। আগতে অনা-অসমীয়া অথবা বহিৰাগতৰ দখলত থকা সৰু-সুৰা ব্যৱসায়-বৃত্তি, যেনে— ৰিক্সা চলোৱা, ঠেলা চলোৱা, ফেৰীৱালাৰ কাম, চকীদাৰী, পাণ-তামোলৰ দোকান দিয়া, জোতা চিলাই কৰা, চুলি-দাড়ি কটা, মাল-বস্তু কঢ়িওৱা আদিবোৰ কৰিবলৈ অসমীয়া লোক ওলাই আহিছিল।[২৫] মুঠতে এই আদৰ্শ স্বাৱলম্বিতাৰ আন্দোলন বা বিপ্লৱ হিচাপে পৰিচিত হৈছিল আৰু এক জাতীয় জাগৰণৰ সৃষ্টি কৰিছিল।

কিন্তু স্বাৱলম্বিতাৰ জৰিয়তে বিদেশী বা বহিৰাগতৰ


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

আগ্ৰাসন ৰোধ কৰি জাতীয় অৰ্থনীতিৰ ভেটি শক্তিশালী কৰাৰ যি পৰিকল্পনা প্ৰস্তুত কৰা হৈছিল, তাৰ সফল ৰূপায়ণৰ ক্ষেত্ৰত আশংকাও জড়িত হৈ আছিল। এই বিষয়ে এনেদৰে সকীয়নি দিয়া হৈছিল— "অসমীয়া জাতিৰ বাবে এটা সুস্থ অৰ্থনৈতিক ভেঁটি আমি আন্দোলনৰ লগে লগে গঢ়ি তুলিব নোৱাৰিলে, দহ বছৰৰ পাছত পুনৰ বিদেশী বিতাড়নৰ বাবে খৰ্গেশ্বৰহঁতৰ দৰে বহুতো যৌৱনে অকালতে প্ৰাণ দিব লাগিব।"[২৬] দেখা গ'ল যে অসমীয়া জনজীৱনত ঠন ধৰি উঠা কৰ্ম-সংস্কৃতিৰ প্ৰৱণতা পৰৱৰ্তী সময়ত দুদিনীয়া ভাবোচ্ছ্বাসত পৰিণত হ'ল। আন্দোলনৰ সময়ৰ আটাইতকৈ দৰকাৰী কাৰ্যসূচী আছিল 'স্বাৱলম্বিতা'। কিন্তু বিশেষকৈ যুৱক-যুৱতীসকলে ইয়াক অতি ঠেক গণ্ডীলৈ লৈ গ'ল। দুদিনমানৰ বাবে ৰে'ল ষ্টেশ্বনত বোজা কঢ়িওৱা, ট্ৰেন্সপৰ্ট ষ্টেশ্বনত জোতা চাফ কৰা অথবা কাগজ বিক্ৰী কৰাটো স্বাৱলম্বিতাৰ এক সীমাবদ্ধ ধাৰণাহে। জাতীয় আত্ম-প্ৰতিষ্ঠাৰ বাবে দৰকাৰী এই আদৰ্শক প্ৰধানতঃ আন্তৰিকভাৱে গ্ৰহণ কৰিব নোৱৰাৰ বাবেই ই এক ব্যৰ্থ প্ৰয়াসত পৰিণত হৈছিল।[২৭]

**৩.০ সাংস্কৃতিক সমন্বয়ৰ প্ৰচেষ্টা ঃ**

অসম আন্দোলনৰ সফলতা অসমৰ সকলো খিলঞ্জীয়া জনগোষ্ঠীৰ ঐক্যবদ্ধ সংগ্ৰামৰদ্বাৰাহে যে সম্ভৱ হ'ব সেই কথা আন্দোলনৰ নেতৃত্বই উপলব্ধি কৰিছিল। সেয়েহে বিভিন্ন ব্যাখ্যা-বিবৃতিৰ জৰিয়তে জনসাধাৰণক সমন্বয় আৰু সংহতি ৰক্ষা কৰিবলৈ আহ্বান জনাইছিল। তেওঁলোকৰ মতে এটা সমাজবিৰোধী তথা 'অসমবিৰোধী চক্ৰ'ই আন্দোলন ব্যৰ্থ কৰিবলৈ প্ৰচেষ্টা চলাই গৈছে। এনে ষড়যন্ত্ৰ প্ৰতিহত কৰিবলৈ অসমৰ জনসাধাৰণৰ মাজত সাম্প্ৰদায়িক সম্প্ৰীতি অটুট ৰখাৰ প্ৰয়োজনীয়তা আছে। সাংস্কৃতিক সমন্বয়ৰ নিদৰ্শন দেখুৱাবলৈ আন্দোলনৰ নেতৃত্বই সাংস্কৃতিক শোভাযাত্ৰা, সৰ্বধৰ্মীয় প্ৰাৰ্থনা, জনজাতীয় সংস্কৃতিৰ পৰিৱেশনৰ লগতে আন আন কাৰ্যসূচীও গ্ৰহণ কৰিছিল। ১৯৮০ চনৰ ২৭ এপ্ৰিলৰ দিনা আছু আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ যৌথ আহ্বানত চলা 'ৰণধ্বনি' শীৰ্ষক কাৰ্যসূচীত বিভিন্ন জনগোষ্ঠীৰ সাংস্কৃতিক শোভাযাত্ৰা সম্পন্ন হৈছিল। এই কাৰ্যসূচীত নানা ধৰণৰ বাদ্যযন্ত্ৰৰ ধ্বনি আৰু উৰুলি, হাতচাপৰি, চাইকেল-ৰিক্সা-গাড়ীৰ হৰ্ন বজাই শাব্দিক প্ৰতীকী প্ৰতিবাদ সাব্যস্ত কৰা হৈছিল। বাদ্যযন্ত্ৰৰ ভিতৰত লোকবাদ্য, জনজাতীয় বাদ্য আৰু মাৰ্গীয় ধাৰাৰ বাদ্যৰ সমাৱেশ ঘটাই সাংস্কৃতিক সমন্বয়ৰ আদৰ্শ দাঙি ধৰিছিল। সেই বাদ্যযন্ত্ৰবোৰ আছিল এনেধৰণৰ— 'ডবা, শঙ্ক (শংখ?), মৃদং, খোল, ঢোল, তাল, বৰ কাঁহ, নাগাৰা, কালীয়া, বিগুল, ম'হৰ শিঙৰ পেপা, নাৰিকল আৰু কল পাতৰ পেপা, শিঙ, বেণু ট্ৰাম্পেট আদি'[২৮]।

১৯৮৩ চনৰ সাধাৰণ নিৰ্বাচনৰ সময়ছোৱাত সংঘটিত হিংসাত্মক ঘটনাৰাজিৰ পাছত অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত সম্প্ৰীতি, সংহতি বৰ্তাই ৰাখিবলৈ আন্দোলনৰ নেতৃত্বকে ধৰি বিভিন্ন জাতীয়-জনজাতীয় সংগঠনে চেষ্টা কৰা পৰিলক্ষিত হয়। অসমীয়া সংবাদ-মাধ্যমে বিবৃতি, মন্তব্য প্ৰকাশ কৰি এই ক্ষেত্ৰত যথেষ্ট সহযোগিতা আগবঢ়ায়। দৈনিক অসমত আছু আৰু নিখিল বড়ো ছাত্ৰ সন্থাই যুটীয়াভাৱে দিয়া এক বিবৃতিত শান্তিপূৰ্ণ সমাজ গঠনৰ বাবে যে সাংস্কৃতিক সমন্বয়ৰ প্ৰয়োজন সেই কথা প্ৰকাশ পাইছে— "...অসমৰ সংস্কৃতি, সভ্যতাৰ বিকাশৰ কাৰণে বৈচিত্ৰ্যপূৰ্ণ বিভিন্ন জনগোষ্ঠীৰ ভাষা-সংস্কৃতি অক্ষুণ্ন ৰাখি ইয়াৰ আত্মবিকাশৰ কাৰণে প্ৰচেষ্টা চলাব লাগিব আৰু তেতিয়াহে সম অধিকাৰৰ ভিত্তিত বিভিন্ন জনগোষ্ঠীৰ মাজৰ মহামিলন অধিক কটকটীয়া হৈ পৰিব আৰু শান্তিপূৰ্ণ সমাজ গঢ়ি উঠিব।"[২৯] নিৰ্বাচনৰ পাছত অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত পাৰস্পৰিক শংকা, সন্দেহ, অবিশ্বাসৰ ভাব বৃদ্ধি পাইছিল। অসমৰ ভাষিক-সাংস্কৃতিক সমস্যাসমূহে ৰাজনৈতিক চৰিত্ৰ গ্ৰহণেৰে সাংস্কৃতিক বিচ্ছিন্নতাবাদৰ ফালে অগ্ৰসৰ হৈছিল। কিয়নো 'সদৌ অসম জনজাতি ছাত্ৰ সন্থা'ৰ উদ্যোগত টাই, বড়ো, ৰাভা, কছাৰী, কাৰ্বি, তিৱা, মিচিং, গাৰো, খাছীসকলৰ বাবে নিজৰ ভাষাত শিক্ষাৰ মাধ্যম আৰু জিলা পৰিষদৰ দাবী উত্থাপন হৈছিল। এনে উদ্বেগজনক পৰিস্থিতিত অসমৰ বাৱেৰহণীয়া সাংস্কৃতিক ঐতিহ্য অক্ষুণ্ন ৰাখিবলৈ নাগৰিক কাকততো প্ৰচেষ্টা চলে। এই কাকতত দিনেশ গোস্বামীয়ে 'সংস্কৃতি বন্ধ জলাশয় নহয়, বোৱতী সুঁতিহে' বুলি কৈ 'পুনৰ্বাৰ শঙ্কৰী ঐতিহ্যৰ সৈতে থলুৱা জনগোষ্ঠীসমূহৰ ঐতিহ্যৰ সংমিশ্ৰণ ঘটাই নতুন যুগৰ অসমীয়াৰ সংস্কৃতিক গঢ় দিয়া'[৩০]ৰ পোষকতা কৰিছিল।

১৯৮৩ চনৰ ফেব্ৰুৱাৰীৰ নিৰ্বাচনী প্ৰেক্ষাপটত ঘটা সংঘৰ্ষ আৰু নিৰ্বাচনোত্তৰ হিংসা-প্ৰতিহিংসাত অসমৰ সাতামপুৰুষীয়া ঐক্য আৰু সংহতি বিনষ্ট হৈছিল। সেয়েহে


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

বিভিন্ন জনগোষ্ঠীৰ মাজত সমন্বয়, সংহতি পুনৰ সুদৃঢ় কৰিবৰ উদ্দেশ্যে এটি 'সমন্বয় সাংস্কৃতিক বাহিনী'য়ে ভূপেন হাজৰিকা আৰু বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ নেতৃত্বত অসমৰ বিভিন্ন অঞ্চল ভ্ৰমণ কৰিছিল।

অসম সাহিত্য সভাই অসম আন্দোলনৰ ফলস্বৰূপে গা কৰি উঠা বিভাজনমুখী প্ৰৱণতাৰ প্ৰতি উদ্বিগ্নতা প্ৰকাশ কৰিছিল। এই সময়ছোৱাত সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰা বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য আৰু সীতানাথ ব্ৰহ্মচৌধুৰীয়ে অসমীয়া সংস্কৃতিৰ সামন্বয়িক ৰূপটো স্বীকাৰ কৰি অসমৰ জাতি-গোষ্ঠীৰ মাজত সমন্বয়, সংহতি সুদৃঢ় হোৱাটো কামনা কৰিছিল। এই ক্ষেত্ৰত এক ফলপ্ৰসূ কৰ্ম-আঁচনি যুগুত কৰি সভাই তাৰ কাৰ্যকৰীকৰণাৰ্থে প্ৰচেষ্টা চলায়। জাতীয় সংহতি ৰক্ষাৰ উদ্দেশ্যে সমগ্ৰ অসমতে প্ৰচাৰ চলাবৰ বাবে এই আঁচনিখন গ্ৰহণ কৰাৰ কথা নগাঁৱৰ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত অনুষ্ঠিত এখন সভাত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই ১৯৮৩ চনৰ ২৯ নৱেম্বৰত ব্যক্ত কৰিছিল। অসমৰ জনজাতীয় গোষ্ঠীবোৰৰ লগত সম্ভাৱ গঢ়ি তুলিবলৈ সভাই তেওঁলোকৰ সাহিত্য-সংস্কৃতিৰ উন্নতিৰ প্ৰতিও গুৰুত্ব দিছিল। বিভিন্ন সামাজিক গোটৰ সাংস্কৃতিক চেতনা আৰু জাতীয় চেতনাৰ সমন্বয়ৰ পোষকতা কৰি ভট্টাচাৰ্যই কৈছিল— "অসমৰ জাতীয় বিকাশ অসমৰ সকলো সামাজিক গোটৰে সাংস্কৃতিক বৈশিষ্ট্যৰ ভাল গুণখিনিৰ সমন্বয় সাধনৰ যোগেদিহে হ'ব।"[৩১]

## ৪.০ সিদ্ধান্ত ঃ

১) অসম আন্দোলনৰ সময়ত অসমৰ ইতিহাসৰ বীৰ-বীৰাংগনা আৰু অসমীয়া সমাজ-সংস্কৃতিৰ পুৰোধা শিল্পীসকলক অসমীয়া জাতীয় ঐতিহ্য, সংস্কৃতি আৰু স্বাভিমানৰ প্ৰতীকৰ ৰূপত উপস্থাপন কৰা হৈছিল। জাতীয়তাবাদী নেতৃত্বই এওঁলোকৰ শৌৰ্য, চিন্তা-চেতনা আৰু কৰ্মৰ নতুন মূল্যায়ন আৰু ব্যাখ্যা আগবঢ়াইছিল আৰু 'অস্তিত্ব ৰক্ষাৰ সংগ্ৰাম'ৰ পটভূমিত বিভিন্ন কাৰ্যসূচীৰে সেই চিন্তা-আদৰ্শৰ উপস্থাপন কৰি তাৰ আধাৰত 'নতুন অসম' গঢ়াৰ পৰিকল্পনা কৰিছিল।

২) জাতীয়তাবাদী দৃষ্টিকোণৰপৰা হোৱা ঐতিহ্যৰ পুনৰ্মূল্যায়নে অসমৰ সাংস্কৃতিক জীৱনধাৰা আৰু জাতীয়তাবাদী ধাৰাত নতুনত্বৰ সংযোগ ঘটাইছিল। কিন্তু অসমৰ ঐতিহ্য আৰু সংস্কৃতিৰ প্ৰতীকস্বৰূপ বীৰ-নেতা-শিল্পীসকলৰ নতুন মূল্যায়নক এচাম বুদ্ধিজীৱীয়ে সহজভাৱে লোৱা নাছিল। বীৰ-শিল্পীক সীমাবদ্ধভাৱে 'বেছ অসমীয়া' কৰিবলৈ যোৱাৰ ফলত সংস্কৃতিৰ নামত ভণ্ডামি আৰু তাৰ ফলস্বৰূপে সাংস্কৃতিক সংকটৰ সৃষ্টি হোৱা বুলি অভিযোগ উত্থাপিত হৈছিল।

৩) অসমীয়া সংস্কৃতিৰ প্ৰতীক বিহু অসম আন্দোলনৰ প্ৰেক্ষাপটত জাতীয় আৱেগ আৰু 'জাতিৰ প্ৰাণ প্ৰতিষ্ঠা'ৰ আধাৰ হৈ পৰিছিল।

৪) অসমীয়া জাতীয়তাৰ স্বকীয় ঐতিহ্যৰ হীন-ডেঢ়ি অথবা ক্ৰম-অৱলুপ্তিৰ প্ৰসংগ অসম আন্দোলনৰ সময়ত চৰ্চিত হৈছিল। অসমীয়া সাজপাৰৰ ক্ষেত্ৰত সচেতনতাবোধৰ উন্মেষ ঘটিছিল আৰু জাতীয় পোছাক নিৰ্ধাৰণৰ প্ৰসংগ উত্থাপিত হৈছিল।

৫) স্বাৱলম্বিতা অথবা আত্মনিৰ্ভৰশীলতাৰ আদৰ্শই অসম আন্দোলনৰ সময়তে এক জাতীয় জাগৰণৰ ৰূপ পৰিগ্ৰহণ কৰিছিল।

৬) অসম আন্দোলনকালীন সময়ছোৱাত অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত আশংকা, সন্দেহ, ভুল বুজাবুজি বিয়পি পৰাত সংহতি আৰু সমন্বয় বিঘ্নিত হৈছিল। এই সমন্বয়ৰ পৰিৱেশ পুনৰ ঘূৰাই আনিবৰ বাবে জাতীয়তাবাদী পক্ষ আৰু সচেতন লোকে সাংস্কৃতিক কাৰ্যসূচী, ব্যাখ্যা-বিবৃতিৰ জৰিয়তে পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হয়।

## ৫.০ উপসংহাৰ ঃ

ঐতিহ্য আৰু সাংস্কৃতিক প্ৰতীকসমূহৰ নৱ-মূল্যায়ন আৰু সেইবোৰত গুৰুত্ব প্ৰদানৰ জৰিয়তে অসম আন্দোলনৰ সময়ত এক সাংস্কৃতিক জাগৰণৰ প্ৰেক্ষাপট তৈয়াৰ হৈছিল। বিহু উৎসৱ জাতীয় জীৱনৰ বাবে অনুপ্ৰেৰণাৰ মাধ্যম হৈ পৰিছিল; নাৰীৰ সাজপাৰ মেখেলা-চাদৰে পুনৰ জনপ্ৰিয়তা লাভ কৰিছিল। অৰ্থাৎ স্বকীয় সংস্কৃতি আৰু ঐতিহ্য ৰক্ষাৰ বাবে জনসাধাৰণ সচেতন হৈ পৰিছিল। কিন্তু এইধৰণৰ জাতীয়তাবাদী আৱেগ যে সাময়িকহে আছিল সেই কথা প্ৰমাণিত হ'বলৈ বেছি পৰ নালাগিল। কাৰণ কৰ্ম-সংস্কৃতিৰ প্ৰবল জোৱাৰ দিন যোৱাৰ লগে লগে ভাটাত পৰিণত হ'ল। অসমীয়াসকল যে আৱেগপ্ৰৱণ সেই কথা অসম আন্দোলনৰ এই নিষ্ফল প্ৰয়াসবোৰেই উদঙাই দিয়ে।

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

**প্ৰসংগ-সূচী আৰু পাদটীকা ঃ**

১. 'ছাত্ৰ সন্থাৰ আহ্বান', কীৰ্তিনাথ হাজৰিকা (সম্পা.), দৈনিক অসম, যোড়শ বছৰ, ১৬১ সংখ্যা, ১৮ জানুৱাৰী, ১৯৮০, পৃ. ১

২. দ্ৰষ্টব্য, 'শিল্পী দিৱস', উল্লিখিত

৩. কীৰ্তিনাথ হাজৰিকা (সম্পা.), দৈনিক অসম, অষ্টাদশ বছৰ, ১৪৭ সংখ্যা, ১৪ এপ্ৰিল, ১৯৮৩, পৃ. ৩

৪. দ্ৰষ্টব্য, 'কাইলৈ জাতীয় স্বাৰ্থ ৰক্ষা দিৱস', কীৰ্তিনাথ হাজৰিকা (সম্পা.), দৈনিক অসম, যোড়শ বছৰ, ৩১১ সংখ্যা, ২১ জুন, ১৯৮০, পৃ. ১

৫. দ্ৰষ্টব্য, ক) 'লাচিত দিৱসৰ কাৰ্যসূচী', কীৰ্তিনাথ হাজৰিকা (সম্পা.), দৈনিক অসম, সপ্তদশ বছৰ, ১০৭ সংখ্যা, ২৩ নৱেম্বৰ, ১৯৮০, পৃ. ১

খ) 'লাচিত দিৱস', কীৰ্তিনাথ হাজৰিকা (সম্পা.), দৈনিক অসম, সপ্তদশ বছৰ, ১০৯ সংখ্যা, ২৫ নৱেম্বৰ, ১৯৮০, পৃ. ১

৬. "বাঁহজানী-পকোৱা মৌজা সংগ্ৰাম পৰিষদ আৰু ছাত্ৰ সন্থাৰ উদ্যোগত পতা এখন সভাত শ্ৰীমতী অহল্য ডেকাক সভানেত্ৰী হিচাপে মনোনীত কৰি এখন মূলা বাহিনী গঠন কৰা হয়।" — 'মূলা-গাভৰু সন্থা গঠন', কীৰ্তিনাথ হাজৰিকা (সম্পা.), দৈনিক অসম, যোড়শ বছৰ, ২৯২ সংখ্যা, ২ জুন, ১৯৮০, পৃ. ১

৭. দ্ৰষ্টব্য, 'লাচিতৰ মূৰ্ত্তি কলৈ গ'ল ?', হোমেন বৰগোহাঞি (সম্পা.), সাদিনীয়া নাগৰিক, তৃতীয় বছৰ, ১২১ সংখ্যা, ২৪ এপ্ৰিল, ১৯৮০, পৃ. ৯

৮. দ্ৰষ্টব্য, 'চৰকাৰৰ মণিৰাম, পিয়লিৰ নাম লোৱাৰ অধিকাৰ নাই ঃ ছাত্ৰসন্থা', কীৰ্তিনাথ হাজৰিকা (সম্পা.), দৈনিক অসম, অষ্টাদশ বছৰ, ১০ সংখ্যা, ১৩ আগষ্ট, ১৯৮২, পৃ. ১

৯. দ্ৰষ্টব্য, চৈয়দ আফতাব আৰু প্ৰবীণ দেৱশৰ্মা, 'জ্যোতিপ্ৰসাদ আৰু বিষ্ণুপ্ৰসাদৰ সপোনৰ অসম', হোমেন বৰগোহাঞি (সম্পা.), সাদিনীয়া নাগৰিক, তৃতীয় বছৰ, ১১২ সংখ্যা, ৩১ জানুৱাৰী, ১৯৮০, পৃ. ৪, ৯, ১১

১০. দ্ৰষ্টব্য, খনিন দাস, 'জ্যোতিপ্ৰসাদ-বিষ্ণুপ্ৰসাদৰ উত্তৰসূৰী', হোমেন বৰগোহাঞি (সম্পা.), সাদিনীয়া নাগৰিক, তৃতীয় বছৰ, ১১৬ সংখ্যা, ২৮ ফেব্ৰুৱাৰী, ১৯৮০, পৃ. ৩, ৪, ১১, ১২

১১. দ্ৰষ্টব্য, হোমেন বৰগোহাঞি, 'ৰাভা-দিবস ঃ চৰকাৰী আৰু বে-চৰকাৰী', হোমেন বৰগোহাঞি (সম্পা.), সাদিনীয়া নাগৰিক, চতুৰ্থ বছৰ, ১৭৭ সংখ্যা, ২৫ জুন, ১৯৮১, পৃ. ১

১২. দ্ৰষ্টব্য, ফটিক হাজৰিকা, 'বিহু উৎসৱ আৰু অস্তিত্ব ৰক্ষাৰ চেতনা', তিলক হাজৰিকা (সম্পা.), অসমবাণী, ২৮শ বছৰ, ৩৮ সংখ্যা, ১৫ এপ্ৰিল, ১৯৮৩, পৃ. ১, ২৪

১৩. দ্ৰষ্টব্য, 'সংগ্ৰামৰ সংকল্প লৈ এইবেলি অসমে বিহু সামৰিলে', কীৰ্তিনাথ হাজৰিকা (সম্পা.), দৈনিক অসম, যোড়শ বছৰ, ২৪৫ সংখ্যা, ১৪ এপ্ৰিল, ১৯৮০, পৃ. ১

১৪. 'বিহুতলীত জাগ্ৰত জাতিৰ প্ৰাণ-স্পন্দনৰ ধ্বনি', কীৰ্তিনাথ হাজৰিকা (সম্পা.), দৈনিক অসম, সপ্তদশ বছৰ, ২৪০ সংখ্যা, ১৪ এপ্ৰিল, ১৯৮১, পৃ. ১

১৫. 'জাতীয় উৎসৱ বিহু ৰাজনৈতিক উৎসৱলৈ ৰূপান্তৰিত', কীৰ্তিনাথ হাজৰিকা (সম্পা.), দৈনিক অসম, বিংশতিতম বছৰ, ২২৯ সংখ্যা, ৬ এপ্ৰিল, ১৯৮৫, পৃ. ১

১৬. বিহুনামৰ নমুনা এনেকুৱা আছিল— "এ চম্পা ছাত্ৰসন্থা জিন্দাবাদ/এ চম্পা চি, পি, এম, মূৰ্দাবাদ/এ চম্পা এচ, এফ, আই, গৰুচোৰ/ এ চম্পা চি, পি, এম তিৰীচোৰ" — 'সময়ৰ চিন্তা ঃ বিহুক ৰক্ষা কৰক', হোমেন বৰগোহাঞি (সম্পা.), সাদিনীয়া নাগৰিক, চতুৰ্থ বছৰ, ১৭১ সংখ্যা, ৭ মে', ১৯৮১, পৃ. ৫

১৭. দ্ৰষ্টব্য, নিৰ্মলপ্ৰভা বৰদলৈ, 'অসমীয়া সংস্কৃতি কোন পথে?', কীৰ্তিনাথ হাজৰিকা (সম্পা.), দৈনিক অসম, বিংশতিতম বছৰ, ২৬০সংখ্যা, ৫ মে', ১৯৮৫, পৃ. ২

১৮. "যোৱা ডিচেম্বৰ মাহৰ মাজ ভাগত লক্ষীমপুৰ জিলাৰ গোগামুখত অনুষ্ঠিত সদৌ মিচিং ছাত্ৰ সন্থাৰ বিশেষ অধিবেশনত সৰ্বসন্মতিক্ৰমে অসমৰ "তথাকথিত" জাতীয় উৎসৱ বিহু মিচিংসকলে বৰ্জন কৰিব লাগে বুলি প্ৰস্তাৱ গ্ৰহণ কৰা হয়। যোৱা মাঘ বিহু জোনাই, চিলাপথাৰ আদি মিচিং অধ্যুষিত অঞ্চলত হেনো আংশিক ভাৱেহে উদ্‌যাপন কৰিছে। দুই, তিনি আৰু চাৰি জানুৱাৰীত অনুষ্ঠিত সদৌ মুৰ্কংচেলেক মিচিং ছাত্ৰ সন্থাৰ অধিবেশনত অসমৰ আটাইবোৰ জনজাতীয় ছাত্ৰ সংগঠনৰ নেতাৰ যোগদানো বিশেষ তাৎপৰ্য্যপূৰ্ণ। অৰ্থাৎ অন্যান্য জনজাতিবোৰেও অচিৰে বিহু বৰ্জন কৰিব পাৰে।" — লক্ষ্মীনাথ পাংগিং, 'জনজাতিবোৰ অসমীয়া হৈ নাথাকে', হোমেন বৰগোহাঞি (সম্পা.),সাদিনীয়া নাগৰিক, চতুৰ্থ বছৰ, ১৬৯ সংখ্যা, ২৩ এপ্ৰিল, ১৯৮১, পৃ.৩

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

১৯. দ্ৰষ্টব্য, বলীন বৰগোহাঞি, 'আধুনিকতাৰ নামত অপসংস্কৃতি কিয়?', হোমেন বৰগোহাঞি (সম্পা.), সাদিনীয়া নাগৰিক, পঞ্চম বছৰ, ২৭৩ সংখ্যা, ৩০ জুন, ১৯৮৩, পৃ. ৬

২০. দ্ৰষ্টব্য, নিবেদিতা শৰ্মা, 'আমাৰ সাজপাৰত আন্দোলনৰ প্ৰভাৱ', তিলক হাজৰিকা (সম্পা.), অসমবাণী, ২৮শ বছৰ, ৩১ সংখ্যা, ২৫ ফেব্ৰুৱাৰী, ১৯৮৩, পৃ. ৭

২১. দ্ৰষ্টব্য, 'জাতীয় পোছাক', কীৰ্তিনাথ হাজৰিকা (সম্পা.), দৈনিক অসম, অষ্টাদশ বছৰ, ৩৮ সংখ্যা, ১২ ছেপ্টেম্বৰ, ১৯৮২, পৃ. ২

২২. প্ৰফুল্ল কটকী, 'স্বাৱলম্বী হ'ম কেনেকৈ?', মুনীন্দ্ৰনাৰায়ণ দত্তবৰুৱা (সম্পা.), সাপ্তাহিক নীলাচল, ৫৯৩ সংখ্যা, ২০ আগষ্ট, ১৯৮০, পৃ. ৬

২৩. উল্লিখিত

২৪. দ্ৰষ্টব্য, কমলা কান্ত দাস, 'নতুন অসম গঢ়াৰ আঁচনি : এটি প্ৰাসংগিক চিন্তা', মুনীন্দ্ৰনাৰায়ণ দত্তবৰুৱা (সম্পা.), সাপ্তাহিক নীলাচল, ৫৯৩ সংখ্যা, ২০ আগষ্ট, ১৯৮০, পৃ. ৫

২৫. দ্ৰষ্টব্য, ক) 'অসমীয়া মানুহ বিবিধ শ্ৰমলৈ ওলাই আহিছে', সতীশ চন্দ্ৰ কাকতী (সম্পা.), অসমবাণী, ২৫শ বছৰ, ৩৫ সংখ্যা, ৭ মাৰ্চ, ১৯৮০, পৃ. ১

খ) 'স্বাৱলম্বী হোৱাৰ শিক্ষা', কীৰ্তিনাথ হাজৰিকা (সম্পা.), দৈনিক অসম, ষোড়শ বছৰ, ১১৬ সংখ্যা, ২৪ ফেব্ৰুৱাৰী, ১৯৮০, পৃ. ১

২৬. তোযেশ্বৰ তামুলী ফুকন, 'বাৰীৰ বাঁহডালত ধৰি থিয় দিয়ক', মুনীন্দ্ৰনাৰায়ণ দত্তবৰুৱা (সম্পা.), সাপ্তাহিক নীলাচল, ৫৯২ সংখ্যা, ১৩ আগষ্ট, ১৯৮০, পৃ. ৪

২৭. দ্ৰষ্টব্য, ক) বিশ্বজিৎ বৰুৱা, 'আন্দোলনৰ নেতৃত্ব অসমৰ ভৱিষ্যত আৰু মূৰ্খৰ স্বৰ্গ', কনকসেন ডেকা (সম্পা.), অগ্ৰদূত, পঞ্চদশ বছৰ, ৫০ সংখ্যা, ১৭ অক্টোবৰ, ১৯৮৪, পৃ. ৫

খ) পুলকেশ বৰুৱা, 'দীৰ্ঘম্যাদী আন্দোলন আৰু গঠনমূলক কাৰ্যসূচীৰ চিন্তা', কনকসেন ডেকা (সম্পা.), অগ্ৰদূত, পঞ্চদশ বছৰ, ৪৫ সংখ্যা, ১৯ ছেপ্টেম্বৰ, ১৯৮৪, পৃ. ৪

২৮. 'ৰণধ্বনি'ৰ কাৰ্যসূচীত গুৱাহাটীত ৫ লাখৰ অধিক লোকৰ যোগদান', কীৰ্তিনাথ হাজৰিকা (সম্পা.), দৈনিক অসম, ষোড়শ বছৰ, ২৫৮ সংখ্যা, ২৯ এপ্ৰিল, ১৯৮০, পৃ. ১

২৯. 'সাতামপুৰুষীয়া সম্প্ৰীতি ৰক্ষা কৰাত গুৰুত্ব', কীৰ্তিনাথ হাজৰিকা (সম্পা.), দৈনিক অসম, অষ্টাদশ বছৰ, ১৪১ সংখ্যা, ৮ এপ্ৰিল, ১৯৮৩, পৃ. ১

৩০. দিনেশ গোস্বামী, 'অসমৰ ঐক্য-সংহতিৰ বাবে সাংস্কৃতিক সমন্বয়ৰ প্ৰয়োজন', হোমেন বৰগোহাঞি (সম্পা.), সাদিনীয়া নাগৰিক, পঞ্চম বছৰ, ২৮১ সংখ্যা, ২৫ আগষ্ট, ১৯৮৩, পৃ. ৮

৩১. 'আবেগিক দৃষ্টিৰে নাচাই....', তিলক হাজৰিকা (সম্পা.), অসমবাণী, ২৯শ বছৰ, ৫ সংখ্যা, ১২ আগষ্ট, ১৯৮৩, পৃ.১১

❖ ❖ ❖

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

# পদ্মনাথ গোহাঞিবৰুৱাৰ বুৰঞ্জীমূলক নাটক 'সাধনী'ঃ এটি চমু অধ্যয়ন

✍ **ড° দেৱযানী বকলীয়াল**
সহকাৰী অধ্যাপক,
অসমীয়া বিভাগ, গড়গাঁও মহাবিদ্যালয়

**সাৰাংশঃ**

বুৰঞ্জীমুলক চৰিত্ৰ, ঘটনাদিক আধাৰ কৰি উপন্যাস, নাটক আদি সৃষ্টিশীল সাহিত্য ৰচনাৰ ক্ষেত্ৰত ঊনবিংশ শতিকাৰ অসমীয়া ভাষা-সাহিত্যৰ অন্যতম কাণ্ডাৰী পদ্মনাথ গোহাঞিবৰুৱাৰ বিশেষ মনোযোগ পৰিলক্ষিত হয়। ঐতিহাসিক, পৌৰাণিক আৰু ধেমেলীয়া বা প্ৰহসনমূলক মুঠ আঠখন নাটক ৰচনাৰে অসমীয়া নাট্য সাহিত্যৰ বুৰঞ্জীত বিশিষ্ট আসন দখল কৰি থকা তথা কেইবাখনো বুৰঞ্জী পুথিৰ ৰচয়িতা পদ্মনাথ গোহাঞিবৰুৱাৰ এখন উল্লেখযোগ্য বুৰঞ্জীমূলক নাটক হৈছে 'সাধনী'। সাধাৰণতে বুৰঞ্জীমূলক নাটকৰ উদ্দেশ্য হৈছে অতীতৰ শৌৰ্য-বীৰ্যৰ বিষয়ে আলোকপাত কৰা তথা বীৰত্বপূৰ্ণ দেশপ্ৰেমৰ কাহিনী বৰ্ণনা কৰা; যাৰ জৰিয়তে দৰ্শক-পাঠকৰ মনত সাহস, আত্মবিশ্বাস, জাতীয় চেতনা আদি জাগৰণৰ প্ৰয়াস কৰা হয়। এয়া জোনাকী যুগৰ ৰোমাণ্টিক সাহিত্যৰ অন্যতম বৈশিষ্ট্য। বুৰঞ্জীমূলক নাটক হিচাপে গোহাঞিবৰুৱাৰ 'সাধনী'য়ে অসমীয়া সাহিত্য জগতত গুৰুত্বপূৰ্ণ স্থান দখল কৰি আছে । অসম বুৰঞ্জীৰ বীৰাংগনা নাৰীসকলৰ ভিতৰত চুতীয়াসকলৰ সাধনী অন্যতম। গোহাঞিবৰুৱাৰ সৃষ্ট বুৰঞ্জীমূলক নাটক 'সাধনী' আৰু বিভিন্ন বুৰঞ্জী পুথিত বৰ্ণিত 'সাধনী'ক এই আলোচনাৰ পৰিসৰত সামৰি নাট্যকাৰৰ বুৰঞ্জীমূলক তথ্যৰ ব্যৱহাৰ, বুৰঞ্জীৰ চৰিত্ৰ, ঘটনাদিৰ নাট্যৰূপ প্ৰদানৰ উদ্দেশ্য, নাট্যকাৰৰ মৌলিকতা, নাটখনত প্ৰকাশিত জাতীয় চেতনা ইত্যাদি দিশসমূহ অধ্যয়নৰ প্ৰয়াস কৰা হৈছে। অধ্যয়নৰ পদ্ধতি হিচাপে ঐতিহাসিক, বিশ্লেষণাত্মক আৰু বৰ্ণনাত্মক পদ্ধতি গ্ৰহণ কৰা হৈছে। তথ্য আহৰণৰ উৎস হিচাপে বিভিন্ন গ্ৰন্থ আৰু প্ৰবন্ধ-পাতিৰ সহায় লোৱা হৈছে।

**বীজ শব্দ ঃ** পদ্মনাথ গোহাঞিবৰুৱা, বুৰঞ্জীমূলক নাটক, বিভিন্ন বুৰঞ্জী পুথি, সাধনী ইত্যাদি ।

**অৱতৰণিকাঃ**

ঊনবিংশ শতিকাৰ অসমীয়া ভাষা-সাহিত্যৰ উত্তৰণৰ অন্যতম কাণ্ডাৰী পদ্মনাথ গোহাঞিবৰুৱাই একাধাৰে সম্পাদক, কবি, নাট্যকাৰ, ঔপন্যাসিক, প্ৰবন্ধকাৰ, জীৱনী-আত্মজীৱনী লেখক, সমালোচক, বুৰঞ্জী লেখক ইত্যাদি ভূমিকাত অৱতীৰ্ণ হৈ এক বিশাল পৰিমাণৰ অৱদান আগবঢ়াই গৈছে। গোহাঞিবৰুৱাৰ সমসাময়িক অসমত উচ্চ শিক্ষাৰ কোনো প্ৰতিষ্ঠান নাছিল বাবে তেখেতৰ লগতে বহু অসমীয়া যুৱক

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

কলিকতালৈ অধ্যয়নৰ উদ্দেশ্যে গৈছিল। বিভিন্ন কাৰণত গোহাঞিবৰুৱাৰ উচ্চ শিক্ষা আধৰুৱা হৈ ৰ'ল যদিও বিভিন্ন বিষয়ক জ্ঞান-তথ্য অৰ্জন, পাশ্চাত্য সাহিত্য আৰু বাংলা সাহিত্য অধ্যয়নৰ সুযোগ, উচ্চশিক্ষাৰ উদ্দেশ্যে যোৱা অসমীয়া যুৱ সমাজৰ বৌদ্ধিক সংগ লাভ তথা তেওঁলোকে বিভিন্ন পদক্ষেপৰ জৰিয়তে কৰা ভাষিক-সাহিত্যিক জাগৰণৰ প্ৰয়াস আদিয়ে পদ্মনাথ গোহাঞিবৰুৱাক হাতত লেখনী তুলি ল'বলৈ অধিক উদগনি যোগায়। কহিমা হাইস্কুলৰ শিক্ষকৰূপে কৰ্মৰত অৱস্থাত তেওঁ অসমীয়া ভাষাত পাঠ্যপুথিৰ সমস্যা অনুভৱ কৰি ভূগোল, বুৰঞ্জী, নীতিশিক্ষা ইত্যাদি বিষয়ক কিছু পাঠ্যপুথি ৰচনা কৰি উলিয়ায়। পৰৱৰ্তী সময়ত তেজপুৰৰ নৰ্মাল স্কুল, তেজপুৰ হাইস্কুল, যোৰহাট গৱৰ্ণমেণ্ট হাইস্কুলত শিক্ষকতা কৰা গোহাঞিবৰুৱা অসম সাহিত্য সভাৰ প্ৰথম অধিৱেশনৰ সভাপতি আছিল। কেইবাখনো বুৰঞ্জী পুথিৰ ৰচয়িতা গোহাঞিবৰুৱাৰ ঐতিহাসিক উপন্যাস, ঐতিহাসিক নাটক ৰচনাত বিশেষ মনোযোগ পৰিলক্ষিত হয়।

গুৰুত্বপূৰ্ণ কথা যে বুৰঞ্জীমূলক নাটক হিচাপে গোহাঞিবৰুৱাৰ 'সাধনী'য়ে অসমীয়া সাহিত্য জগতত এক গুৰুত্বপূৰ্ণ স্থান দখল কৰি আছে।

**গোহাঞিবৰুৱাৰ 'সাধনী' আৰু বিভিন্ন বুৰঞ্জী পুথিৰ 'সাধনী'ঃ**

ঐতিহাসিক, পৌৰাণিক আৰু ধেমেলীয়া বা প্ৰহসনমূলক মুঠ আঠখন নাটক ৰচনাৰে অসমীয়া নাট্য সাহিত্যৰ বুৰঞ্জীত বিশিষ্ট আসন দখল কৰি থকা পদ্মনাথ গোহাঞিবৰুৱাৰ এখন উল্লেখযোগ্য ঐতিহাসিক নাটক হৈছে সাধনী। নাটখনৰ প্ৰকাশ কাল ১৯১১ চন। *গোহাঞিবৰুৱা ৰচনাৱলী*ৰ ভূমিকাত মহেশ্বৰ নেওগে কৈছে যে ১৯০১-১৯০৭ কালছোৱা গোহাঞিবৰুৱা বাণ-ষ্টেজৰ সম্পাদক আছিল। সেই সময়তে হেমচন্দ্ৰ গোস্বামী আৰু বৰুৱাৰ ওপৰত 'বাণ-ৰজা' নামে নাটক লেখাৰ ভাৰ দিয়া হৈছিল। কিন্তু গোস্বামী ঢুকোৱা সময়লৈকে কোনোজনে একো নকৰিলে, যদিও ইতিমধ্যে গোহাঞিবৰুৱাই 'গাঁওবুঢ়া' (১৮৯৭), 'জয়মতী' (১৯০০), 'গদাধৰ' (১৯০৭), 'টেটোন তামুলি' (১৯০৯), 'সাধনী' (১৯১১) নাটক লেখি ছপাই উলিয়াইছিল "অভিনয় কৰিবৰ উপযুক্ত অসমীয়া নাটকৰ অভাৱ গুচাবৰ উদ্দেশ্যে।"[১]

গোহাঞিবৰুৱাৰ লগতে সমসাময়িক নাট্যকাৰসকলৰ উদ্দেশ্যে আছিল মঞ্চ উপযোগী অসমীয়া নাটকৰ অভাৱ দূৰ কৰি আধুনিক অসমীয়া নাটকৰ ধাৰা শক্তিশালী আৰু সণ্চালনি কৰা, পাঠক-শ্ৰোতা-দৰ্শক তথা জনসাধাৰণৰ মনত স্বদেশ প্ৰেম, জাতীয় চেতনাৰ ভাৱ জগোৱা, সমাজৰ সংস্কাৰ সাধন কৰা ইত্যাদি। সাধাৰণতে বুৰঞ্জীমূলক নাটক ৰচনাৰ উদ্দেশ্য হৈছে অতীতৰ শৌৰ্য-বীৰ্যৰ বিষয়ে আলোকপাত তথা বীৰত্বপূৰ্ণ দেশপ্ৰেমৰ কাহিনী বৰ্ণনা কৰা; যাৰ জৰিয়তে দৰ্শক-পাঠকৰ মনত সাহস, আত্মবিশ্বাস, জাতীয়তাবোধ আদি জাগৰণৰ প্ৰয়াস কৰা হয়। এয়া জোনাকী যুগৰ ৰোমাণ্টিক সাহিত্যৰ অন্যতম বৈশিষ্ট্য।

অসম বুৰঞ্জীৰ বীৰাংগনা নাৰীসকলৰ ভিতৰত চুতীয়াসকলৰ সাধনী অন্যতম। সাধনী আছিল চুতীয়া ৰজা ধৰ্মধ্বজৰ জী আৰু চুতীয়াসকলৰ শেষৰজা নীতিপালৰ পত্নী। বিভিন্ন বুৰঞ্জীত সাধনী সম্পৰ্কীয় তথ্য তথা ঘটনাৱলীৰ কিছু কিছু বৈসাদৃশ্য পৰিলক্ষিত হয়। স্বদেশ-স্বজাতিৰ বাবে সাহসেৰে যুদ্ধক্ষেত্ৰত থিয় দিয়া সাধনী, নিজ প্ৰাণকো তুচ্ছ জ্ঞান কৰি, সতীত্ব ৰক্ষা তথা চুতীয়া জাতিৰ ৰাজলক্ষ্মীস্বৰূপ সম্পত্তি ৰক্ষাৰ বাবে আত্ম বলিদান দিয়া সাধনী ইত্যাদি ৰূপত এই নামটো বিভিন্ন বুৰঞ্জীৰ পাতত জিলিকি আছে।

মহীয়সী নাৰী সাধনীৰ বীৰত্ব, আত্ম বলিদানৰ গাথা বিভিন্ন মৌখিক আৰু লিখিত সাহিত্যৰ উপজীব্য হিচাপে ঠাই পোৱা দেখা যায়। তেনে এখন আধুনিক অসমীয়া নাটক হৈছে পদ্মনাথ গোহাঞিবৰুৱাৰ লেখনীপ্ৰসূত কৰুণ ৰসেৰে সিক্ত নাটক সাধনী। পাঁচটা অংক বিশিষ্ট নাটকখনৰ বিভিন্ন চৰিত্ৰ যেনে সাধনী, নীতিপাল, ধৰ্মধ্বজ, চুহুংমুং দিহিঙীয়া ৰজা, কনচেং বৰপাত্ৰগোঁহাই আদি চৰিত্ৰ নিৰ্মাণ কৰোঁতে তথা নাটকীয়ৰূপত কাহিনীটো আগবঢ়াই নিওঁতে বুৰঞ্জীমূলক কাহিনীটোৰ পৰা নাট্যকাৰ আঁতৰি অহা নাই বুলি ক'ব পাৰি।

*চুতীয়া জাতিৰ বুৰঞ্জী* অনুসৰি উজনি অসমৰ এক খণ্ডত চুতীয়াসকলে নিগাজীকৈ বসবাস কৰিছিল আৰু শদিয়াক কেন্দ্ৰ কৰি প্ৰাচীন কালতে এখন ৰাজ্য গঢ়ি তুলিছিল। তেওঁলোকৰ ৰাজনৈতিক অৱস্থিতি যোল্ল শতিকাৰ আগভাগলৈকে বৰ্তি আছিল। গোহাঞিবৰুৱাই সাধনী নাটকত উপস্থাপন কৰা কাহিনী অনুসৰি বহু বছৰ নিঃসন্তান হৈ জীৱন-যাপন কৰা চুতীয়াসকলৰ ৰজা ধৰ্মধ্বজে অনেক পূজা-সেৱা, যাগ-যজ্ঞ, সাধনাৰ বলত এটি কন্যা সন্তান সাধনীক লাভ

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

কৰে। নাটখনত সাধনীক ৰূপে-গুণে-জ্ঞানে অতুলনীয়, শিক্ষিতা, সৎ, সুচৰিত্রা, পিতৃৰ একান্ত বাধ্য, পতিপৰায়ণ, সুশৃংখলিত চিন্তা-মানসিকতাৰ অধিকাৰী, সাহসী নাৰী হিচাপে উপস্থাপন কৰা হৈছে। একমাত্র সন্তান সাধনীৰ বিবাহ-উপযুক্ত বয়সত ৰজাই দৰা বিচাৰি হাবাথুৰি খাবলগীয়া অৱস্থাৰ কথা নাটখনৰ প্ৰাৰম্ভতে পোৱা গৈছে এনেদৰে-

ধৰ্ম্ম।-কিনো কর্ম
সাধি সাধি সাধনীক পালোঁ,
সাধনীক থবলই ঠাই নেদেখিলোঁ।
লীলা।- ঠাই নাই।
থবলই সাধনী পোনাক ।
কিবা কোৱা প্ৰাণনাথ? বুজো কথাৰ পাক ।
ধৰ্ম্ম।- নাই ক'তো ঠাই
বিচাৰিলোঁ চউদিশে
কটকী পঠাই, যোগ্য পাত্র নাই ক'তো,
ৰূপে-গুণে জ্ঞানে সমনীয়া সাধনীৰ ।
সুশিক্ষিতা সুচৰিত্রা সাধনী-সমানে
ৰূপৱন্ত গুণৱন্ত শুদ্ধ চৰিত্ৰৰ
নাপাওঁ যদ্যপি এটি পুৰুষ-ৰতন,
পাত্র ক'ত, থওঁ মোৰ একেটি সন্তান।

স্বৰ্ণপীঠ, ৰত্নপীঠ, কামপীঠ, সৌমাৰ পীঠ সকলোতে সন্ধান কৰিও সুযোগ্য পাত্র নোপোৱাত অৱশেষত ৰজাই এটি উপায় বিচাৰি উলিয়ালে। এদিন পাল-শৰ দিয়া মৈদামত খোজ কাঢ়ি ফুৰোঁতে এটি কেৰ্কেটুৱাৰ অবাধ বিচৰণ দেখি তেওঁৰ মনত খং উপজে । ক্ষন্তেক পাছতে সাধনীৰ সয়ম্বৰৰ বাবে এয়া আগন্তুক চিন বুলি অনুভৱ কৰি ঘোষণা কৰে যে যিয়ে ৰাজ মৈদামত ঘূৰি ফুৰা সেই কেৰ্কেটুৱাটোক একে পাট শৰতে বধিব পাৰিব তেৱেঁই সাধনীৰ স্বামী হ'ব পাৰিব। এই সিদ্ধান্ত লোৱাৰ আঁৰৰ যুক্তি নাট্যকাৰে এনেদৰে আগবঢ়াইছে --

ধৰ্ম্ম।- ...গুণে-জ্ঞানে হীন যদি হয় সেইজন,
সাধনীৰ সঙ্গ-লাভে পূৰাব সি ক্ষতি,-
সুশিক্ষা, সুনীতি জ্ঞানে কৰিব মহান ।
আৰু যদি মৰ্যাদাত নোহে সমতুল,
অথবা অপাত্র জনে লভে সেই পণ,
প্ৰত্যবায়ে আহি তাৰ নাপাবহি মোক ।
বহু চিন্তা পাৰ হ'ল গুণ-মান লই ;
অপেক্ষা কৰিলোঁ বহু তাৰ অভাৱত ।
আৰু ভাবি চাব লগা কথা, মৰ্যাদাই
ভাগ্যগতি নোৱাৰে ৰোধিব ; পৰা নাই
গতিৰোধ কৰিব আদিতে, - চুটীয়াৰ
আদিগুৰি বীৰবলে যেবে লাভ কৰি
'কুবেৰ সম্পত্তি'-ঢাল, তৰোৱাল, ধন,
সোণৰ মেকুৰী-লভিলে ই ৰাজভোগ
ছুটিয়া ৰাজ্যৰ ; যদ্যপি দৰিদ্ৰ ল'ৰা
সামান্য ঘৰৰ ।

চুতীয়াসকলৰ আৰাধ্য দেৱতা হৈছে ধনৰ দেৱতা কুবেৰ। কুবেৰ প্ৰদত্ত খ্যাত সম্পত্তি তেওঁলোকৰ ৰাজলক্ষ্মীস্বৰূপ। নাট্যকাৰে এই দিশটো কেইবাবাৰো গুৰুত্বসহকাৰে বিভিন্ন চৰিত্ৰৰ সংলাপত উপস্থাপন কৰিছে। দেউকুবেৰৰ পূজা চুতীয়াসকলৰ বাদে উত্তৰ-পূৰ্বাঞ্চলৰ অন্য কোনো জনগোষ্ঠীয়ে কৰাৰ কথা জনা নাযায়।[২]

*দেওধাই অসম বুৰঞ্জী*ৰ 'চুটিয়াৰ জন্মকথা'ত বৰ্ণিত এটি আখ্যান অনুসৰি এই ৰাজ্যৰ আদি ৰজা বীৰপাল আৰু তেওঁৰ পত্নী ৰূপৱতী নিঃসন্তান আছিল। ৰূপৱতীয়ে পুত্ৰ লাভৰ কামনাৰে কুবেৰ দেৱতাক উপাসনা কৰিছিল। প্ৰাৰ্থনাত সন্তুষ্ট হৈ কুবেৰে বীৰবৰৰ বেশ ধৰি ৰূপৱতীৰ সৈতে মিলন কৰে আৰু বীৰবৰক সপোনত এই বিষয়ে জনাই কয় যে "মোৰ বীৰ্য্যে ৰূপৱতীৰ গৰ্ভত শুভক্ষণে পুত্ৰ উপজিব। সেয়ে ৰাজ্যত ৰজা হব। তোৰ সমস্তো সম্পত্তি হব। ৰূপৱতীকো তই নশপিবি, সন্তমে ৰাখিবি, তয়ো সন্তমে ৰবি। নতুন ঘৰ কৰি ৰূপৱতীক থবি। যি গছৰ তলত ফাগুনৰ কৃষ্ণ চতুৰ্দশীত দেওকৈ মোক উপাসা কৰ, কাইলৈ প্ৰাতহ কালে সেই গছৰ তললৈ যাবি, যি বস্তু পাৱ তাকে সেৱা কৰি থাকিবি। যি কালত অনাদৰ, পৰহস্ত হই, সেই কালত তোৰ পুত্ৰৰ ছত্ৰভঙ্গ হব, ৰাজ্যকো পৰে লব, দেশান্তৰী হব। গছৰ তলত পোৱা দ্ৰব্যেৰে মোৰ পুত্ৰে অনেকক যুধ কৰি মাৰি ৰজা হব।" সপোনত কুবেৰ দেৱতাই দিয়া নিৰ্দেশ অনুসৰি পিছদিনা পুৱা গছজোপাৰ তললৈ গৈ বীৰবৰে তাত এখন ঢাল-খৰ্গ এযোৱা, সেই ঢালৰ তলতে সুৱৰ্ণৰ বিড়ালী এটি পালে। এয়ে চুতীয়াসকলৰ কুবেৰ প্ৰদত্ত সম্পত্তি। যথাসময়ত ৰূপৱতীৰ এটি পুত্ৰ সন্তান গৌৰীনাৰায়ণৰ জন্ম হয়।[৩]

বিশ্বনাৰায়ণ শাস্ত্ৰীয়ে চুতীয়াসকলৰ টোটেম বা গোত্ৰ প্ৰতীক সোণৰ মেকুৰী আৰু কুবেৰৰ মাজত আন এটা সঙ্গতি


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

দেখা পাইছে। তেওঁ কৈছে যে কুবেৰৰ চকু তামবৰণীয়া বা সোণবৰণীয়া (পিঙ্গল বৰণৰ) বুলি পুৰাণত বৰ্ণনা কৰা হৈছে। এই বৈশিষ্টখিনি কুবেৰ প্ৰদত্ত চুতীয়াসকলৰ ৰাজলক্ষ্মীৰ এপদ সোণৰ মেকুৰীত প্ৰতিবিম্বিত হোৱা দেখা যায়। মেকুৰীৰ চকুও পিঙ্গল বৰণৰ।[৪]

নাট্যকাৰে ইতিমধ্যে ধনুৰ্বিদ্যা, জাপ- মৰা, খৰ-মৰা, সাঁতোৰা, গছত-উঠা, হিলৈ-মৰা, ঘোৰাত-উঠা, নাও-মৰা,- ইত্যাদিত পাকৈত বুলি ইংগিত দিয়া সাধাৰণ ল'ৰা নিতায়ে কেৰ্কেটুৱাটো মাৰি সয়ম্বৰত সাধনীক লাভ কৰে। জাত-পাত, ধনী-দুখীয়াৰ বৈষম্য আদি বিষয় তল পেলাই যোগ্যতা নিৰ্ধাৰণৰ ক্ষেত্ৰত কৰ্মদক্ষতাক গুৰুত্ব প্ৰদান তথা প্ৰতিজ্ঞা অনুসৰি বিনাদ্বিধাই তাক পালন কৰা চুতীয়া ৰজা ধৰ্ম্মধ্বজৰ এই সিদ্ধান্ত মন কৰিবলগীয়া। অৱশ্যে এই সিদ্ধান্ত সমালোচনাৰ উৰ্দ্ধত নহয়। কাৰণ সাধাৰণ পৰিয়ালৰ ল'ৰা নিতাইৰ ৰাজনৈতিক বিচক্ষণতাৰ অভাৱ চুতীয়া ৰাজ্য পতনৰ অন্যতম প্ৰধান কাৰণ হিচাপে বহু পণ্ডিতে মত পোষণ কৰিছে। পিতৃৰ একান্ত বাধ্য সাধনীয়ে সভাসদৰ বাধা, পৰামৰ্শ আওকান কৰি নিতাইক বৰমালা পিন্ধাইছে।

সাধনী।- ক্ষান্ত হম ।
ক্ষান্তৰ কাৰণ মই নেদেখো সমুলি ।
কি বুলি কুজন বোলো এনে সুজনক,
ৰাখিলে যি পুণ্যপণ পিতৃ-দেৱতাৰ,
ৰাখিলে ধৰ্ম সেই ধৰ্ম্মৰাজনৰ ।
ধনী হোক, দীন হোক, চণ্ডাল যদ্যপি,
কুৰূপৰ আৰ্হি আৰু অতি অভাজন
হয় যদি সেই জন, বৰিলোঁ তথাপি ।

নাটখনৰ কাহিনী অনুসৰি সাধনীৰ সৈতে বিবাহ সম্পন্ন হোৱাৰ পাছতে ধৰ্ম্মধ্বজে নিতাইক নীতিপাল নামেৰে চুতীয়াৰ ৰাজ সিংহাসন প্ৰদান কৰে। নাটকত উপস্থাপন কৰা সাধনীৰ জন্ম বৃতান্ত তথা বিবাহ কাহিনীৰ *দেওধাই অসম বুৰঞ্জীৰ* 'চুটিয়াৰ কথা'ৰ সৈতে একেই। কিন্তু বুৰঞ্জীখনৰ মতে মুংখ্ৰাম যুদ্ধৰ (দিহিংমুখ অঞ্চলৰ আহোম অধিকৃত মুংখ্ৰাম দুৰ্গ ১৫২০ খ্ৰীঃত চুতীয়া ৰজা ধৰ্ম্মধ্বজে চুতীয়া ৰাজ্যৰ অধীনলৈ আনে।) আগমুহূৰ্তত তেওঁৰ এটি পুত্ৰ সন্তান সাধক নাৰায়ণৰ জন্ম হয়। আনুমানিক ১৫২২ খ্ৰীঃৰ মাজভাগত নীতিপালে সিংহাসনত আৰোহণ কৰে। ধৰ্ম্মধ্বজে তিনি বছৰীয়া পুত্ৰ সাধক নাৰায়ণৰ দায়িত্বও নীতিপালৰ হাতত অৰ্পণ কৰি ৰাজমহিষী সৈতে বানপ্ৰস্থী হয়।

ধৰ্ম্ম।- চোৱা মন্ত্ৰী,
সভাসদ দৰ্শকমণ্ডলী ;
চোৱা আৰু দেৱগণ আকাশেদি জুমি,-
পিন্ধাওঁ মুকুট এই ছুটীয়া ৰাজৰ,
একেটি সন্তান মোৰ সাধনী-স্বামীক ।
দিওঁ আৰু ৰাজ-সাজ হৰিযে সলাই ;
পিন্ধোৱাএজনে উঠি সমাজ মাজত,
যথাবিধি সন্মান জনাই । আৰু দিওঁ,
'কুবেৰ প্ৰদত্ত ৰত্ন',-ঢাল, তৰোৱাল,
ধন আৰু সোণৰ মেকুৰী, ৰাজলক্ষ্মী
ছুটীয়া ৰাজৰ । দিছোঁ এৰি সিংহাসন
ছুটীয়া ৰাজ্যৰ ; আজি হন্তে ৰজা এওঁ
নীতিপাল নামে। মানিবা সবাৰে যেন,
কৰিবাঁ সন্মান ; ৰাখিবাঁ ভকতি আৰু
আমাৰ সমানে । লইছোঁ বিদায় এবে
আজি হত্তে আমি ; ধৰ্ম্মচৰ্চ্চা তপস্যাত
কটাম জীৱন, কুণ্ডিল কুণ্ডত গই।

সামান্য চুতীয়া ল'ৰা ৰজা হোৱাত ৰাজবংশৰ ৰাজপাট দাবীদাৰ কোঁৱৰসকল স্বাভাৱিকতে ক্ষুণ্ণ হৈ পৰে। ৰাজ্যৰ বিষয়বাব খোৱা সম্ভ্ৰান্ত বংশৰ বহু লোকেও ধীৰ নাৰায়ণৰ এই কাৰ্য সহজভাৱে গ্ৰহণ কৰা নাছিল। এই লোকসকলে নিত্যপালক সিংহাসনচ্যুত কৰিবলৈ ষড়যন্ত্ৰত নামিল। এই ষড়যন্ত্ৰৰ মূল নায়ক ধীৰনাৰায়ণ ৰজাৰ ভায়েক সুৰজিৎ পাল ওৰফে সূৰধ্বজপাল আছিল।[৫] এই ষড়যন্ত্ৰ সফল নহ'ল। নীতি পালে তেওঁৰ বিশ্বাসী চোৰাংচোৱাৰ পৰা সকলো কথা জানিব পাৰি ষড়যন্ত্ৰত লিপ্ত মন্ত্ৰী বিষয়াক ভাঙি নতুন মন্ত্ৰী বিষয়া নিয়োগ কৰে।[6] ৰাজত্বৰ প্ৰথম অৱস্থাত তেওঁ প্ৰজাবৎসল ৰজা হৈ পৰিছিল। প্ৰজাৰ হিতৰ অৰ্থে তেওঁ অনেক আলিবাট নিৰ্মাণ কৰিছিল আৰু বহুতো পুখুৰী খন্দাইছিল। ষড়যন্ত্ৰৰ পিছত তেওঁ কঠোৰ হৈ পৰে। আনকি ৰাণী সাধনীৰ পৰামৰ্শ অগ্ৰাহ্য কৰি ষড়যন্ত্ৰকাৰীসকলক কঠোৰ শাস্তি দিয়ে। পূৰ্বৰ সাধাৰণ বংশৰ লগৰীয়াসকলক ৰাজ্যৰ বিষয়-বাব দিবলৈ ধৰে আৰু ইয়াৰ ফলত সম্ভ্ৰান্ত বংশৰ লোকৰ বিশ্বাস আৰু আনুগত্য হেৰুৱাব লগা হয়। দেশৰ শাসন ব্যৱস্থা সোলোক-ঢোলোক হৈ পৰে। দোষ গুণৰ সুবিচাৰ নকৰি হকে-বিহকে প্ৰজাৰ ওপৰত উৎপীড়ন চলোৱাৰ বাবেই নীতিপাল প্ৰজাৰ মাজত অনীতিপাল বুলি


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

খ্যাত হৈ পৰে।[৭]

তদুপৰি নীতিপালৰ অদূৰদৰ্শীতা, বিভিন্ন ভুল নীতি, সিদ্ধান্ত যেনে- পূৰ্বৰ ৰাজবিষয়া সকলোকে আঁতৰ কৰি ৰাজকাৰ্যৰ জ্ঞানহীন নিজৰ লগৰীয়াবোৰক শাসন কাৰ্যৰ ভিতৰুৱা কৰি লোৱা, নিতাই নিজেও সাধাৰণ পৰিয়ালৰ হোৱা বাবে ৰাজনৈতিক বিচক্ষণতা তথা ৰাজকাৰ্য পৰিচালনাৰ জ্ঞানৰ অভাৱ, আমোদ-প্ৰমোদত অধিক গুৰুত্ব ইত্যাদি কাৰণবশতঃ একাংশ জনসাধাৰণৰ অপ্ৰিয়ভাজনত পৰিণত হয়। ৰাজ্যৰ এনে পৰিস্থিতিত সাধনীক ভূমিকা নাট্যকাৰে দেখুৱাবলৈ যত্ন কৰিছে। সাধনীয়ে পুৰণি ৰাজবিষয়াক আঁতৰাই নতুন ৰাজ বিষয়া নিযুক্তি যে ৰজাৰ ভুল সিদ্ধান্ত সেই বিষয়ে সচেতন কৰি দিছিল যদিও নীতিপালে গুৰুত্ব নিদিলে। তদুপৰি আমোদ -প্ৰমোদত খুব গৈ থকা নীতিপালৰ ৰজাৰ প্ৰধান কৰ্তব্য সম্পৰ্কেও সাধনীয়ে সোঁৱৰাই দিছে।

চুতীয়াসকলৰ ৰাজধানী শদিয়া বেপাৰ-বাণিজ্যৰ ক্ষেত্ৰত আগবঢ়া আছিল বুলি বহু বুৰঞ্জীবিদে উল্লেখ কৰি গৈছে। নাৰেৰে বাণিজ্য কৰা লোকক মুদৈ বোলে। চুতীয়াসকলৰ মাজত মুদৈ, বৰমুদৈ আদি উপাধিৰ লোকৰ স্থিতিয়ে এসময়ত নাৰেৰে বাণিজ্য চলোৱাৰ কথা ধাৰণা কৰিব পাৰি। নাটখনৰ মতে নতুন বিষয়া নালীয়াৰ পৰামৰ্শ অনুসৰি বেহা-বেপাৰৰ বৃদ্ধিৰে ৰাজ্যৰ সমৃদ্ধি আনিবলৈ বিনা অনুমতিত সৈন্যবাহিনীসহ আহোম ৰাজ্যত প্ৰৱেশ কৰি নিজ ৰাজ্যখনলৈ বিপদ চপাই আনে। এজন বিষয়াই নোসোধা-নেমেলাকৈ লোকৰ ৰাজ্যলৈ যোৱা উচিত হ'ব জানো বুলি সোধা প্ৰশ্নৰ উত্তৰত নালীয়াই কৈছে - "ইটো কথাও সুধিব লাগিছেনে? মহাৰাজ, আমাৰ কিবা ৰণ দিবলৈ যাবনে? এনে কামত সোধা-পোছা লগালে লোকে পাতলহে বুলিব ।"

দিখৌমুখত চুতীয়া সৈন্যবাহিনীৰ বিনা অনুমতিত অনাধিকাৰ প্ৰৱেশ দেখি আহোম সেনাপতি কনচেং বৰপাত্ৰগোঁহাই ৰণত লিপ্ত হয় আৰু চুতীয়া সেনাপতিক বন্দী কৰে। এইখিনিতে উল্লেখযোগ্য যে আহোম সেনাপতি কনচেং বৰপাত্ৰগোঁহাইৰ সংলাপৰ জৰিয়তে চুতীয়া সেনাপতিৰ ৰণশৈলীৰ প্ৰশংসাই চুতীয়াসকলৰ ৰণকৌশল, শক্তি-সামৰ্থ্যৰ পৰিচয় দিবলৈ নাট্যকাৰে যত্ন কৰিছে।

কনচেং। - লভিলোঁ এফেৰি তৃপ্তি
যুঁজি এই বীৰবাহু স'তে। ধন্য তুমি,
ধন্য তৱ পৰাক্ৰম যুজিলোঁ বিস্তৰ,
কোচ, খেন, কছাৰিৰ সেনাপতি সতে,
পৰা নাই ঠাৰৰিব কেৱে অতপৰ
সন্মুখ সংগ্ৰাম পাতি মোৰ সমীপত।
স্বৰ্ণ, ৰত্ন, কামপীঠ দিক্-বিজয়ত
পোৱা নাই লগ এনে লৰোঁতা এজন,
পোৱা নাই তৃপ্তি মোৰ সমৰ-তৃষ্ণাই ;
পূৰালে আজিহে সাধ ছুটীয়া ৰজাই
পঠিয়াই ৰণবেশে নিজ উদ্দেশ্যত
এনে সেনাপতি।

নাটখনত কনচেং বৰপাত্ৰগোঁহায়ে "নীতিপাল অনীতিৰ পূৰ্ণ অৱতাৰ বুলি" চুহুংমুঙ দিহিঙ্গীয়া ৰজাক কাণ চোৱাই এই সুযোগতে চুতীয়া ৰাজ্য আক্ৰমণ কৰি অধিকাৰ কৰাৰ বিষয়ে পৰামৰ্শ দিয়ে। চুতীয়া ৰাজ্যৰ দুৰৱস্থাৰ কথা জানিব পাৰি পূৰ্বৰ আক্ৰমণৰ কথা সুঁৱৰি দিহিঙ্গীয়া ৰজাই চুতীয়া ৰাজ্য আক্ৰমণ কৰিবলৈ স্থিৰ কৰে। বিভিন্ন বুৰঞ্জীত এই ৰণৰ মূল পুৰোধা হিচাপে ফ্ৰাচেংমুং বৰগোহাঁইৰ কথা উল্লেখ কৰিছে। ১৫২৩ খ্ৰীঃৰ শেষৰ ফালে আহোম ৰজাই চুতীয়াৰ চেঁচামুখ দুৰ্গ আক্ৰমণ কৰে। নাৰেৰে হোৱা এই যুদ্ধত চুতীয়া সৈন্যবাহিনী তিস্থিব নোৱাৰি পিছ হুঁহকি যাবলৈ বাধ্য হয় আৰু চেঁচামুখৰ দুৰ্গ আহোমৰ অধীনলৈ যায়।[৮] পৰৱৰ্তী সময়তো বাৰে বাৰে পৰাজিত হৈ শদিয়ালৈ পিছ হুঁহকি আহিব লগা হোৱাত চুতীয়া ৰজা নীতিপাল ভীতিগ্ৰস্থ হৈ পৰে। উপায়হীন হৈ নীতিপালে তেতিয়া বাৰ্ষিক কৰ শোধাই কৰতলীয়া হৈ থকাৰ প্ৰতিশ্ৰুতি দি চুহুংমুঙৰ ওচৰলৈ কটকী পঠাই সন্ধিৰ প্ৰস্তাৱ দিয়ে। এই প্ৰস্তাৱৰ লগত আহোম স্বৰ্গদেৱলৈ এখন সোণৰ পীৰা, এখন নিমজ কাঠৰ পীৰা আৰু কম্বল আৰু ফ্ৰাচেংমুং বৰগোহাঁই আৰু ক্লিংলুং ৰাজমন্ত্ৰীলৈ একো একোখনকৈ সোণৰ পীৰা আৰু কম্বল উপহাৰ হিচাপে পঠায়।[৯] আহোম স্বৰ্গদেৱে এই সন্ধিৰ চৰ্ত হিচাপে চুতীয়া ৰজাৰ পৰা কুবেৰদত্ত সকলো সম্পত্তি, বৰকুঁৱৰী, এজনী মাখুন্দী আৰু দহটা হাতীৰ লগতে অন্যান্য বহুতো বহুমূলীয়া উপহাৰ দাবী কৰে। সাধনী নাটখনতো এই বিষয়ে উপস্থাপন কৰা হৈছে। চুহুংমুং দিহিঙ্গীয়া ৰজাই চৰ্ত বান্ধি দিয়ে এনেদৰে -"বিনা-ৰণে কৰে যদি সমৰ্পণ ৰাজ্য-ধন-জন, নাৰাখিবা হেতু তাত, মিত্ৰ-ৰাজনৰ ।অথবা, বিষম দাবী কৰিবা ঘোষণা;- সাধনী ৰাণীৰ স'তে 'কুবেৰ সম্পত্তি', লাগিব সঁপিব, লাগে যদি অধিকাৰ কৰদ ৰাজ্যৰ। এয়ে সাৰ উপদেশ।" ফলত এই সংঘৰ্ষৰ ওৰ নপৰে। *দেওধাই অসম বুৰঞ্জী* অনুসৰি শেষ


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

পৰ্যায়ত চুতীয়া ৰজা নীতিপালে এক মুষ্টিমেয় সৈন্যবাহিনী আৰু কুঁৱৰীসকলক লৈ ভিতৰুৱা চন্দনগিৰি পৰ্বতত আশ্ৰয় লয়। ইয়াতো আহোম সেনাই আক্ৰমণ কৰি চুতীয়া-ৰাজ পতন কৰে।

সাধনী নাটখনতো নাট্যকাৰে দেখুৱাইছে যে নীতিপালে ৰাজধানী এৰি সাধনীৰ সৈতে চন্দনগিৰিত আত্মগোপন কৰে। কনচেং বৰপাত্ৰগোঁহাই, মন্ত্ৰী আৰু নালীয়াই আহোম ৰজাৰ চৰ্তাৱলী লৈ নীতিপালক সাক্ষাৎ কৰে। চৰ্ত শুনি নীতিপালে প্ৰদান কৰা বীৰোচিত উত্তৰে চৰিত্ৰটোৰ পূৰ্বৰ ভুল নীতি, দুৰ্বলতা আদি ঢাকি পেলাবলৈ সক্ষম হৈছে।

নীতি।-তদ্ৰূপ প্ৰতিজ্ঞা মোৰ ;
যদি কুণ্ডিল উভতি বয়,
সাধনীক সমৰ্পণ সম্ভৱ নহয় ।
আৰু সেই কুবেৰৰ প্ৰদত্ত সম্পত্তি
নসপিম আছে মানে, আহোম ৰজাক । শেষ সমিধান ।

নীতিপাল আৰু সাধনীৰ মৃত্যু সম্পৰ্কত ভিন্ন বুৰঞ্জীয়ে ভিন্ন মত দাঙি ধৰিছে। *দেওধাই অসম বুৰঞ্জীত* লিপিবদ্ধ থকা মতে জাংমুংখেনে চুটিয়া ৰজাক যাঠীয়েৰে খুচি মাৰিলে। শটো জুৰিলৈ বগৰাই পেলালে । পাচে জাংমুংখেনে চুটিয়া ৰজাৰ বাপেক পুতেকৰ মূৰ কাটি আনি ডাঙৰীয়া সকলৰ ঠাইত দিলেহি আৰু চুটিয়া ৰজাৰ বৰকুঁৱৰীৰ মূৰকাটি আনি আইখাংখুনে দিলেহি। এইখন বুৰঞ্জীতে সন্নিবিষ্ট *বাঁহগৰীয়া বুঢ়াগোহাঁইৰ বুৰঞ্জী*ৰ মতে চুংডাঙৰ চেওচঙ্গ শইকীয়া যাঠী মাৰি মুণ্ড (নীতিপালৰ) কাটি ললে। জংমুঙ্গে হাতীবৰুৱা, বৰকুঁৱৰীৰো মুণ্ড কাটি লৈ পুতেকৰো লৈ ডাঙ্গৰীয়াবোৰক দেখালেনি।[১০] *দেওধাই অসম বুৰঞ্জী*তে সন্নিবিষ্ট 'চুটিয়াৰ কথা'ত ৰজাই বোলে মোক পাচ ভেটি সৈন্য পালেহি । অদ্ভুত শ্ৰুতিহত হৈ সাধনী মহিষীক হাতত ধৰি পৰ্বতৰ শৃঙ্গৰ পৰা ডেও মাৰি জুৰিত পৰি মৰিল। ফ্ৰাচেংমুন বৰগোহাঁইয়ে ৰজাৰ হাড়-মূৰ বিচৰাই নেপালে বুলি কৈছে।[১১] গেইটৰ মতে শত্ৰুৰ হাতত পৰাতকৈ মৃত্যুৰেই শ্ৰেয় ভাবি এপাত যাঠীৰে খুচি সাধনী ৰাণীয়ে দেহত্যাগ কৰে। কাড়বিদ্ধ হৈ ৰজাৰ মৃত্যু হয়।[১২] পদ্মনাথ গোহাঞিবৰুৱাৰ *অসমৰ বুৰঞ্জীত* ... তাতে তেওঁক (ৰজাক) আৰু নগৰত -মন্ত্ৰীক বধ কৰি চুটিয়া ৰাজ্য দখল কৰে। সেই আপাহতে সাধনী ৰাণীয়ে কুবেৰদত্ত সম্পত্তি বুকত বান্ধি লৈ চন্দনগিৰিৰ টিঙৰ পৰা তলৰ কুণ্ডলৈ জাঁপ দি তনুত্যাগ কৰে বুলি আছে।[১৩] গোপীনাথ বৰদলৈৰ চুতীয়া বুৰঞ্জীত উল্লেখ থকামতে কনচেং সেনাপতিয়ে সাধনীক ধৰি আনিব খোজাত তেওঁ কুবেৰদত্ত সম্পত্তি বুকুত বান্ধি টিঙত উঠি জাপ দি প্ৰাণ বিসৰ্জন দিলে।[১৪]

*চুতীয়া জাতিৰ বুৰঞ্জীত* এইদৰে মত আগবঢ়াইছে যে সাধনীয়ে যুদ্ধ ক্ষেত্ৰত অৱতীৰ্ণ হৈ দেশৰ হকে প্ৰাণ বিসৰ্জন দিয়া কথাটো কোনেও অস্বীকাৰ কৰা নাই। দিহিঙীয়া ৰজাই সন্ধিৰ চৰ্তত সাধনীক বিচৰা কথাটোৰে যুদ্ধক্ষেত্ৰত সেনাপতিয়ে সাধনীৰ মূৰ কাটি বা যাঠীৰে খুচি বা কঁকাল কাটি বধ কৰাটো বিশ্বাসযোগ্য নহয় বুলি বোধ জন্মায়। আহোমৰ কোনো এজন সেনাপতিয়ে ৰাণী সাধনীক বন্দী কৰিবৰ বাবে চেষ্টা কৰাত বন্দীত্বতকৈ মৃত্যুৰেই শ্ৰেয় বুলি গণ্য কৰি ৰাণীয়ে প্ৰাণ বিসৰ্জন দিছিল বুলি ধাৰণা কৰিব পাৰি। এই প্ৰাণত্যাগ নিজহাতে যাঠীৰে খুচিয়েই হওক অথবা তলৰ কুণ্ডলৈ জাপ দিয়েই হওক দেশৰ স্বাধীনতা ৰক্ষাৰ অৰ্থে যুদ্ধক্ষেত্ৰত অৱতীৰ্ণ হৈহে কৰিব লগা হৈছিল।[১৫]

নাটকৰ কাহিনী অনুসৰি অৱশেষত আহোমৰ সেনাপতি কনচেং বৰপাত্ৰগোঁহাইৰ হাতত নীতিপালে মৃত্যুবৰণ কৰে। সাধনীয়ে নিজৰ সতীত্ব ৰক্ষাৰ লগতে চুতীয়াৰ ৰাজ লক্ষ্মী কুবেৰ প্ৰদত্ত সম্পত্তি লৈ চন্দনগিৰিৰ পৰা কুণ্ডত জঁপিয়াই আত্মহত্যা কৰে। সাধনীৰ দৰে সৎ সাহসী চৰিত্ৰৰ আত্মত্যাগে চৰিত্ৰটো জনমানসত উজলাই তুলিছে। কৰুণ অথচ বীৰ ৰসেৰে সিক্ত সাধনীৰ শেষ সংলাপ জাতীয় চেতনা জগাই তুলিব পৰাকৈ হৃদয়স্পৰ্শী। উল্লেখ্য যে সাধনীৰ সতী সত্তাটোত নাট্যকাৰে অধিক গুৰুত্ব প্ৰদান কৰা দেখা গৈছে।

সাধনী।-ক্ষান্ত হোৱা ।
অন্ধ তুমি, নাহিবা উধাই ;
সাধ্য নাই পাবলই স্পৰ্শ এই তনু।
দেখা নাই জনমত সতীৰ মহিমা ;
সিহেতু সাহিছা এনে উন্মাদৰ প্ৰায়।
হ'ব জন্ম মহাসতী ৰাজ্যত তোমাৰ,
আশীৰ্ব্বাদ লোৱা এই, মূল্য শত্ৰুতাৰ।
আৰু মোত কথা নাই। লোৱাঁ চাই-বুজি
মায়া-লগা ৰাজ্যধন ; ললে। মাথো মই
চুটিয়াৰ ৰাজলক্ষ্মী, 'কুবেৰ-সম্পত্তি'।
মুগ্ধ নৰ, চাই লোৱা, চাই লোৱা আজি,
কিৰূপে সতীয়ে কৰে বৈকুণ্ঠ প্ৰয়াণ।


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

**উপসংহাৰ ঃ**

অসমীয়া নাৰীৰ বিচক্ষণতা, সাহস, ত্যাগ আদিৰ নিদৰ্শন বীৰাঙ্গনা নাৰী সাধনী আজিও অসমীয়াৰ প্ৰাণে প্ৰাণে জীয়াই আছে। ঠিক সেইদৰে মহীয়সী নাৰী সাধনীৰ বীৰত্ব, আত্ম বলিদানৰ গৌৰৱময় করুণ গাথাৰে সিক্ত পদ্মনাথ গোহাঞিবৰুৱাৰ *সাধনী*নাটখনেও অসমীয়া সাহিত্যৰ বুৰঞ্জীত এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে।

নাটকখনৰ সাধনী, নীতিপাল, ধৰ্মধ্বজ, চুহুংমুং দিহিঙ্গীয়া ৰজা, কনচেং বৰপাত্ৰগোঁহাই আদি চৰিত্ৰ নিৰ্মাণ কৰোঁতে তথা নাটকীয়ৰূপত কাহিনীটো আগবঢ়াই নিওঁতে বুৰঞ্জীমূলক কাহিনীটোৰ পৰা নাট্যকাৰ আঁতৰি অহা নাই বুলি ক'ব পাৰি। অৱশ্যে নালীয়া, লীলাৱতী,শান্তি আদি চৰিত্ৰসমূহে গোহাঞিবৰুৱাৰ মৌলিকতাৰ পৰিচয় দিছে। তদুপৰি ধৰ্ম্মধ্বজ আৰু লীলাৱতী, নীতিপাল আৰু ৰাণী সাধনী আদি কথোপকথনত কাব্যিক প্ৰয়োগ তথা বিভিন্ন চৰিত্ৰৰ সংলাপত অমিত্ৰাক্ষৰ ছন্দৰ প্ৰয়োগ, আলংকৰিক ভাষাৰ প্ৰয়োগ, জতুৱা ঠাঁচ-খণ্ডবাক্যাদিৰ ব্যৱহাৰ, চৰিত্ৰ অনুযায়ী সংলাপৰ বৈচিত্ৰ্য, স্বগতোক্তি, ঠায়ে ঠায়ে ছটাকৈ গীতৰ প্ৰয়োগ আদি নাটকখনৰ উল্লেখযোগ্য দিশ।

স্বাধীনতাপূৰ্ব অসমৰ সামাজিক-ৰাজনৈতিক প্ৰেক্ষাপটত অসমৰ জনসাধাৰণৰ মাজত স্বদেশপ্ৰেম আৰু জাতীয়তাবাদী ভাবধাৰা জগাই তুলিবলৈ এইধৰণৰ নাটকে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। নাটকখনৰ জৰিয়তে নিজ প্ৰাণকো তুচ্ছ জ্ঞান কৰি, সতীত্ব ৰক্ষা তথা চুতীয়া জাতিৰ ৰাজলক্ষ্মীস্বৰূপ সম্পত্তি ৰক্ষাৰ বাবে আত্ম বলিদান দিয়া বুৰঞ্জীৰ পাতত জিলিকি থকা 'সাধনী'ৰ বিষয়ে জনাৰ সুযোগ পোৱাৰ লগতে সমসাময়িক সামাজিক-সাংস্কৃতিক, ৰাজনৈতিক প্ৰেক্ষাপট, মানুহৰ চিন্তা-মানসিকতাৰো পৰিচয় পাব পাৰি। সেয়ে ভাষিক-সাহিত্যিক, সামাজিক-সাংস্কৃতিক, ঐতিহাসিক দৃষ্টিভংগীৰে গোহাঞিবৰুৱাৰ লেখনীপ্ৰসূত *সাধনী* এক গুৰুত্বপূৰ্ণ নাট্যকৃতি বুলি ক'ব পাৰি।

**প্ৰসংগ সূত্ৰ ঃ**

১. মহেশ্বৰ নেওগ, 'ভূমিকা', *গোহাঞিবৰুৱা ৰচনাৱলী*, পৃঃ.১২

২. স্বৰ্ণলতা বৰুৱা, (মুখ্য সম্পা.) আৰু ডম্বৰুধৰ নাথ (সম্পা.), *চুতীয়া জাতিৰ বুৰঞ্জী*, পৃঃ ৩৭

৩. সূৰ্যকুমাৰ ভূঞা, *দেওধাই অসম বুৰঞ্জী*, পৃঃ ৪৭৩

৪. বিশ্বানাৰায়ণ শাস্ত্ৰী, 'চুতীয়া জাতি আৰু শক্তিৰ উপাসনা', স্মৃতিগ্ৰন্থ, চুতীয়া ৰাণী বীৰাঙ্গনা সতী সাধনীৰ স্মৃতি চাৰণ, গুৱাহাটী, ১৯৯০,

পৃঃ 9, উদ্ধৃত, *চুতীয়া জাতিৰ বুৰঞ্জী*, পৃঃ ১০৪

৫. গোপীনাথ বৰদলৈ, *চুতীয়া বুৰঞ্জী*, পৃঃ ৬১-৬২, উদ্ধৃত, *চুতীয়া জাতিৰ বুৰঞ্জী*, পৃঃ ১৩২

৬. উল্লিখিত

৭. স্বৰ্ণলতা বৰুৱা, (মুখ্য সম্পা.) আৰু ডম্বৰুধৰ নাথ (সম্পা.), উল্লিখিত, পৃঃ ১৩৩

৮. Gait , Edward, *A history of Assam* , p.87

৯. *আহোম বুৰঞ্জী*,পৃঃ 55, উদ্ধৃত, *চুতীয়া জাতিৰ বুৰঞ্জী*, পৃঃ ১৩৪

১০. সূৰ্যকুমাৰ ভূঞা, উল্লিখিত, পৃঃ ১৯, উদ্ধৃত, *চুতীয়া জাতিৰ বুৰঞ্জী*, পৃঃ ১৩৬

১১. উল্লিখিত, পৃঃ ২০০, উদ্ধৃত, *চুতীয়া জাতিৰ বুৰঞ্জী*, পৃঃ ১৩৬

১২. পৃঃ ৮৮, উদ্ধৃত, *চুতীয়া জাতিৰ বুৰঞ্জী*, পৃঃ ১৩৭

১৩.Âপৃঃ ৪০, উদ্ধৃত, *চুতীয়া জাতিৰ বুৰঞ্জী*, পৃঃ ১৩৭

১৪. পৃঃ ৬৬, উদ্ধৃত, *চুতীয়া জাতিৰ বুৰঞ্জী*, পৃঃ ১৩৭

১৫.স্বৰ্ণলতা বৰুৱা, (মুখ্য সম্পা.) আৰু ডম্বৰুধৰ নাথ (সম্পা.), উল্লিখিত,পৃঃ ১৩৭

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১. গোহাঞিবৰুৱা, পদ্মনাথ (২০০৮). *সাধনী*, *গোহাঞিবৰুৱা ৰচনাৱলী* প্ৰকাশক- ৰফিকুজ জাৰ্মান, সচিব, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী।

২. বৰুৱা, স্বৰ্ণলতা (মুখ্য সম্পা.) আৰু ডম্বৰুধৰ নাথ (সম্পা.) (২০০৭). *চুতীয়া জাতিৰ বুৰঞ্জী*, চুতীয়া জাতিৰ বুৰঞ্জী প্ৰণয়ন সমিতি, প্ৰথম প্ৰকাশ।

৩. ভূঞা, সূৰ্যকুমাৰ (২০০১). *দেওধাই অসম বুৰঞ্জী*, বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ।

৪. শইকীয়া, পূৰেন্দ্ৰ প্ৰসাদ (২০১১). *চুতীয়াৰ ইতিহাস আৰু সংস্কৃতি*, কিৰণ প্ৰকাশন, ডিচেম্বৰ।

৫. Gait, Edward (1981). *A history of Assam* , Re-print, Gauhati.

❖ ❖ ❖

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

# জনগোষ্ঠীয় কবি মুবীন ৰাভাৰ ‘ক্ৰৌমুচী’ঃ এটি বিহংগম দৃষ্টিভংগী

✍ ড° পুণ্য লতা গোহাঁই
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়, পুৰণিগুদাম

**সাৰাংশ ঃ**

বৃহত্তৰ অসমৰ ভাষা-সাহিত্য-সংস্কৃতি ৰক্ষাৰ দিশত অসমৰ জনগোষ্ঠীসকলৰ ভূমিকা গুৰুত্বপূৰ্ণ। কাৰণ অসম এখন ভিন্ন ভাষা-ভাষী লৌকৰ বসতিপ্ৰধান অঞ্চল। অসমৰ সৰ্বাঙ্গীন দিশত জনগোষ্ঠীয় অৱদানেই অধিক ঠাই আগুৰি আছে। অসমৰ প্ৰত্যেক জাতি-জনগোষ্ঠীৰেই নিজস্ব ভাষা-সাহিত্য আছে। কিন্তু বহু জনগোষ্ঠীয় লেখকে নিজস্ব ভাষাত সাহিত্য চৰ্চা কৰাৰ বিপৰীতে অসমীয়া ভাষাক মাধ্যম হিচাপে লৈ সাহিচ্য চৰ্চা কৰি আহিছে। এই ক্ষেত্ৰত অৰুণাচলী লেখক লুম্মে দাই, য়েছে দৰজে ঠংচি, কাৰ্বি লেখক ৰংবং তেৰাং, ৰাভা জনগোষ্ঠীৰ লেখক উপেন ৰাভা হাকাচাম, মুবিন ৰাভা, চাহ জনগোষ্ঠীৰ লেখক সনন্ত তাঁতী, জীৱন নৰহ, সমীৰ তাঁতী, সুশীল কুৰ্মী, কমল কুমাৰ তাঁতীকে উল্লেখ কৰি বহু খ্যাত-অখ্যাত-স্বল্পখ্যাত জনগোষ্ঠীয় লেখকে সাহিত্য চৰ্চা কৰি আছে। এইসকল লেখকে সাহিত্যৰ বিভিন্ন শিতান যেনে— কবিতা, চুটিগল্প, নাটক, উপন্যাস, প্ৰবন্ধ আদি সৃষ্টিৰে অসমীয়া সাহিত্যক সমৃদ্ধ কৰিছে। কিন্তু লক্ষণীয় কথা যে, তেওঁলোকৰ সাহিত্যৰ বিষয়ে বহু সময়ত চৰ্চিত নোহোৱাকৈ ৰৈ যায়। তাৰ ভিতৰত অসমীয়া ভাষাত কাব্য চৰ্চা কৰা এজন জনগোষ্ঠীয় কবি হ'ল মুবীন ৰাভা । ইতিমধ্যে তেওঁৰ তিনিখনকৈ কবিতা পুথি প্ৰকাশ পাইছে। কিন্তু তেওঁৰ কোনো এখন কাব্যগ্ৰন্থৰেই আজিলৈ চৰ্চা নোহোৱাকৈ থকাতো পৰিতাপৰে কথা। সেয়েহে তেওঁৰ সাহিত্য কৰ্মৰ বিষয়ে আলোচনা কৰা সম্প্ৰতি এটা প্ৰয়োজনীয় বিষয়।
**বীজশব্দ ঃ** পৰিচয়, বিশেষত্ব, বিষয়বস্তু আৰু ক্ৰৌমুচী।

**পৰিসৰ ঃ**

মুবিন ৰাভাই তিনিখনকৈ কবিতাপুথি ৰচনা কৰিছে। ক্ষুদ্ৰ পৰিসৰৰ অধ্যয়নত সকলোবোৰ কাব্যগ্ৰন্থ সামৰি আলোচনা কৰা সম্ভৱ নহয়। সেয়েহে আলোচনাৰ বিস্তৃতিলৈ লক্ষ্য কৰি ৰাভাৰ কেৱল ‘ক্ৰৌমুচী’ কাব্যগ্ৰন্থৰ অসমীয়া ভাষাৰ কবিতাসমূহকহে আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে। ‘ক্ৰৌমুচী’ সংকলনটিত অন্তৰ্ভুক্ত অসমীয়া কবিতাসমূহ হ'ল ক্ৰমে— নিৰ্মাণ, ধুনীয়াক লৈ কবিতা নিলিখোঁ, ঠিকনা, সময়, খোজ, ঘৰ, কেতিয়াবা তুমি এবাৰ, গছজোপা, ৰং, পৰিপূৰ্ণতা, নদী, শেৱালি, লাহে লাহে, ভুল, আচৰিতভাৱে মই নিজক সলনি কৰিম, স্মৃতি, তুমি, তুমি আহা, মৰম, নৈসৰ্গিক, উচ্ছাহ, পোছাক ইত্যাদি। এই অধ্যয়নত উক্ত

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

কবিতাসমূহক সামৰি লোৱা হৈছে। আমাৰ ৰাভা ভাষা দৈন্যতা আৰু পৰিসৰৰ ব্যাপকতাৰ বাবে গ্ৰন্থখনিত অন্তৰ্ভুক্ত আন ৰাভা ভাষাৰ কবিতা আৰু চিত্ৰশিল্পবোৰৰ বিষয়ে সামৰিব পৰা নগ'ল।

**বিষয় নিৰ্বাচনৰ উদ্দেশ্য ঃ**

অসমীয়া ভাষাক মাধ্যম হিচাপে লৈ কাব্য ৰচনা কৰা জনগোষ্ঠীয় লেখকসকলে অসমৰ সাহিত্য খণ্ডত বিশেষ ভূমিকা পালন কৰি আছে। সেই দিশৰ পৰা জনগোষ্ঠীয় লেখক হিচাপে মুবীন ৰাভাৰ দৰে লেখকসকলৰ অৱদান স্বীকাৰ্য। কাব্য চৰ্চাৰে অসমীয়া আৰু ৰাভা ভাষা-সাহিত্যক সমৃদ্ধ কৰা, সমন্বয় আৰু যোগসূত্ৰ স্থাপন কৰাৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা আছে। সেয়েহে লেখকসকলৰ এনে বৰ্ণাঢ্য সাহিত্য বিচাৰ-বিশ্লেষণ কৰি চোৱাৰ উদ্দেশ্যেই গ্ৰন্থখনি আলোচনাৰ বাবে নিৰ্বাচন কৰা হৈছে।

**অধ্যয়নৰ পদ্ধতিঃ**

**'জনগোষ্ঠীয় কবি মুবীন ৰাভাৰ 'ক্ৰৌমুচী'** ঃ এটি বিহংগম দৃষ্টিভংগী' শীৰ্ষক বিষয়টি অধ্যয়নৰ বাবে কবিৰ সৈতে পোনপটীয়াকৈ যোগাযোগ কৰি প্ৰাপ্ত তথ্যৰ ভিত্তিত বিচাৰ-বিশ্লেষণ কৰাৰ প্ৰয়াস কৰা হৈছে। এই আলোচনাটিৰ বাবে বৰ্ণনামূলক আৰু বিশ্লেষণাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে।

**কবি পৰিচয় ঃ**

গোৱালপাৰা জিলাৰ আগিয়াৰ ৰখাপাৰা গাঁৱৰ আনন্দ ৰাভা আৰু নিৰামণি ৰাভাৰ সুযোগ্য সন্তান ৰাভা পেছাত এজন চিত্ৰশিল্পী আৰু অসমীয়া প্ৰতিদিন কাকতৰ কাৰ্টুনিষ্ট। বৰ্তমানলৈকে তেখেতে নিজা প্ৰচেষ্টাত আগিয়া ৰখাপাৰাত 'ইথনিক আৰ্টিষ্ট ছচাইটি অসম' নামে এটি চিত্ৰশিল্প প্ৰতিষ্ঠানৰ জন্ম দি দেশ-বিদেশৰ কবি-শিল্পীক নিমন্ত্ৰণ কৰি অসমীয়া সাহিত্য, শিল্পক বিশ্ব দৰবাৰলৈ লৈ যোৱাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আছে। সাহিত্য-সংস্কৃতি বিনিময়ৰ মাজেৰে এক প্ৰকাৰৰ গভীৰ অনুসন্ধানত ব্যস্ত মুবিন ৰাভাই শিল্প আৰু সাহিত্য কৰ্মৰ বাবে বহুখিনি বঁটা-বাহন লাভ কৰিছে। তাৰ ভিতৰত ২০০১ চনত গোৱালপাৰা মহাবিদ্যালয়ৰ পৰা শ্ৰেষ্ঠ চিত্ৰশিল্পীৰ বঁটা, ২০০২ চনত 'শ্ৰেষ্ঠ সাহিত্যিক'ৰ বঁটা, কলকাতাৰ সৰ্বভাৰতীয় সংগীত ও সংস্কৃতি পৰিষদৰ দ্বাৰা প্ৰদান কৰা 'শিল্প ৰত্ন' সন্মান, গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত 'চিত্ৰশিল্পী'ৰূপে তিনিবাৰকৈ ৰূপৰ পদক লাভ, ২০১৮ চনত ৰাষ্ট্ৰীয় পৰ্যায়ত 'সৃতেজ অলংকাৰ' বঁটা, ২০১৯ চনত ৰাভা শিল্পী আৰু লেখক মঞ্চৰ পৰা 'ৰাজেন পাম যুৱ সংস্কৃতিৰ বঁটা', ২০২১ চনত অসম চৰকাৰৰ দ্বাৰা প্ৰদান কৰা 'শিল্পী সম্বৰ্ধনা বঁটা', আন্তৰ্জাতিক ক্ষেত্ৰত ২০২২ চনত 'ভুৱনেশ্বৰ কলা সন্মান' আদি উল্লেখযোগ্য।

এগৰাকী সাহিত্যিক হিচাপে তেখেতৰ বৰ্তমানলৈকে প্ৰকাশিত গ্ৰন্থসমূহ হ'ল— 'মুবীনৰ নিৰ্বাচিত কাৰ্টুং' (২০১২), 'মুবীনৰ নিৰ্বাচিত কাৰ্টুং' (২০১৩-১৪), 'মোৰ ছবি মোৰ কবিতা' (কবিতা পুথি), 'ক্ৰৌমুচী' (ৰাভা আৰু অসমীয়া ভাষাৰ কবিতা,২০১৮)', 'প্ৰাথমিক চিত্ৰকলা শিক্ষা' (২০১৯), 'The Great Doda' (2021), 'Dandraygiri the Hill' (Rabha-English Poetry Books) ইত্যাদি।

**মুবিন ৰাভাৰ কবিতাৰ বিষয়বস্তু ঃ**

মুবিন ৰাভাৰ কবিতাসমূহ পঢ়িলে উপলব্ধি হয় তেওঁৰ কবিতাৰ বিষয়বস্তু সমাজ তথা প্ৰকৃতিৰ বিভিন্ন ৰূপৰ সমাহাৰ। আনফালে আৰ্থ-ৰাজনৈতিক সমাজ জীৱনেৰে মুখৰিত। বিশিষ্ট নাট্যকাৰ হিমাংশু প্ৰসাদ দাসে মুবিনৰ কবিতা সম্পৰ্কে এটা অতি গুৰুত্বপূৰ্ণ কথা কৈছে—'জীৱনৰ জটিল বেদনাবোৰক সহজকৈ কোৱাৰ এক সুন্দৰ কথনভংগী আছে মুবিনৰ কবিতাত।'[1] মুবিনৰ কবিতাৰ বিষয়ে নন্দিনীৰ কাৰ্যবাহী সম্পাদক টুনা গৌতমে উল্লেখ কৰিছে—কবি মুবিন ৰাভাৰ কবিতা পঠনৰ সন্তুষ্টি দিছে সহজ শব্দ চয়ন আৰু নিকা বিন্যাসে।'[2] মুবিন ৰাভাৰ কবিতাবিলাকত প্ৰেম, মানৱতা আৰু আশাবাদ স্পষ্ট ৰূপত প্ৰতিফলিত হৈছে। আধুনিক জীৱনশৈলীত হেৰাই যাব ধৰা আবেগ-অনুভূতিৰ চিত্ৰ প্ৰতিফলিত হৈছে। 'ধুনীয়াক লৈ কবিতা নিলিখোঁ' তেনে শ্ৰেণী কবিতাৰ এটি উল্লেখযোগ্য নিদৰ্শন। জীৱনৰ জটিলতাক সহজকৈ উপস্থাপন, অভিব্যক্তি প্ৰকাশত সৰলতা,কথনভংগীৰ ছন্দময় গতি তেওঁৰ কবিতাত দেখা যায়। সহজ-সৰল শব্দৰে বক্তব্য বিষয়ক চিন্তা-যুক্তিৰে উপস্থাপন কৰাত নতুনত্ব লাভ কৰিছে। সংবেদনশীল কবিজনে অনুভূতিক সফল বাৰ্তাৰে সমাজ পাৰিপাৰ্শ্বিকতাক উপস্থাপন কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। য'ত কবিৰ মননশীল চিন্তা, বৌদ্ধিক উত্তৰণ লক্ষ্য কৰা যায়। কবিতাৰ ভাষা সহজ-সৰল যদিও কেতবোৰ কবিতা পূৰঠ আৰু সুখপাঠ্য হোৱাৰ দৰে বিষয়ৰ নিৰ্বাচন, শব্দচয়ন আৰু নিকা বিন্যাসে তেওঁৰ কবিতাক অনন্য মাত্ৰা

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

প্ৰদান কৰিছে।

**'ক্ৰৌমুচী' আলোচনা ঃ**

মুবিন ৰাভাৰ কাব্যগ্ৰন্থ 'ক্ৰৌমুচী' নামকৰণ এটি ৰাভা ভাষাৰ শব্দ । ইয়াৰ অসমীয়া অৰ্থ হ'ল কবিতা। কাব্য সংকলনটিত ২১ টি অসমীয়া কবিতা, ১৩ টি ৰাভা কবিতা আৰু দহখন পেইণ্টিং সামৰি লোৱা হৈছে। তৰুণ চিত্ৰশিল্পী মুবীন ৰাভাই কবিতাৰ জগততো ইতিমধ্যে তিনিখনৰো অধিক কাব্যপুথি ৰচনাৰে সাহিত্য ক্ষেত্ৰক সমৃদ্ধ কৰিছে। তেওঁৰ 'ক্ৰৌমুচী'ৰ কবিতাসমূহত বিচাৰি পোৱা যায় বাস্তৱৰ সৰু সৰু সত্বাৰ উপলব্ধি। প্ৰয়োজনৰ খাতিৰত সৃষ্টি কৰি লোৱা সমাজ ব্যৱস্থাৰ প্ৰতিটো দিশকে কবিয়ে ওচৰৰ পৰা প্ৰত্যক্ষ কৰিছে। সচৰাচৰ দেখি থকা সৰু বিষয় কেতবোৰেও তেওঁৰ কবিতাত স্পৰ্শ পূৰ্ণ হৈ উঠিছে। তেওঁৰ তেনে এটি কবিতা হ'ল 'নিৰ্মাণ'। মানুহে প্ৰয়োজন পূৰণাৰ্থে পৰস্পৰে পৰস্পৰক নিৰ্মাণ কৰাৰ গভীৰ আত্ম-বিশ্লেষণ কবিতাটিত প্ৰকাশ পাইছে। প্ৰতিটো নিৰ্মাণত প্ৰয়োজন থাকে, প্ৰয়োজনবোৰ জীয়াই থকাৰ চাহিদা। তেওঁৰ কবিতাত সৌন্দৰ্য স্পৃহা ইতিহাসৰ সোণালী সময় হিচাপে পৰিগণিত হৈছে। 'ধুনীয়াক লৈ মই কবিতা নিলিখোঁ' কবিৰ এনে চেতনাৰ মুক্ত প্ৰকাশ বুলিব পাৰি —

মই দেখিছোঁ ধুনীয়াবোৰ লাহে লাহে পুৰণি হৈছে
সময়ৰ সৈতে পৰাজিত হৈছে।
... মই দেখিছোঁ মাথোঁ ধুনীয়াবোৰে
পূৰণ কৰা নাই ফুটপাথত পৰি থকা
হেজাৰ মানুহৰ ক্ষুধা
ধুনীয়াবোৰে দিব পৰা নাই
এমুঠি সুখৰ বাবে বৈ থকা পঁজালৈ জোনাক।

বৰ্তমান সময়ত অনিশ্চিত জীৱনৰ ঠিকনা এক জটিল বিষয়ৰূপে পৰিগণিত হৈছে। মানৱ সভ্যতাত বুৰঞ্জীৰ সজীৱতা, বৰ্তমানৰ উৎকীৰ্ণ সময় আৰু ভৱিষ্যতৰ অনিশ্চয়তাই মানুহক মানুহৰ পৰা আঁতৰাই আনিছে; য'ত মানৱতা লুণ্ঠিত হৈছে, বিশ্বাস ভংগ হৈছে, প্ৰতিশ্ৰুতি আঘাতপ্ৰাপ্ত হৈছে। সেয়ে অতীতৰ সোণালী সম্পৰ্ক হেৰুৱাই কবিয়ে কৈছে— আমাৰ মাজত লগ হোৱা ঠিকনাটো

আজি সমন্বয়ৰ এখন পথাৰ হওঁক। (ঠিকনা) কবিৰ বাবে সংগ্ৰাম পৰিপূৰকৰ আন নাম। প্ৰতিযোগিতাৰ দৌৰত কৃত্ৰিমতাক ব্যস্ততাৰে ঢাকি থোৱাৰ প্ৰয়াস। কবিৰ মতে— পৰিকল্পনাৰ লক্ষ্য নাথাকে, মানুহৰ পৰা মানৱতাৰ লক্ষ্য। সময় হৈছে পৃথিৱীৰ আটাইতকৈ চিৰন্তন সত্য। সময়ে কাকো ক্ষমা নকৰে। সময়ৰ অগ্ৰগতিৰ উত্থান-পতন আৰু বিৱৰ্তনে সভ্যতাক যন্ত্ৰযুগলৈ আগুৱাই দিয়া যি ভূমিকা পালন কৰিছে ; তাক মানৱতাৰ সম্বন্ধত উপহাস মাথোঁ। কবিয়ে কৈছে—

মাথোঁ মই আগবাঢ়ি অহা মাজবাটত
সুখবোৰৰ অসুখ হোৱাৰ কথা নাছিল।
হাঁহিবোৰত অপৰিপূৰ্ণতা
সেইদৰে আত্মীয়তাই সৰ্বস্বান্ত হোৱাৰ কথা নাছিল।(সময়)

জীৱনৰ অগ্ৰগতিত খোজ হৈছে এটি প্ৰতীকী ব্যঞ্জনা। এই খোজে চাপ থৈ যায়। খোজে আগুৱাই নিয়ে, খোজে গতিশীলতা প্ৰদান কৰে। কবিয়ে 'খোজ' কবিতাটিত তেনে এক বাস্তৱ অনুভূতিত প্ৰকাশ কৰিছে—

মই লাহে লাহে চাপৰ হ'ব ধৰিছোঁ
সৌ সিদিনা ৰোৱা গছজোপা লাহে লাহে ওখ হৈছে
মই বিলীন হৈছো নৈঃসৰ্গিক কিছুমান খোজৰ সৈতে
খোজবোৰে শিকাইছে
লাহে লাহে চাপৰ হ'ব ধৰা কথাবোৰ।

মানুহৰ মৌলিক প্ৰয়োজন হ'ল ঘৰ বা বাসস্থান। কবি ৰাভাই ঘৰৰ নিবৃত্তি কৰিবলৈ গৈ প্ৰতিবিম্ব স্বৰূপ মনৰ ঘৰখনৰ প্ৰসংগ ব্যক্ত কৰাৰ চেষ্টা কৰিছে। মানুহৰ বাহ্যিক ঘৰৰ সৌন্দৰ্য সুষমাক সকলোৱে দৃষ্টিগোচৰত ৰাখিব বিচাৰে। কিন্তু আভ্যন্তৰৰ ঘৰখনৰ মেৰামতি বা তাৰ অৱস্থাৰ বিষয়ে জ্ঞাত নহয়। সেয়ে কবিয়ে কৈছে—

কাৰোবাৰ বাবেই পূৰ্ণ কৰা ওখ ঘৰটো
কাৰোবাৰ বাবেই ঠিকনা হৈ পৰে ঘৰটো। (ঘৰ)

সময়ে সময়ে মানুহৰ মনৰ অৱস্থিতি পৃথক হয়। কিন্তু অতীতৰ হেৰাব নোখোজা স্মৃতিয়ে অনৰ্গল মনত উত্তেজনাৰ সৃষ্টি কৰে। যাৰ আশ্ৰয় যন্ত্ৰণা ঐতিহ্য আৰু সৌন্দৰ্যৰ সংমিশ্ৰণত জীৱন্ত হৈ উঠে। এনে অতীত স্পৃহা ৰাভাৰ কবিতাত প্ৰখৰ—

ৰংচাই ঝৰা বৈ থকা কথাষাৰ তুমি জানা
দদান হাচু, নলংগা হাচু, আজংগ্ৰা হাচু... (কেতিয়াবা তুমি এবাৰ)
সেইদৰে উৰপদো
পাৰ কৰিছে হাজাৰ প্ৰহৰ উজাগৰে। (কেতিয়াবা তুমি


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

এবাৰ)
—বৈচিত্ৰ্যময় সংসাৰ লীলাত ৰঙৰ উপস্থিতি সুকীয়া। ৰংবোৰ আছে বাবেই পৃথিৱী ৰঙীন। ৰঙীন পৃথিৱীত ৰঙে অৰঙীন বাস্তৱক ব্যংগভাৱে আক্ৰমণ কৰিছে—

বগা প্ৰলপেৰে বগা হৈছে বহু ক'লা মানুহ
ভালদৰে প্ৰলেপ দিব পৰা জন বিজয়ী
পৰিচয়বোৰ ৰঙীন হৈছে
ঢাকিব পাৰে অপৰাধবোৰ। (ৰং) জীৱনৰ চৰম সত্য উদ্‌ঘাটনত ৰঙৰ আবেদনময়ী প্ৰকাশ মন কৰিবলগীয়া । আনফালে কবিয়ে প্ৰকৃতিৰ প্ৰধান সত্বা গছৰ গুৰুত্ব উপলব্ধি কৰি গছজোপাক জীৱন্ত সত্বাৰূপে অংকিত কৰাৰ লগতে গছৰ সৌন্দৰ্য আৰু ইয়াৰ ধ্বংস যজ্ঞৰ কুৎসিৎ অভিসন্ধিৰ মৰ্মস্পৰ্শী ৰূপক তুলি ধৰিছে—

আকাশে কৈছিল নিৰ্মমভাৱে হত্যা কৰা হ'ল
মাটিয়ে উচুপি কৈছিল তেওঁক বিক্ৰী কৰা হ'ল
কিছু দূৰত চৰাইবোৰে দিশহাৰা হৈ চিঞৰিছে।(গছজোপা)— প্ৰকৃতিৰ সৌন্দৰ্য সৃষ্টিত অৰিহণা থকা নদীৰ ক্ষেত্ৰতো কবিৰ ধাৰণা এনেদৰে প্ৰকাশ পাইছে—

নদীৰ গতিতো বাধা থাকে
নদীৰো মৃত্যু হয় ।(নদী)— নদী চিৰন্তন প্ৰৱাহক, মাটিৰ সৈতে থকা সম্পৰ্কক উপলব্ধি কৰিও নদীৰ অস্বাভাৱিক মৃত্যুৱে সমাজ সভ্যতালৈ দুৰ্যোগ নমাই আনে। ক্ষন্তেকীয়া মানৱ জীৱনক লৈ কবিৰ বদ্ধমূল ধাৰণাৰ পৰিপূৰ্ণতাক ভিন্ন সত্বাৰ উপস্থিতিৰে মূৰ্ত কৰি তুলিছে। য'ত প্ৰেমে প্ৰেৰণাৰ অনন্য শক্তিৰূপে কাম কৰিছে। প্ৰেমৰ বিফলতাও কবিয়ে অপূৰ্ণ-অসাৰ্থকতাৰ বিপৰীতে সাৰ্থক আৰু পৰিপূৰ্ণত বুলি গ্ৰহণ কৰিছে। এই ব্যৰ্থতাকো কবিয়ে সৃষ্টিৰ উৎস ৰূপে প্ৰয়োগ কৰিছে— দলং নিৰ্মাণ কৰিছোঁ

যদিওবা কোনোৱে নদী পাৰ হৈ
অহাৰ কথা কোৱা নাই
আৰু কেতিয়াবা ঘৰ সজাত ব্যস্ত ৰাখো নিজকে
যদিওবা কোনেও
এখন্তেক থকাৰ কথা দিয়া নাই। (পৰিপূৰ্ণতা) কবিৰ জীৱন-জিজ্ঞাসা যিদৰে গভীৰ, ঠিক সেইদৰে প্ৰকৃতিৰ প্ৰতি অনুভৱো চিত্তাকৰ্ষক। প্ৰকৃতিৰ সত্বা শেৱালিয়ে নিয়ম মানি ৰাতি ফুলে আৰু পুৱালৈ সৰি পৰে; মানুহৰ জীৱনৰ চিৰ সত্যৰ দৰে শেৱালি ফুলবোৰেও নিয়ম মানি চলে—

সংগোপনে ফুলি উঠে শেৱালি
উজাগৰে পাৰ কৰে ৰাতি
সকলোৰে শেষ থাকে
ৰাতিৰো শেষ হয়
শেৱালিয়ে মনত ৰাখে নিয়মবোৰ।(শেৱালি) সকলো নিয়মৰ উৰ্দ্ধত হ'ল পৰিৱৰ্তন। লাহে লাহে মানুহে মানুহক বুজিবলৈ এৰি দি সম্পৰ্কবোৰ কুটিল কৰিছে। বুজা আৰু বুজোৱাৰ চেষ্টাত জীৱন দুৰ্বিসহ হৈ উঠে। চৰ্তহীন চৰ্তত মানুহ আবদ্ধ হৈ পৰোঁতে নিজৰ মাজতেই নিজে নিমগ্ন হৈ পৰে। যন্ত্ৰণাই সকলোবোৰ গ্ৰাস কৰি পেলোৱাৰ পাছত মানুহৰ হৃদয় আৰু মৰমবোৰ ভাগ ভাগ হয়—

মই দেখিছোঁ বহুজনেই বুজা নাই বহুজনৰ কথা
কিমান যন্ত্ৰণাই তেওঁক বলিয়া কৰিছে
সেইদৰে কিমান বেদনাই মোক দহিছে
মই দেখিছোঁ। (লাহে লাহে) —ভুল মানুহৰ জীৱনৰ অভিশাপ। ইয়াক জানি-বুজি কৰাৰ কাৰণ সুকীয়া। কিন্তু ভুল কৰে। ভুলৰ ক্ষমা থাকে। ভুলে জীৱনৰ শিক্ষা দিয়ে। ভুলৰ পৰা অভিজ্ঞ হয় ব্যক্তি সত্বা। ভুলৰ কোনো নিৰ্দিষ্ট সংজ্ঞা নাই— ভুল হয়, হৈ যায়

ভুলবোৰ অজানিতে হৈছে
কোনোবাই ইচ্ছাকৃতভাৱে কৰিছে
মুঠতে ভুল কৰিছে বহুজনে।...কিন্তু ভুলৰ বাবে ওভতনি যাত্ৰা কৰিব নোৱাৰি। এনে অৰ্থবহ অভিব্যঞ্জনাই তেওঁৰ কবিতা সুখপাঠ্য কৰি তুলিছে—

ভুলবোৰৰ উপলব্ধি থাকে, থাকে,
শুধৰণি থাকি—
মাথোঁ ভুলবোৰত নাথাকে
হেৰুৱাই অহা সোণালী সময়ৰ ওভতনি।(ভুল) ভুলৰ পৰা শিক্ষা লৈ মানুহে নিজক সলনি কৰাৰ, শুধৰণি কৰাৰ প্ৰতিজ্ঞা লয়— আচৰিতভাৱে মই নিজক সলনি কৰিম

কল্পনাবোৰ বন্ধকত দিম কম মূল্যত
হৃদয়ৰ পৰা এখন ছবি আঁতৰাই দিম
অলপ পাছতে মই হৈ পৰিম পৰিৱৰ্তনশীল।(আচৰিতভাৱে মই নিজক সলনি কৰিম) — হয়, সময়ে মানুহক পৰিৱৰ্তনশীল হ'বলৈ শিকায়। পৰিৱৰ্তনে জীৱন, দৃষ্টিভংগী সলনি কৰে। কিন্তু স্মৃতি ধূসৰ হৈও জীয়াই থাকে— নিবিচৰা সময়ৰ ছাকনৈয়াতে


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

সোঁৰৰণি কিয় আহে

বাৰে বাৰে। (স্মৃতি) কবিৰ জীৱন-যৌৱনত প্ৰভাৱ বিস্তাৰ কৰা শাৰীৰিক তুমিৰ উপস্থিতি এনেদৰে পোৱা গৈছে—

তুমি সুৰ হৈ 'সোঁৰৰণি'

তুমি সুখ হৈ 'অনুভুতি'

সময় প্ৰেমৰ

একাকাৰ হোৱাৰ।(তুমি) তুমিৰ বাবে কবিৰ মন-প্ৰাণত যি ঢৌ উঠিছে; সিহে সত্য। এই তুমিকেই কবিয়ে জীৱনলৈ আহ্বান জনাইছে। সেই তুমি কবিৰ বাবে আনন্দৰ বতৰা বা এক উৎসৱমুখৰ পৰিৱেশ। য'ত থাকি কবিয়ে স্বকীয় আবেদন প্ৰকাশ কৰিছে—

ছাথাৰৰ সুৰে সুৰে তুমি আহা গোপনে গোপনে (মনে মনে)

অ' নাছিকায়

হুৰুচায় হুৰুচায়।(তুমি আহা) মানুহ সমাজপ্ৰিয় প্ৰাণী হিচাপে সমাজৰ প্ৰতি দায়বদ্ধ হোৱাৰ দৰে প্ৰেম আৰু মৰমৰ বান্ধোনত আবদ্ধ হৈ থাকে। কবি ৰাভাৰ কবিতাত প্ৰেম বা মৰমৰ এনে আবেগ সাৱলীলভাৱে প্ৰকাশ পাইছে—

মৰম-মৰম এসাগৰ

হৃদয়-হৃদয় নুবুজা সাঁথৰ।(মৰম) কবিৰ ভাবনাত নৈঃসৰ্গিক শোভাই সুকীয়া আস্বাদনৰ সৃষ্টি কৰিছে। কবিৰ বাবে পথাৰ, প্ৰেম, মৃত্যু, যন্ত্ৰণা আদি সত্ত্বাবোৰে যি একাকীত্ব স্থাপনৰ প্ৰয়াস কৰিছে সিয়ে কবিক জীয়াই থকাৰ ন ন কৌশল শিকাইছে। ৰঙীন পৃথিৱীত ৰংহীন জীৱনক লৈয়ো পথাৰৰ নৈঃসৰ্গিক সৌন্দৰ্যই জীয়াই থকাৰ প্ৰেৰণা দিছে। কবিৰ মতে জীৱনটো এখন পথাৰ। এনে দ্বৈতৰূপৰ এটি উল্লেখনীয় কবিতা হ'ল 'এদিনৰ সংবাদত প্ৰকাশিত নৈসৰ্গিক। কবিতাটিত কবিয়ে কৈছে—

মোৰ পথাৰৰ সৈতে

প্ৰেমহীন, মৃত্যু, যন্ত্ৰণাৰ কঠিয়া

য'ত ৰোৱা নহয় সেইখনেই মোৰ

জীৱনৰ পথাৰ, কবিতাৰ পথাৰ। (নৈসৰ্গিক) পথাৰৰ সৈতে সভ্যতাৰ সম্পৰ্ক প্ৰাচীন। পথাৰ, পখাৰৰ বাবে খৰাং বতৰ, ভাল ফচল আৰু সেউজীয়া সপোনবোৰৰ পৰা জীৱন পৃথক নহয়। যাক কবিয়ে নৈঃসৰ্গিক বুলি উপলব্ধি কৰিছে। ৰাভাৰ আন এটি উল্লেখযোগ্য কবিতা হ'ল— 'পোছাক'। পোছাকে এটি বহু অৰ্থবহ ব্যঞ্জনাময় কবিতা। পোছাকৰ ৰং, আকৃতি-প্ৰকৃতি, আকাৰে যি কল্পচিত্ৰ নিৰ্মাণ কৰিবলৈ চেষ্টা কৰিছে; তাত সাধাৰণ জনজীৱনৰ দৈন্যতাৰ বাস্তৱ ছবি প্ৰতিফলিত কৰিছে। পোছাকৰ ৰঙীন সৌন্দৰ্যৰ দৰে মানৱীয়তা, বিশ্বাস, বন্ধুত্ব আদিবোৰ ৰঙীন হোৱা নাই। দৈনন্দিন জীৱনৰ প্ৰতিযোগিতাৰ দৌৰত পোছাক আৰু ভদ্ৰতাৰ যি অভিনয়ে সাৰ্থকতা প্ৰদান কৰে সেয়া সমাজ আৰু মানুহ, মানুহ আৰু মানুহৰ মাজত প্ৰকৃতস্থ হোৱা নাই —

মই দেখিছোঁ ৰঙীন হোৱা নাই ৰঙীন পোছাকেৰে

বিশ্বাস, বন্ধুত্ব তথা মানৱীয়তাবোধৰ

মই দেখিছোঁ ৰঙীন হোৱা নাই ৰঙীন পোছাকেৰে

এমুঠি অন্নৰ বাবে বৈ থকা মানুহবোৰ আৰু গাঁৱৰ পঁজাবোৰ

ধূসৰ হৈছে লাহে লাহে নতুনৰ ৰংবোৰ।

**সামৰণি ঃ**

কবি ৰাভাৰ কবিতাৰ বিষয়-নিৰ্বাচন বিচিত্ৰ। অৰ্থ প্ৰকাশৰ দিশত অভিব্যঞ্জনা আৰু প্ৰতীকাত্মক শব্দৰ প্ৰয়োগ, দ্বৈতৰূপৰ স্বৰূপ, সাৱলীল প্ৰকাশভংগী, আঁৰ কাপোৰহীন অভিব্যক্তি প্ৰকাশৰ উৎসাহ তথা মননশীল আৰু আৱেগময় চিন্তাৰ উত্তৰণ আৰু গভীৰ অন্বেষণ লক্ষ্য কৰা যায়। ক'ব পাৰি মুবীন ৰাভাৰ কবিতাৰ সাহিত্যিক, সামাজিক আৰু ভাষিক আদি ন ন দিশৰ আলোচনা হোৱাৰ স্থল আছে।

**মুখ্য সমল ঃ**

ৰাভা, মুবীন (২০১৭). ক্ৰৌমুচি, বেবাক ৰাভা ক্ৰৌৰাং ৰুঞ্চুম, প্ৰথম প্ৰকাশ।

**পাদটীকা ঃ**

১। ৰাভা, মুবীন ঃ ক্ৰৌমুচি, বেবাক ৰাভা ক্ৰৌৰাং ৰুঞ্চুম, প্ৰথম প্ৰকাশ, মন্তব্যৰ পৰা সংগ্ৰহ।

২। সদ্যোক্তঃ মন্তব্যৰ পৰা সংগ্ৰহ।

**কাব্য গ্ৰন্থত প্ৰয়োগ কৰা ৰাভা ভাষাৰ শব্দাৰ্থ ঃ**

ৰংচাই ঝৰা-ৰাভা হাছঙৰ বিখ্যাত নদী, দ'দান হাচু - বায়দাত থকা দদান পাহাৰ, ছামাৰ- ৰাভাসকলৰ প্ৰেমমূলক গীত-নৃত্য, নাছিকায়- মৰমজান, হুৰুচয় হুৰুচয়- মৰম নিবেদন কৰা বিশেষণ, আংছা- উৰণি, খাম- ৰাভা বাদ্যযন্ত্ৰ।

❖ ❖ ❖

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

# জাতীয় আবেগ, জাতীয় চিন্তা আৰু আলি আই লৃগাং ঃ এক সমাজ-সাংস্কৃতিক অধ্যয়ন

✍ ড° ৰঞ্জিত পেগু
সহযোগী অধ্যাপক
বাহনা মহাবিদ্যালয়

**সাৰাংশ ঃ**

জাতীয় আবেগ আৰু জাতীয় চিন্তা কোনো জাতিৰ সামূহিক পৰিচয়, সাংস্কৃতিক ঐতিহ্য আৰু সামাজিক সংহতিৰ মূল আধাৰ। অসমৰ মিছিং জনগোষ্ঠীৰ অন্যতম প্ৰধান উৎসৱ "আলি আই লৃগাং" কেৱল কৃষিভিত্তিক উৎসৱেই নহয়, ই জাতীয় আবেগ, সাংস্কৃতিক ঐতিহ্য আৰু সামূহিক চেতনাৰ এক শক্তিশালী প্ৰকাশ। এই গৱেষণা পত্ৰত আলি আই লৃগাং উৎসৱৰ সামাজিক, সাংস্কৃতিক আৰু জাতীয় তাৎপৰ্য বিশ্লেষণ কৰাৰ চেষ্টা কৰা হৈছে। গৱেষণা পত্ৰখনত বৰ্ণনামূলক (Descriptive) আৰু বিশ্লেষণাত্মক (Analytical) পদ্ধতি গ্ৰহণ কৰা হৈছে। উল্লেখ্য যে আলি আই লৃগাং মিছিং সমাজৰ মাজত ঐক্য, ভাষা-সংস্কৃতি সংৰক্ষণ, সামাজিক সম্প্ৰীতি আৰু জাতীয় চেতনাৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

**বীজশব্দ ঃ** জাতীয় আবেগ, জাতীয় চিন্তা, আলি আই লৃগাং, মিছিং সমাজ, সাংস্কৃতিক ঐতিহ্য, সামাজিক সংহতি।

**ভূমিকা ঃ**

মানুহৰ সামাজিক জীৱনত জাতীয় আবেগ আৰু জাতীয় চিন্তাৰ বিশেষ গুৰুত্ব আছে। জাতীয় আবেগে এজন ব্যক্তিক নিজৰ জাতি, ভাষা, সংস্কৃতি আৰু পৰম্পৰাৰ সৈতে মানসিকভাৱে সংযুক্ত কৰে। আনহাতে, জাতীয় চিন্তাই জাতিৰ উন্নয়ন, ঐক্য আৰু সামাজিক মূল্যবোধৰ দিশ নিৰ্দেশ কৰে। এই দুই ধাৰণাই এখন সমাজ বা জাতিৰ সামগ্ৰিক বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

অসম বহু জাতি-জনগোষ্ঠীৰ মিলনভূমি। অসম ভূমিত পালন কৰি অহা বিভিন্ন জনগোষ্ঠীৰ উৎসৱ-পাৰ্বণসমূহে জাতীয় সংহতি আৰু সাংস্কৃতিক বৈচিত্ৰ্যৰ পৰিচয় বহন কৰে। মিছিং জনগোষ্ঠীৰ "আলি আই লৃগাং" তেনে এক উল্লেখযোগ্য উৎসৱ, যিয়ে কৃষি, সংস্কৃতি, ঐতিহ্য আৰু সামূহিক জীৱনৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত। এই উৎসৱৰ জৰিয়তে মিছিং সমাজে নিজৰ সাংস্কৃতিক স্বকীয়তা, পৰম্পৰা আৰু সামাজিক মূল্যবোধ প্ৰকাশ কৰে।


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

**গৱেষণাৰ উদ্দেশ্য ঃ**

এই গৱেষণা পত্ৰৰ মুখ্য উদ্দেশ্যসমূহ হ'ল–

ক) জাতীয় আবেগ আৰু জাতীয় চিন্তাৰ ধাৰণা বিশ্লেষণ কৰা।

খ) আলি আই লৃগাং উৎসৱৰ সামাজিক আৰু সাংস্কৃতিক তাৎপৰ্য ব্যাখ্যা কৰা।

গ) উৎসৱটোৱে জাতীয় সংহতি আৰু সামাজিক সম্প্ৰীতি গঢ়ি তোলাত কেনে ভূমিকা পালন কৰে তাক আলোচনা কৰা।

ঘগ্ন মিছিং জনগোষ্ঠীৰ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণত উৎসৱটোৰ অৱদান মূল্যায়ন কৰা।

**গৱেষণাৰ পদ্ধতি ঃ**

এই গৱেষণা পত্ৰখন যুগুত কৰোঁতে গুণগত (Qualitative) আৰু বৰ্ণনামূলক পদ্ধতি ব্যৱহাৰ কৰা হৈছে। গৱেষণাৰ তথ্য সংগ্ৰহৰ বাবে-

গ্ৰন্থ, আলোচনী, গৱেষণা নিবন্ধ, সাংস্কৃতিক নথি-পত্ৰ, সমাজ-সাংস্কৃতিক বিশ্লেষণমূলক প্ৰবন্ধ

আদিৰ সহায় লোৱা হৈছে। গৱেষণাখন মূলত গৌণ তথ্যৰ ওপৰত নিৰ্ভৰশীল।

**আলি আই লৃগাং ঃ পৰিচয় আৰু তাৎপৰ্য**

আলি আই লৃগাং অসমৰ মিছিং জনগোষ্ঠীৰ এক কৃষিভিত্তিক উৎসৱ। "আলি" শব্দৰ অৰ্থ শস্যৰ বীজ, "আই" অৰ্থ ফল-মূল আৰু "লৃগাং" অৰ্থ ৰোপণ আৰম্ভ কৰা। সাধাৰণতে ফাগুন মাহত এই উৎসৱ উদযাপন কৰা হয়।

অসমৰ বিভিন্ন জাতি জনগোষ্ঠীৰ জাতীয় পৰিচয়, আবেগ আৰু চিন্তাৰ ক্ষেত্ৰখনত এক গভীৰ সংযোগ নিহিত হৈ আছে যিয়ে এটা জাতিৰ ভেটি গঢ় দিয়ে। এই সংযোগৰ উদাহৰণ উত্তৰ ভাৰতৰ এক ৰাজ্য অসমৰ এক উল্লেখযোগ্য উৎসৱ আলি আই লৃগাং উদযাপন। এই পত্ৰখনে জাতীয় আবেগ, জাতীয় চিন্তা আৰু আলি আই লৃগাংঙৰ সংযোগস্থলত একীভূত হৈ জাতীয় পৰিচয়ৰ ওপৰত ইয়াৰ প্ৰভাৱৰ বিষয়ে অন্বেষণ কৰাৰ প্ৰয়াস কৰা হৈছে।

জাতীয় আবেগ হৈছে মানুহে নিজৰ জাতিৰ সৈতে ভাগ কৰা আৱেগিক সংযোগ, যিটো নিজৰ বুলি ভবা, গৌৰৱ আৰু আনুগত্যৰ দ্বাৰা পৰিচালিত হয়। এই আবেগক প্ৰায়ে সাংস্কৃতিক ঐতিহ্য, ঐতিহাসিক পৰিঘটনা, জাতীয় প্ৰতীকৰ দ্বাৰা উজ্জ্বলি উঠে। ভাৰতৰ প্ৰেক্ষাপটত স্বাধীনতা দিৱস, গণৰাজ্য দিৱস, বিভিন্ন আঞ্চলিক উৎসৱ আদি উৎসৱ পালনত জাতীয় আবেগ প্ৰতিফলিত হয়। আনহাতে জাতীয় চিন্তাই এটা জাতিৰ পৰিচয় সংজ্ঞায়িত কৰা সামূহিক ধাৰণা, মূল্যবোধ আৰু নীতিক সামৰি লয়। জাতিটোৰ ইতিহাস, সংস্কৃতি, দৰ্শনে ইয়াক গঢ় দিয়ে। জাতীয় চিন্তাই নাগৰিকে নিজৰ জাতি আৰু পৃথিবীত ইয়াৰ স্থান কেনেদৰে গ্ৰহণ কৰে তাৰ ওপৰত প্ৰভাৱ পেলায়। ভাৰতত জাতীয় চিন্তাৰ শিপা গণতন্ত্ৰ, ধৰ্মনিৰপেক্ষতা, সামাজিক ন্যায়ৰ নীতিৰ মাজত সীমাৱদ্ধ।

ইতিপূৰ্বে উল্লিখিত হৈছে আলি আই লিগাং অসমৰ মিছিং জনগোষ্ঠীয়ে পালন কৰা এক উৎসৱ। বছৰৰ আৰম্ভণিত কৃষি কৰ্মত আত্মনিয়োগ কৰাৰ লগতে ভোজ-ভাত খোৱা আৰু আনন্দৰ সময়। এই উৎসৱ মিছিং সংস্কৃতি আৰু ঐতিহ্যৰ অবিচ্ছেদ্য অংগ, য'ত তেওঁলোকৰ চহকী পৰম্পৰা আৰু ৰীতি-নীতি, চিন্তাধাৰা প্ৰতিফলিত হয়।

**জাতীয় আবেগ, জাতীয় চিন্তা আৰু আলি আই লিগাঙৰ সংযোগস্থল ঃ**

আলি আই লিগাঙৰ উদযাপনৰ লগত জাতীয় আবেগ, জাতীয় চিন্তা আৰু সাংস্কৃতিক ঐতিহ্যৰ সংযোগস্থল সন্নিৱিষ্ট কৰা হৈছে।

জাতীয় আবেগক লালন-পালন কৰাৰ উপৰিও আলি আই লিগাংঙে মিছিং সম্প্ৰদায়ৰ মাজত গৌৰৱ আৰু আপোনত্ব ভাৱ জগাই তোলে, জাতীয় আবেগত অৰিহণা যোগায়।

এই উৎসৱত সম্প্ৰদায়, সমন্বয় আৰু উদযাপনৰ ওপৰত গুৰুত্ব দিয়াটোৱে ভাৰতৰ জাতীয় চিন্তাধাৰাক প্ৰতিফলিত কৰে, যিয়ে বৈচিত্ৰ্য, সৰ্বাংগীণতা আৰু সামাজিক সংহতিক মূল্য দিয়ে।

**সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ ঃ** আলি আই লিগাঙৰ মিছিং জনগোষ্ঠীৰ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণত সহায় কৰে, অসমৰ বৈচিত্ৰ্যময় সাংস্কৃতিক পৰিৱেশ সমৃদ্ধ কৰে।

আলি আই লৃগাংৰ উদযাপনে এক অনন্য দৃষ্টি আগবঢ়ায় যাৰ জৰিয়তে জাতীয় আবেগ, জাতীয় চিন্তা আৰু সাংস্কৃতিক ঐতিহ্যৰ সংযোগস্থল পৰীক্ষা কৰিব পাৰি। এই উৎসৱে জাতীয় আবেগৰ মনোভাৱক মূৰ্ত কৰি তোলে, জাতীয় চিন্তাৰ নীতিক প্ৰতিফলিত কৰে, মিছিং জনগোষ্ঠীৰ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ কৰে। ভাৰতৰ বিকাশ অব্যাহত থকাৰ লগে লগে আলি আই লৃগাংৰ দৰে উৎসৱে জাতিটোৰ চহকী বৈচিত্ৰ্য


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

আৰু সাংস্কৃতিক ঐতিহ্য সংৰক্ষণৰ সোঁৱৰণি হিচাপে কাম কৰে।

অসমৰ মিছিং সম্প্ৰদায়ৰ এক উল্লেখযোগ্য উৎসব আলি আই লৃগাঙে জাতি নিৰ্মাণ আৰু সম্প্ৰদায় উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

অসমৰ মিছিং সম্প্ৰদায়ৰ এক উল্লেখযোগ্য উৎসৱ আলি আই লিগাঙে জাতি নিৰ্মাণ আৰু সম্প্ৰদায় উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। আলি আই লৃগাঙে জাতি গঠন আৰু মিছিং সম্প্ৰদায়ত অৰিহণা যোগোৱাৰ কিছুমান উপায় ইয়াত উল্লেখ কৰা হ'ল---

**সামাজিক সংহতি আৰু ঐক্য ঃ**

**সম্প্ৰদায়ৰ বন্ধন ঃ** আলি আই লৃগাঙে মিছিং সম্প্ৰদায়ক একত্ৰিত কৰে, সামাজিক সংহতি আৰু ঐক্যৰ পোষকতা কৰে।

**নিজস্ব পৰিচয় ঃ** এই উৎসবে মিছিং জনগোষ্ঠীৰ মাজত ভাগ কৰা পৰিচয় আৰু নিজৰ বুলি ভবা অনুভৱক শক্তিশালী কৰে।

তদুপৰি ই সাংস্কৃতিক সংৰক্ষণ আৰু পুনৰুজ্জীবিতকৰণ কৰাৰ ক্ষেত্ৰত বিশিষ্ট ভূমিকা পালন কৰে।

**সাংস্কৃতিক ঐতিহ্য ঃ** আলি আই লৃগাংঙে পৰম্পৰাগত গীত, নৃত্য আৰু শিল্পকৰ্মকে ধৰি মিছিং সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ আৰু প্ৰচাৰ কৰাত সহায় কৰে।

**ভাষা প্ৰচাৰ ঃ** এই উৎসবে মিছিং ভাষাৰ ব্যৱহাৰক উৎসাহিত কৰে, ইয়াক পুনৰুজ্জীৱিত আৰু সংৰক্ষণ কৰাত সহায় কৰে।

**পৰ্যটনৰ সুযোগ ঃ** আলি আই লৃগাঙে পৰ্যটকক আকৰ্ষণ কৰে, স্থানীয় মিছিং সম্প্ৰদায়ৰ বাবে আয় আৰু অৰ্থনৈতিক সুযোগৰ সৃষ্টি কৰে।

**স্থানীয় উদ্যোগীকৰণ ঃ** এই উৎসৱে স্থানীয় উদ্যোগীকৰণক প্ৰসাৰিত কৰে, কিয়নো মিছিং শিল্পী আৰু শিল্পীসকলে নিজৰ সামগ্ৰী প্ৰদৰ্শন আৰু বিক্ৰী কৰে।

**সাংস্কৃতিক শিক্ষা ঃ** আলি আই লৃগাঙে নৱ প্ৰজন্মক মিছিং সংস্কৃতি, পৰম্পৰা আৰু ইতিহাসৰ বিষয়ে জ্ঞান দিয়াৰ এক মঞ্চ হিচাপে কাম কৰে।

**সজাগতা আৰু সংবেদনশীলতা ঃ** এই উৎসৱে মিছিং সম্প্ৰদায়ৰ সংগ্ৰাম, আকাংক্ষা আৰু জাতিলৈ অৱদানৰ বিষয়ে সজাগতা সৃষ্টি কৰে।

**ৰাষ্ট্ৰীয় সংহতি আৰু স্বীকৃতি ঃ**

**ৰাষ্ট্ৰীয় স্বীকৃতি ঃ** আলি আই লৃগাঙে অসম চৰকাৰে এক উল্লেখযোগ্য উৎসৱ হিচাপে স্বীকৃতি দিছে, জাতীয় সংহতি আৰু মিছিং সম্প্ৰদায়ৰ স্বীকৃতিৰ প্ৰসাৰ ঘটাইছে।

**আন্তঃসম্প্ৰদায়ৰ আলোচনা ঃ** এই উৎসৱ মিছিং সম্প্ৰদায় আৰু অন্যান্য সম্প্ৰদায়ৰ মাজত আলোচনা আৰু আদান প্ৰদানৰ সুবিধা প্ৰদান কৰে, ৰাষ্ট্ৰীয় সংহতি আৰু সমন্বয়ক লাভান্বিত কৰে।

উল্লেখ কৰা সমীচীন হ'ব যে আলি আই লৃগাং মিছিং সম্প্ৰদায়ৰ পৰিচয়ৰ এক অবিচ্ছেদ্য অংগ আৰু তেওঁ জাতি গঠনত উল্লেখযোগ্য ভূমিকা পালন কৰে। এই উৎসৱে সামাজিক সংহতি, সাংস্কৃতিক সংৰক্ষণ, অৰ্থনৈতিক সবলীকৰণ, শিক্ষা আৰু ৰাষ্ট্ৰীয় সংহতিৰ প্ৰসাৰ ঘটায়, আৰু মিছিং সম্প্ৰদায়ৰ বিকাশ আৰু স্বীকৃতিত অৰিহণা যোগায়।

জাতিগত আৰু জনগোষ্ঠীয় উৎসৱসমূহ নিৰ্দিষ্ট গোষ্ঠীৰ লগত ঘনিষ্ঠভাৱে জড়িত, কিয়নো উৎসৱসমূহে প্ৰায়ে এটা সম্প্ৰদায়ৰ সাংস্কৃতিক পৰিচয়, পৰম্পৰা আৰু মূল্যবোধৰ প্ৰকাশ হিচাপে কাম কৰে।

জাতীয়তাই এটা গোটৰ পৰিচয় সংজ্ঞায়িত কৰা সাংস্কৃতিক ঐতিহ্য, ভাষা, ৰীতি-নীতি আৰু পৰম্পৰাক বুজায়।

আনহাতে জনগোষ্ঠীয় উৎসৱ হৈছে কোনো নিৰ্দিষ্ট জনগোষ্ঠীয়ে নিজৰ সাংস্কৃতিক ঐতিহ্য, পৰম্পৰা আৰু ইতিহাসক স্মৰণ কৰি উদযাপন কৰা অনুষ্ঠান। এই উৎসৱসমূহত প্ৰায়ে সমাজৰ বাবে অনন্য সংগীত, নৃত্য, খাদ্য, শিল্পকৰ্ম, আচাৰ-ব্যৱহাৰ আদি প্ৰদৰ্শন কৰা হয়।

**জনগোষ্ঠীয় উৎসৱৰ গুৰুত্ব ঃ**

**সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ ঃ** জনগোষ্ঠীয় উৎসৱে সাংস্কৃতিক পৰম্পৰা, ৰীতি-নীতি আৰু মূল্যবোধ সংৰক্ষণ কৰাত সহায় কৰে।

**সম্প্ৰদায় গঠন ঃ** উৎসৱসমূহে সম্প্ৰদায়ৰ বন্ধন, সামাজিক সংহতি আৰু আপোনত্ব ভাৱনাক বিকাশ কৰে।

**সাংস্কৃতিক প্ৰকাশ ঃ** জাতিগত উৎসৱ সাংস্কৃতিক প্ৰকাশৰ বাবে এক মঞ্চ প্ৰদান কৰে, সংগীত, নৃত্য, শিল্প আৰু শিল্পকৰ্ম প্ৰদৰ্শন কৰে।

**অৰ্থনৈতিক সৱলীকৰণ ঃ** উৎসৱসমূহে স্থানীয় জনগোষ্ঠীসমূহৰ বাবে আয় আৰু অৰ্থনৈতিক সুযোগ সৃষ্টি


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

কৰিব পাৰে।

**বৈচিত্ৰ্য আৰু অন্তৰ্ভুক্তিক প্ৰসাৰ ঃ** জাতিগত উৎসৱসমূহে বৈচিত্ৰ্যক উদযাপন কৰে, সাংস্কৃতিক ভিন্নতাৰ মাজৰ ঐক্য আৰু অন্তৰ্ভুক্তিক প্ৰসাৰিত কৰে।

**জনগোষ্ঠীয় উৎসৱৰ উদাহৰণ ঃ**

**ভাৰত ঃ** দীপাৱলী (হিন্দু), ঈদ-উল-ফিতৰ (মুছলমান), বৈশাখী (শিখ) আৰু আলি আই লৃগাং (মিছিং)।

**আফ্ৰিকা ঃ** আফ্ৰ'ফিংষ্টেন (ঘানীয়া), দৰবাৰ উৎসৱ (হাউছা) আৰু এনকুটাটেছ (ইথিওপিয়ান)।

**এছিয়া ঃ** চীনা নৱবৰ্ষ (চীনা), ছংক্ৰান জল উৎসৱ (থাই) আৰু চেৰী ব্লাছম উৎসৱ (জাপানী)।

**জাতিগত উৎসৱৰ সন্মুখীন হোৱা প্ৰত্যাহ্বান ঃ**

**সাংস্কৃতিক খহনীয়া ঃ** বিশ্বায়ন আৰু নগৰায়নে সাংস্কৃতিক খহনীয়া আৰু পৰম্পৰাগত পদ্ধতি হেৰুৱাব পাৰে।

**বাণিজ্যিকীকৰণ ঃ** উৎসৱবোৰ অত্যধিক বাণিজ্যিকীকৰণ হ'লে, ইয়াৰ সাংস্কৃতিক তাৎপৰ্য হেৰুৱাব পাৰে।

**অসহিষ্ণুতা আৰু বৈষম্য ঃ** জনগোষ্ঠীয় উৎসৱত অসহিষ্ণুতা আৰু বৈষম্যৰ প্ৰভাৱ পৰিব পাৰে, যাৰ ফলত সাংস্কৃতিক বৈচিত্ৰ্যৰ প্ৰতি ভাবুকি আহিব পাৰে।

জাতিগত উৎসৱসমূহ সাংস্কৃতিক পৰিচয়, সম্প্ৰদায় আৰু পৰম্পৰাৰ অতি গুৰুত্বপূৰ্ণ প্ৰকাশ। সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ, বৈচিত্ৰ্য আৰু অন্তৰ্ভুক্তিক প্ৰসাৰ আৰু সম্প্ৰদায় গঠনৰ লালন-পালনত ইহঁতে উল্লেখযোগ্য ভূমিকা পালন কৰে। অৱশ্যে জনগোষ্ঠীয় উৎসৱসমূহেও এনে প্ৰত্যাহ্বানৰ সন্মুখীন হয় যিবোৰৰ উদ্যাপন আৰু সাংস্কৃতিক তাৎপৰ্য অব্যাহত ৰাখিবলৈ মনোযোগ আৰু সমৰ্থনৰ প্ৰয়োজন।

আলি আই লৃগাংৰ সৈতে জড়িত সংস্কৃতি ৰক্ষাৰ বাবে বহুমুখী পন্থাৰ প্ৰয়োজন। এই চহকী সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ আৰু প্ৰচাৰৰ কিছুমান উপায় আগবঢ়োৱা হ'ল--

**নথিপত্ৰ আৰু আৰ্কাইভিং ঃ**

**পৰম্পৰাগত গীত আৰু নৃত্য ৰেকৰ্ড কৰা ঃ** আলি আই লৃগাংৰ সৈতে জড়িত পৰম্পৰাগত গীত, নৃত্য আৰু বাদ্যযন্ত্ৰৰ নথিভুক্ত কৰা।

**লোককথা আৰু গল্প লিখা ঃ** উৎসৱৰ লগত জড়িত গল্প, মিথ, কিংবদন্তি লিপিবদ্ধ কৰা।

**ফটোগ্ৰাফ আৰু ভিডিঅ'গ্ৰাফ ঃ** ফটো আৰু ভিডিঅ'ৰ জৰিয়তে উৎসৱৰ অনুষ্ঠান, অনুষ্ঠান, উদযাপনসমূহ বন্দী কৰি ৰখা।

**সম্প্ৰদায়ৰ সংযোগ আৰু সম্প্ৰদায় কৰ্মশালা ঃ** আলি আই লৃগাংৰ সৈতে জড়িত পৰম্পৰাগত গীত, নৃত্য আৰু শিল্পকৰ্ম শিকোৱাৰ বাবে কৰ্মশালাৰ আয়োজন কৰা।

**সাংস্কৃতিক শিবিৰ ঃ** শিশুসকলৰ বাবে উৎসৱৰ তাৎপৰ্য আৰু পৰম্পৰাৰ বিষয়ে জানিবলৈ সাংস্কৃতিক শিবিৰ অনুষ্ঠিত কৰা।

**ভাষা সংৰক্ষণ ঃ**

বিশেষকৈ নৱ প্ৰজন্মৰ মাজত মিছিং ভাষাৰ ব্যৱহাৰক উৎসাহিত কৰা।

**পৰম্পৰাগত পদ্ধতিসমূহৰ সংৰক্ষণ ঃ**

**অনুষ্ঠান আৰু অনুষ্ঠান ঃ** আলি আই লিগাংৰ লগত জড়িত পৰম্পৰাগত আচাৰ-অনুষ্ঠান আৰু অনুষ্ঠানসমূহ অব্যাহত ৰখাটো নিশ্চিত কৰা।

**পৰম্পৰাগত সাজ-পোছাক ঃ** উৎসৱৰ সময়ত পৰম্পৰাগত সাজ-পোছাক পৰিধান কৰিবলৈ উৎসাহিত কৰা।

**খাদ্য আৰু ৰান্ধনীশাল ঃ** উৎসৱৰ লগত জড়িত পৰম্পৰাগত ৰেচিপি আৰু ৰন্ধন পদ্ধতি সংৰক্ষণ কৰা।

**প্ৰচাৰ আৰু প্ৰচাৰ ঃ**

**উৎসৱ পৰ্যটন ঃ** মিছিং সংস্কৃতি প্ৰদৰ্শনৰ বাবে আলি আই লৃগাংক পৰ্যটকৰ আকৰ্ষণ হিচাপে প্ৰচাৰ কৰা।

**ছ'চিয়েল মিডিয়া ঃ** উৎসৱৰ বিষয়ে তথ্য, ছবি আৰু ভিডিঅ' শ্বেয়াৰ কৰিবলৈ ছ'চিয়েল মিডিয়া প্লেটফৰ্ম ব্যৱহাৰ কৰা।

**সাংস্কৃতিক প্ৰতিষ্ঠানৰ সৈতে সহযোগিতা ঃ** মিছিং সংস্কৃতিৰ প্ৰচাৰ আৰু সংৰক্ষণৰ বাবে সাংস্কৃতিক প্ৰতিষ্ঠান, সংগ্ৰহালয় আৰু বিশ্ববিদ্যালয়ৰ সৈতে অংশীদাৰ।

**চৰকাৰী সমৰ্থন আৰু স্বীকৃতি ঃ**

**চৰকাৰী স্বীকৃতি ঃ** মিছিং সংস্কৃতিক সুৰক্ষা আৰু প্ৰসাৰৰ বাবে চৰকাৰৰ পৰা স্বীকৃতি আৰু সমৰ্থন বিচৰা।

**সাংস্কৃতিক নীতি ঃ** মিছিং সংস্কৃতিক ৰাজ্যৰ


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

সাংস্কৃতিক নীতিত অন্তৰ্ভুক্ত কৰাৰ পোষকতা কৰা।

**পুঁজি আৰু অনুদান ঃ** সাংস্কৃতিক সংৰক্ষণ আৰু প্ৰচাৰৰ পদক্ষেপক সমৰ্থন কৰিবলৈ পুঁজি আৰু অনুদানৰ বাবে আবেদন কৰা।

এই ব্যৱস্থাসমূহ কাৰ্যকৰী কৰিলে আলি আই লৃগাংৰ সৈতে জড়িত সংস্কৃতিক সুৰক্ষিত, সংৰক্ষণ আৰু ভৱিষ্যৎ প্ৰজন্মৰ বাবে প্ৰচাৰ কৰিব পৰা যায়।

ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সম্ভাৱনাত আলি আই লৃগাংঙক সুৰক্ষা আৰু অন্বেষণ কৰিবলৈ বহুমুখী পদ্ধতিৰ প্ৰয়োজন। ইয়াত কিছুমান কৌশল দিয়া হ'ল--

**ৰাষ্ট্ৰীয় সম্ভাৱনা ঃ**

**নথিপত্ৰ আৰু আৰ্কাইভিং ঃ** উৎসৱৰ ইতিহাস, পৰম্পৰা আৰু সাংস্কৃতিক তাৎপৰ্যৰ নথিভুক্ত কৰা। ফটোগ্ৰাফ, ভিডিঅ' আৰু লিখিত ৰেকৰ্ডৰ এটা আৰ্কাইভ সৃষ্টি কৰক।

**সাংস্কৃতিক বিনিময় কাৰ্যসূচী ঃ** আলি আই লৃগাঙৰ অনন্য ঐতিহ্য প্ৰদৰ্শনৰ বাবে অন্যান্য ৰাজ্য আৰু দেশৰ সৈতে সাংস্কৃতিক বিনিময় কাৰ্যসূচী আয়োজন কৰা।

**উৎসৱ পৰ্যটন ঃ** আলি আই লৃগাংঙক পৰ্যটকৰ আকৰ্ষণ হিচাপে প্ৰচাৰ কৰা, ইয়াৰ সাংস্কৃতিক তাৎপৰ্য আৰু অনন্য অভিজ্ঞতাক উজ্জ্বল কৰি তোলা।

**চৰকাৰী স্বীকৃতি ঃ** সাংস্কৃতিক আৰু পৰ্যটন মন্ত্ৰালয়কে ধৰি ভাৰত চৰকাৰৰ পৰা স্বীকৃতি আৰু সমৰ্থন বিচৰা।

**সম্প্ৰদায়ৰ সংযোগ ঃ** মিছিং সম্প্ৰদায়ৰ সৈতে জড়িত হৈ তেওঁলোকৰ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ আৰু প্ৰচাৰ কৰা।

**আন্তঃৰাষ্ট্ৰীয় সম্ভাৱনা ঃ**

**ইউনেস্কোৰ স্পষ্ট সাংস্কৃতিক ঐতিহ্য ঃ** ইউনেস্কোৰ স্পষ্ট সাংস্কৃতিক ঐতিহ্য তালিকাৰ বাবে আলি আই লৃগাঙক মনোনীত কৰা, ইয়াৰ বিশ্বব্যাপী সাংস্কৃতিক তাৎপৰ্যক স্বীকৃতি দিয়া।

**আন্তঃৰাষ্ট্ৰীয় উৎসৱত অংশগ্ৰহণ ঃ** আন্তঃৰাষ্ট্ৰীয় উৎসৱ আৰু অনুষ্ঠানত অংশগ্ৰহণ কৰা, আলি আই লৃগাঙৰ অনন্য সাংস্কৃতিক ঐতিহ্য প্ৰদৰ্শন কৰা।

**সাংস্কৃতিক কূটনীতি ঃ** সাংস্কৃতিক কূটনীতিৰ আহিলা হিচাপে আলি আই লৃগাঙক ব্যৱহাৰ কৰা, ক্ৰছ-কলচাৰেল বুজাবুজি আৰু বিনিময়ৰ প্ৰসাৰ।

**ডিজিটেল প্লেটফৰ্ম ঃ** আলি আই লৃগাংৰ সাংস্কৃতিক ঐতিহ্যক বিশ্বজুৰি প্ৰদৰ্শন কৰিবলৈ ছ'চিয়েল মিডিয়া আৰু অনলাইন সংগ্ৰহালয়ৰ দৰে ডিজিটেল প্লেটফৰ্মৰ লাভ উঠাওক।

**আন্তঃৰাষ্ট্ৰীয় সহযোগিতা ঃ** আলি আই লিগাংৰ সাংস্কৃতিক ঐতিহ্যৰ প্ৰচাৰ আৰু সংৰক্ষণৰ বাবে আন্তঃৰাষ্ট্ৰীয় সংস্থা, সংগ্ৰহালয় আৰু সাংস্কৃতিক প্ৰতিষ্ঠানৰ সৈতে সহযোগিতা কৰা।

**সংৰক্ষণ আৰু সুৰক্ষা ঃ**

**সম্প্ৰদায়ৰ নেতৃত্বত সংৰক্ষণ ঃ** মিছিং সম্প্ৰদায়ক সংৰক্ষণ প্ৰচেষ্টাৰ নেতৃত্ব দিবলৈ শক্তিশালী কৰা, তেওঁলোকৰ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ আৰু সুৰক্ষিত কৰাটো নিশ্চিত কৰা।

**সাংস্কৃতিক ঐতিহ্য নীতি ঃ** আলি আই লৃগাংৰ সাংস্কৃতিক তাৎপৰ্য আৰু পৰম্পৰা ৰক্ষাৰ বাবে সাংস্কৃতিক ঐতিহ্য ৰক্ষাৰ নীতি প্ৰস্তুত কৰা।

**বৌদ্ধিক সম্পত্তিৰ অধিকাৰ ঃ** বৌদ্ধিক সম্পত্তিৰ অধিকাৰৰ জৰিয়তে আলি আই লৃগাঙৰ সাংস্কৃতিক প্ৰকাশ, যেনে সংগীত আৰু নৃত্যক সুৰক্ষিত কৰা।

**বহনক্ষম পৰ্যটন ঃ** বহনক্ষম পৰ্যটন পদ্ধতিক প্ৰসাৰিত কৰা, পৰ্যটন উন্নয়নে যাতে উৎসৱৰ সাংস্কৃতিক অখণ্ডতাৰ লগত আপোচ নকৰে।

**শিক্ষা আৰু সজাগতা ঃ** আলি আই লৃগাংৰ ঐতিহ্য সংৰক্ষণৰ সাংস্কৃতিক তাৎপৰ্য আৰু গুৰুত্বৰ বিষয়ে জ্ঞান আৰু সজাগতা বৃদ্ধি কৰা।

গতিকে আলি আই লৃগাঙৰ দৰে জাতিগত উৎসৱসমূহে এটা সম্প্ৰদায়ৰ সাংস্কৃতিক ঐতিহ্যৰ গুৰুত্বপূৰ্ণ উপাদান, পৰম্পৰা সংৰক্ষণ, সাংস্কৃতিক পৰিচয় প্ৰসাৰ আৰু সম্প্ৰদায়ৰ সংহতি গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই উৎসবসমূহে সাংস্কৃতিক প্ৰকাশ, সামাজিক বন্ধন আৰু অৰ্থনৈতিক সবলীকৰণৰ বাবে এক মঞ্চ প্ৰদান কৰে।

সামৰণিত ক'ব পাৰি যে, আলি আই লৃগাং মিছিং সম্প্ৰদায়ৰ পৰিচয়ৰ এক অবিচ্ছেদ্য অংগ আৰু ই জাতি গঠনত উল্লেখযোগ্য ভূমিকা পালন কৰে। এই উৎসৱে সামাজিক সংহতি, সাংস্কৃতিক সংৰক্ষণ, অৰ্থনৈতিক সবলীকৰণ, শিক্ষা আৰু ৰাষ্ট্ৰীয় সংহতিৰ প্ৰসাৰ ঘটায়, আৰু মিছিং সম্প্ৰদায়ৰ বিকাশ আৰু স্বীকৃতিত অৰিহণা যোগায়।

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

প্ৰসংগ পুথিসমূহ ঃ

1. Sarma, Ashok. Folk Culture of the Misings of Assam : Tradition and Change. New Delhi : Decent Books, 2004.
2. Mipun, Jatin. The Mishings (Miris) of Assam. New Delhi : Gyan Publishing House.
3. Taid, Tabu (Compiled & Translated). Mising Folk Tales. New Delhi : Sahitya Akademi, 2013.
4. Doley, B.K. Mising Culture and Society. Guwahati : Banalata Publications.
5. Goswami, Praphulladatta. Aspects of Folklore of Assam. Guwahati : Bani Prakash.
6. Baruah, S.L. A Comprehensive History of Assam. New Delhi : Munshiram Manoharlal Publishers.

❖ ❖ ❖

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

# জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'ৰূপালীম' নাটকৰ নাট্যধৰ্মীতা আৰু কাব্যধৰ্মীতা

✍ **জেৰিণা বৰুৱা**
গৱেষক ছাত্ৰী
কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয়, ন-সত্ৰ

**সংক্ষিপ্তসাৰ ঃ**

জ্যোতিপ্ৰসাদ আগৰৱালা অসমীয়া সাহিত্য-সংস্কৃতিৰ এক উজ্জ্বল নক্ষত্ৰ। 'ৰূপালীম'(১৯৩৬) নাটকখনিত তেওঁৰ সৃষ্টিশীলতাৰ এক চূড়ান্ত ৰূপ প্ৰকাশ পাইছে। ইয়াত নাট্যকাৰে নাট্যধৰ্মীতা আৰু কাব্যধৰ্মীতাৰ এক অপূৰ্ব সমন্বয় সাধন কৰিছে। নাটখনিত নাট্যধৰ্মীতাৰ দিশলৈ মন কৰিলে দেখা যায় যে ইয়াৰ বিষয়বস্তু আৰু সংঘাত, চৰিত্ৰ চিত্ৰণ, সংলাপ, মঞ্চযোগ্যতা আৰু কাব্যধৰ্মীতাৰ দিশলৈ মন কৰিলে দেখা যায় যে নাটখনিৰ ভাষা-শৈলী, অলংকাৰ, সংগীত, প্ৰতীক, ৰূপক, আবেগ অনুভূতিৰ গভীৰতাই এক মহাকাব্যিক ৰূপ দিছে। 'ৰূপালীম' নাটকখনিত নাট্যকাৰে নাটকৰ বাস্তৱতা আৰু কবিতাৰ ৰোমাণ্টিকতাৰ মাজত এক সুনিৰ্দেশিত সমতা ৰক্ষা কৰিবলৈ সক্ষম হৈছে। সংঘাতপূৰ্ণ নাটকীয় ঘটনা,কাব্যিক ভাষা,সংগীত আৰু প্ৰতাকী অভিব্যক্তিৰে সমৃদ্ধ হৈ এক নতুন শিল্পৰূপ হৈ পৰিছে। এই সমন্বয়েই 'ৰূপালীমক এক 'গীতিনাট্য' বা 'Lyrical Drama' ৰূপে চিনাকি কৰাই দিছে। গতিকে নিসন্দেহে ক'ব পাৰি যে 'ৰূপালীম' নাটকখনি  নাট্যধৰ্মীতা আৰু কাব্যধৰ্মীতাৰ এক অপূৰ্ব সংমিশ্ৰণ। জ্যোতিপ্ৰসাদ আগৰৱালাই ইয়াত কেৱল এটা কাহিনী বৰ্ণনা কৰা নাই,বৰঞ্চ কবিতা,সংগীত আৰু অভিনয়ৰ ত্ৰিবেণী সংগম ঘটাইছে। এইদৰেই 'ৰূপালীম' জ্যোতি প্ৰসাদৰ এক শ্ৰেষ্ঠ আৰু চিৰসেউজ সৃষ্টিৰূপে পৰিচিত হৈ আহিছে।

**বীজ শব্দ ঃ** জ্যোতিপ্ৰসাদ, নাটক, ৰূপালীম, মায়াব', মণিমুগ্ধ

**১.০০ অৱতৰনিকা ঃ**

অসমীয়া নাট্য সাহিত্যৰ ইতিহাসত বিশেষ বিশেষ যুগসমূহত অসমৰ সমাজ জীৱনক দিক্ দৰ্শন কৰাৰ ক্ষেত্ৰত শংকৰদেৱ, বেজবৰুৱাৰ দৰে জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাম উল্লেখযোগ্য। গীত, কাব্য, প্ৰবন্ধ আদিৰ লগতে নাটকৰ মাজতো জ্যোতিপ্ৰসাদ আগৰৱালাদেৰৰ দৃষ্টি আৰু দৰ্শন বিয়পি আছে। তেওঁৰ দৃষ্টিভংগীৰ আধাৰ হ'ল সুন্দৰ সমাজ তথা পৃথিৱী গঢ়াৰ আদৰ্শৰ ভেটি। তেওঁ কেইবাখনো নাটক ৰচনা কৰিছে। তাৰ ভিতৰত এখন উল্লেখযোগ্য নাটক হ'ল- 'ৰূপালীম'। জ্যোতিপ্ৰসাদৰ শিল্পীসুলভ দৃষ্টিভংগীৰ স্পষ্টতাৰে বিদ্যমান 'ৰূপালীম' নাটকখন হৈছে কাহিনী সাহিত্য। সম্পূৰ্ণৰূপে ৰোমাণ্টিকধৰ্মী নাটকখন

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

ৰুকমী নামৰ কাল্পনিক ৰাজ্যৰ ছোৱালী ৰূপালীমৰ কাহিনীক কেন্দ্ৰ কৰি নাটকীয় বিষয়বস্তুৰে সুন্দৰভাবে গঢ় দিছে। তদুপৰি কবিত্বময়তাও নাটকখনৰ এক বিশেষত্ব। আলোচনা পত্ৰৰ বিষয় অনুসৰি 'ৰূপালীম' নাটকৰ 'নাট্যধৰ্মিতা' আৰু 'কাব্যধৰ্মিতা'ৰ বিষয়ে আলোচনা কৰাৰ প্ৰয়াস কৰা হ'ল।

**২.০০ আলোচনা পত্ৰখনৰ অধ্যয়নৰ উদ্দেশ্য ঃ**

এই আলোচনা পত্ৰখনৰ অধ্যয়নৰ উদ্দেশ্য হৈছে-- জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'ৰূপালীম' নাটকৰ 'নাট্যধৰ্মীতা' আৰু 'কাব্যধৰ্মীতা' সম্পৰ্কে আলোচনা কৰা।

**৩.০০ আলোচনা পত্ৰখনৰ পৰিসৰ ঃ**

ৰূপালীম নাটকখনত নাট্যকাৰে নাটকীয় আৰু কাব্যিক বৈশিষ্ট্যৰে সমৃদ্ধ কৰিছে। বিশেষকৈ গীত,অভিনয়,নাটকীয় উপাদান আদিৰ উপৰিও সংলাপ,কাব্যিক লক্ষণ আৰু ভাৱপুষ্ট সংলাপ আদিৰ আলোচনাক আলোচনা পত্ৰখনিৰ আওতালৈ অনা হৈছে।

**৪.০০ পদ্ধতি ঃ** আলোচনা পত্ৰখনি যুগুত কৰোঁতে প্ৰয়োজনীয়তাৰ স্বাৰ্থত বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে।

**৫.০০ জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাট্যসম্ভাৰ ঃ**

বিংশ শতিকাৰ প্ৰথমাৰ্ধৰ সহিত্যিক ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা। আধুনিক অসমীয়া নাট্য সাহিত্যৰ বিকাশৰ ক্ষেত্ৰত আগৰৱালাৰ নাটকক এক মাইলৰ খুটি হিচাপে বিবেচনা কৰিব পাৰি। তেওঁ ছখন পূৰ্ণাংগ নাটক ৰচনা কৰি থৈ গৈছে। সেইসমূহ এনেধৰণৰ--

১। শোণিতকুঁৱৰী (১৯১৭)।
২। কাৰেঙৰ লিগিৰী (১৯২৫), প্ৰকাশ (১৯৩৬)
৩। ৰূপালীম (১৯৩৬), প্ৰকাশ (১৯৬০)
৪। লভিতা (১৯৪৫), প্ৰকাশ (১৯৪৮)
৫। নিমাতী কইনা বা ৰূপকোঁৱৰ (১৯৩৬)
৬। খনিকৰ (১৯২৯-১৯৪০)

এই কেইখন সম্পূৰ্ণ নাটকৰ উপৰিও তেওঁৰ শিশুনাট 'সোণপখিলী', 'কনকলতা', 'সুন্দৰ কোঁৱৰ' এই তিনিখন নাটো ৰচনা কৰিছিল। কিন্তু এই তিনিখন অসম্পূৰ্ণ হৈ ৰ'ল। জ্যোতিপ্ৰসাদৰ এই নাটককেইখনৰ মাজেদি তেওঁৰ সৃষ্টিশীল শিল্পীসত্তা পৰিস্ফুট হৈ উঠিছে। উল্লেখযোগ্য যে বিষয়, আংগিক সমাজমুখী বাস্তৱ দৃষ্টিভংগীৰে জ্যোতিপ্ৰসাদে অসমীয়া নাট্য সাহিত্যক এক নতুন নাট্য ৰীতি দান কৰিলে।

**৬.০০ 'ৰূপালীম' নাটকৰ নাট্যধৰ্মীতা ঃ**

জ্যোতিপ্ৰসাদৰ শিল্পীসুলভ দৃষ্টিভংগীৰ স্পষ্টতাৰে বিদ্যমান 'ৰূপালীম' নাটকখন হৈছে কাহিনী সাহিত্য। নাটকৰ মাজেৰে নাট্যকাৰৰ বক্তব্য অথবা জীৱন দৰ্শন প্ৰকাশৰ বাবে এটা কাহিনীৰ প্ৰয়োজন স্বীকাৰ কৰিবই লাগিব। 'ৰূপালীম' নাটকখনতো নাট্যকাৰ গৰাকীয়ে যিটো কাহিনী পৰিকল্পনা কৰিছে, সেই কাহিনী সু-পৰিকল্পিত আৰু অত্যন্ত আঁটিল। সম্পূৰ্ণৰূপে ৰোমাণ্টিকধৰ্মী নাটকখন ৰূকমী নামৰ কাল্পনিক ৰাজ্যৰ ছোৱালী ৰূপালীমৰ কাহিনীক কেন্দ্ৰ কৰি নাটকীয় বিষয়বস্তুৰে সুন্দৰভাৱে গঢ় দিছে। কাহিনী, চৰিত্ৰ, সংঘাত, পৰিৱেশ সৃষ্টিকে ধৰি মঞ্চসজ্জা আৰু লগতে নাট্যকাৰৰ জীৱন দৰ্শন আদি নাটকীয় গুণাগুণেৰে সমৃদ্ধ 'ৰূপালীম' নাটকৰ জৰিয়তে নাট্যকাৰৰ নাট্যিপ্ৰতিভা পৰিস্ফুট হৈছে। এই বিষয়ে আলোচনা কৰা হওক-

**৬.০১ কাহিনী ঃ**

ৰোমাণ্টিক আৱেশেৰে পৰিপূৰ্ণ 'ৰূপালীম' নাটকখনৰ কাহিনী গঢ়ি তোলা হৈছে মধ্যযুগীয় পটভূমিত ৰূকমী নামৰ বৌদ্ধ জনজাতিৰ সামন্তযুগীয় সমাজ জীৱনত ঘটা মানবীয় ঈৰ্ষা আৰু সামাজিক নিয়মৰ কঠোৰতাই প্ৰেমৰ পথত অন্তৰায় হৈ কেনেকৈ ৰূপালীম নামৰ সুন্দৰী, নিষ্কলুষ ছোৱালীজনীক হত্যা কৰিলে এই বিষয়বস্তুৰ ওপৰত।

ৰূপালীম আৰু মায়াব' এই দুয়োৰে মাজৰ প্ৰেমক বৈবাহিক ৰূপ দিবৰ বাবে সামাজিক প্ৰথা অনুসৰি মায়াব'ই ৰূপালীমৰ দেউতাকক এটা বাঘ মাৰি তাৰ মূৰটো দিবহি লাগে। মায়াব'ই নিজ হাতে মাৰি অনা বাঘটো ৰাজকোঁৱৰ মণিমুগ্ধই তেওঁ মৰা বুলি দাবী কৰিলে। হঠাৎ তাত ৰূপহী ৰূপালীমক লৈ যোৱাৰ বাবে ন্যায় বিচাৰি ৰূপালীমৰ ককাক জুনাফাই ৰজাক আবেদন কৰিও কোনো ফল নাপালে। আনহাতে ইতিভেনে মণিমুগ্ধৰ আচৰণত ক্ষুব্ধ হৈ মণিমুগ্ধৰ নগৰ আক্ৰমণ কৰালে। ইতিভেনক মণিমুগ্ধই বন্দী কৰিলে। এই সুযোগতে ৰূপালীম পলাই গ'ল যদিও মণিমুগ্ধৰ চৰ-চন্তৰীয়ে ৰূপালীমক


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

পুনৰ বন্দী কৰিলে দেউতাক জুনাফা, প্ৰেমিক মায়াব' আৰু নিজৰ দেশ এই তিনিওটাকে মণিমুগ্ধৰ কোপানলৰ পৰা ৰক্ষা কৰিবলৈ ৰূপালীমে মণিমুগ্ধৰ ওচৰত আত্মসমৰ্পণ কৰাৰ সিদ্ধান্ত ল'লে। ৰূপালীমে এই প্ৰতিশ্ৰুতি দিয়াত মণিমুগ্ধই বাকী সকলোকে এৰি দিলে। কিন্তু মণিমুগ্ধৰ অন্তৰত লাহে লাহে ৰূপালীমৰ দেহ সৌন্দৰ্যতকৈ তেওঁৰ মনোবলৰ সৌন্দৰ্যই হয়তো অজানিতে ক্ৰিয়া কৰিবলৈ ধৰিলে আৰু তেওঁ ৰূপালীমৰ প্ৰতি দেহজ আসক্তি যেন হেৰুৱাই পেলালে। তেওঁ ৰূপালীমক স-সন্মানে মুক্তি দিলে। ৰূপালীম ঘূৰি গ'ল কিন্তু তেওঁৰ নিজৰ সতীত্ব ৰক্ষা কৰি ঘূৰি যোৱাৰ পিছতো সমাজে বিশ্বাসত নল'লে। এইক্ষেত্ৰত ইতিভেনৰ ঈৰ্ষাই অধিক ইন্ধন যোগালে আৰু সমাজে ৰূপালীমক মৃত্যুদণ্ডেৰে দণ্ডিত কৰিলে।

সাতটা অংকবিশিষ্ট 'ৰূপালীম'ৰ কাহিনীত নাট্যোৎকণ্ঠা বিদ্যমান, সুপৰিকল্পিত আৰু আটিল কাহিনীৰূপে শ্ৰোতাক সহজে আকৰ্ষিত কৰিছে।

**৬.০২ চৰিত্ৰাংকন ঃ**

ৰূপালীম নাটকৰ কাহিনী যিদৰে আটিল চৰিত্ৰ সেইদৰে বিভিন্ন আৰু বিচিত্ৰ মানবীয় অনুভূতিৰে বৈচিত্ৰময় আৰু গতিশীল। নাট্যকাৰে পাতনিত উল্লেখ কৰিছে- "এই 'ৰূপালীম' নাটৰ ঘটনা, চৰিত্ৰ, মানুহ সকলো মনেৰে গঢ়াহে অৰ্থাৎ কাল্পনিক। ইয়াত আদৰ্শ চৰিত্ৰ দাঙি ধৰাতকৈ চৰিত্ৰৰ বিচিত্ৰতাহে দেখুৱাবলৈ প্ৰয়াস দেখা গৈছে। নাটকখনত মুঠ আঠটা চৰিত্ৰ পোৱা যায়- মণিমুগ্ধ, ৰেনথিয়াং, ৰূকমীৰাজ, মায়াব', ৰিমু, জুনাফা, ইতিভেন আৰু ৰূপালীম। ইয়াৰ উপৰি লিগিৰা, নাচনী, ৰূকমী গাভৰু, প্ৰজা, সৈন্য-সামন্ত, বিষয়া-ডাঙৰীয়া আদি চৰিত্ৰৰো অৱতাৰণা কৰিছে। সঁচাকৈ এই চৰিত্ৰসমূহৰ মাজেৰে বিচিত্ৰতা প্ৰকাশ পাইছে। প্ৰধানভাবে তিনিটা শ্ৰেণী চৰিত্ৰই মানুহৰ চাৰিত্ৰিক বৈশিষ্ট্য প্ৰকাশ কৰিছে—

ক) এটা শ্ৰেণীৰ মাজেদি প্ৰকাশ পাইছে তথাকথিত সহজ-সৰল, দুৰ্বল শ্ৰেণীৰ মানুহৰ জীৱন কাহিনী। এইটো শ্ৰেণীত আছে মায়াব', জুনাফা আৰু ৰূপালীম।

খ) দ্বিতীয় শ্ৰেণীটোত আছে ৰূকমী ৰজা, ৰেণথিয়াং আৰু মণিমুগ্ধৰ দৰে ভোগ বিলাসত মতলীয়া শাসকীয় শ্ৰেণীটো।

গ) তৃতীয় শ্ৰেণীটোত সোমাই আছে ইতিভেন আৰু নাটকখনত সামান্য ভূমিকাৰে ৰূকমী ডেকা ৰিমুৰ চৰিত্ৰ। মুঠতে প্ৰত্যেকটি চৰিত্ৰই আপোন বৈশিষ্ট্যৰে সমুজ্জ্বল, প্ৰাণবন্ত আৰু গতিশীল বুলি ক'ব পাৰি।

**৬.০৩ সংঘাতৰ প্ৰতিফলন ঃ**

সংঘাতৰ ওপৰত নিৰ্ভৰ কৰিয়েই কাহিনী আগবঢ়াই নিয়া হয় আৰু সেয়ে নাটকৰ কাহিনীত সংঘাতৰ প্ৰয়োজনীয়তা স্বীকাৰ কৰিবই লাগিব। 'ৰূপালীম' নাটকতো বিভিন্ন ক্ষেত্ৰত সৃষ্টি হোৱা সংঘাতৰ মাজেৰে নাট্যকাহিনী আগবাঢ়ি গৈছে। নাটকখনত বহিৰ্দ্বন্দ্ব আৰু অন্তৰ্দ্বন্দ্ব দুয়োটাই ফুটি উঠিছে।

নাটকখনৰ প্ৰথম অংকত ফুলৰ সুৰভি কোমল আৰেষ্টনীৰ মাজতে নাট্য কাহিনীৰ সংঘাতৰ বীজ ৰোপন কৰা হৈছে। জুনাফাৰ চৰ্তই সেই বীজ ৰোপন কৰিছে। মণিমুগ্ধই ৰূপালীমক জোৰ কৰি ধৰি নিয়াৰ সময়ৰ পৰাই সংঘাত ক্ৰমে তীব্ৰ হৈ উঠিছে। ইতিভেনৰ বিদ্ৰোহে সেই সংঘাত আৰু তীব্ৰ কৰি তুলিছে। নাটকখনত এনে বহিৰ্সংঘাত প্ৰতিটো অংকতে দেখা যায়।

মণিমুগ্ধ আৰু ইতিভেনৰ চৰিত্ৰৰ মাজেৰে অন্তঃ সংঘাতৰ উমান পাব পাৰি। ৰূপালীমক মুক্তি দিয়া কাৰ্যত মণিমুগ্ধৰ অন্তঃ সংঘাতৰ উমান পোৱা যায়। ইতিভেনৰ ক্ষেত্ৰতো অন্তঃ সংঘাতৰ প্ৰতিফলন ঘটিছে। এফালে প্ৰেমিক আনফালে ৰূপালীম। ইতিভেন এই দুয়োকে লৈ সমস্যাত পৰিছে। ৰূপালীমক উদ্ধাৰ কৰিবলৈ গৈ মণিমুগ্ধক আঘাত কৰিছে। আঘাতপ্ৰাপ্ত মণিমুগ্ধক লৈ পুনৰ উদ্বাউল হৈ পৰিছে। ৰূপালীমৰ ক্ষেত্ৰত এফালে দেশ আনফালে মণিমুগ্ধৰ অন্যায় দাবী এই বিষয়ে কিছু অন্তঃ সংঘাতৰ সৃষ্টি কৰিছে।

সপ্তম অংকত নাটকীয় সংঘাত তীব্ৰ কৰিবৰ কাৰণে ৰূপালীমক চিতাত উঠোৱা হৈছে আৰু জ্বলাই দিয়াও হৈছে। এইদৰে নাটকখনৰ বিভিন্ন ক্ষেত্ৰত সংঘাতৰ সৃষ্টি কৰি কাহিনীভাগ আগুৱাই নিয়া হৈছে।

**৬.০৪ নাট্যকাৰৰ জীৱন দৰ্শন ঃ**

'ৰূপালীম' নাটকখনৰ মাজেদি জ্যোতিপ্ৰসাদৰ জীৱন দৰ্শন সুন্দৰভাৱে প্ৰকাশ পাইছে। তেওঁ ভৰ যৌৱনৰ পৰত ৰচনা কৰা নাটক এইখন। এইখিনি পৰত জীৱন আৰু সমাজ সম্পৰ্কে জ্যোতিপ্ৰসাদৰ দৃষ্টিভংগী দৃঢ় আৰু স্পষ্ট হৈ উঠিছে। চাহ-


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

বাগিছাৰ মালিক হিচাপে ভোগী আৰু বিলাসী জীৱনৰ মোহগ্ৰস্ততাক ছিন্ন কৰি সাধাৰণজনৰ দৰে ত্যাগী জীৱন-যাপন কৰা শিল্পৰ সাধক আৰু জনতাৰ সেৱক জ্যোতিপ্ৰসাদৰ দৃষ্টিত ভোগ আৰু বিলাসী শ্ৰেণীৰ প্ৰতিভূ ৰাজশক্তিৰ প্ৰতি বিতৃষ্ণা আৰু ভ্ৰুকুটি প্ৰকাশ পাইছে ৰূকমী ৰজাৰ চাৰিত্ৰিক বৈশিষ্ট্য আৰু অৱস্থাৰ পৰিবৰ্তনৰ মাজেদি। নাট্য কাহিনীৰ পূৰ্ণতাৰ বাবে ঘটনা গ্ৰন্থনৰ দিশটো পঞ্চম অংকত নাট্যকাৰৰ প্ৰতিভা প্ৰকাশিত হৈছে। নাট্যকাৰৰ ৰোমাণ্টিক মনৰ প্ৰকাশ ঘটিছে নাটকখনৰ মাজেৰে।

**৬.০৫ মঞ্চ নিৰ্দেশনা ঃ**

'ৰূপালীম'ৰ মঞ্চ নিৰ্দেশনাই অসমীয়া নাট্য সাহিত্যত এক বিশেষ স্থান লাভ কৰিছে। পাশ্চাত্য নাট্যকাৰ বাৰ্ণাড শ্ব, ইব্‌চেনৰ নাটকৰ দৰে 'ৰূপালীম'তো দীৰ্ঘ মঞ্চ নিৰ্দেশনা সংযোগ হৈছে। প্ৰতিটো অংকতে ইমান সুন্দৰভাৱে মঞ্চ নিৰ্দেশনা কৰিছে যে নাটকখনৰ কাব্যিকতাও প্ৰকাশ পাইছে ইয়াৰ জৰিয়তে। নাটকখনৰ আৰম্ভণিৰ মঞ্চ নিৰ্দেশনাই ইয়াৰ উদাহৰণ-

"দুই পৰ্বতৰ মাজৰ এখন পৰ্বতীয়া নৈ, সিপাৰৰ পৰ্বতবোৰৰ গাত ৰূকমী গাঁওবোৰ। ৰূকমী অসমৰ পুব সীমান্তৰ পৰ্বতীয়া সভ্য বৌদ্ধ জাতি, ইহঁতৰ সভ্যতা মণিপুৰৰ লগত ৰিজাব পাৰি। পৰ্বতৰ গাৰো গাঁৱৰ সৰু সৰু টুপ লগোৰা চাংঘৰবোৰৰ দুৱাৰেদি জুইৰ পোহৰ বিৰিঙি ওলাইছে।

মঞ্চ নিৰ্দেশনাই নাটখন অভিনয় কৰাত সহায় কৰে। "ৰূপালীম"ত নাট্যকাৰে মঞ্চ নিৰ্দেশনাত সাজ-পাৰৰ বিৱৰণো দিছে। পৰিৱেশ আৰু পৰিস্থিতি বৰ্ণনাৰ ক্ষেত্ৰতো মঞ্চ নিৰ্দেশনা সহায়ক কৰি উপস্থাপন কৰিছে। মুঠতে জ্যোতিপ্ৰসাদে ইমান সুন্দৰভাৱে মঞ্চ নিৰ্দেশনা দিছে যে সংলাপবোৰ আঁতৰাই কেৱল মঞ্চ নিৰ্দেশনাৰ জৰিয়তেও শ্ৰোতাই নাটকখন উপভোগ কৰিব পাৰিব।

মুঠতে 'ৰূপালীম' নাটকখন চৰিত্ৰৰ দিশৰপৰা চৰিত্ৰৰ মানসিকতাৰ বৈপৰীত্য, এই বৈপৰীত্যৰ বাবে দ্বন্দ্ব, সংঘাতৰ তীব্ৰতা আদিৰে কাহিনী গ্ৰন্থন অতি সফল। নাটকীয় কলা-কৌশলৰ সুপ্ৰয়োগৰ বাবেই নাট্যকাহিনীৰ গতিৰ তীব্ৰতা আৰু পৰিণতিমুখী উৎকণ্ঠাও অত্যন্ত তীব্ৰ। তদুপৰি ছেক্সপীয়েৰৰ ট্ৰেজেদিৰ দৰেই ভয় আৰু কৰুণা, গভীৰ মানবীয় অনুভূতি, জীৱনৰ স্বপ্নভংগৰ অসহনীয় বেদনা আৰু জীৱনৰ অনিবাৰ্য কাৰুণ্যৰে 'ৰূপালীম' নাটকৰ কাহিনী পৰিব্যাপ্ত।

**৭.০০ 'ৰূপালীম' নাটকৰ কাব্যধৰ্মীতা ঃ**

'ৰূপালীম' নাটকৰ কাহিনী বিন্যাসৰ নিপুণতা, চৰিত্ৰ সৃষ্টিত কলাসুলভতা আৰু ৰোমাণ্টিক আবিলতাৰ দৰেই কবিত্বময়তাও নাটকখনৰ অন্য এক বিশেষত্ব। নাটকখনত ৰস সৃষ্টিকে ধৰি মঞ্চসজ্জা, সংলাপ আদিৰ মাজেৰে কাব্যিকতা প্ৰকাশ পোৱাৰ লগতে নাটকখনৰ পৰিৱেশ নিৰ্মাণ আৰু গীতিধৰ্মিতাৰ বাবেও কবিত্বময় হৈ উঠিছে। নাটকখনত নৰ-নাৰীৰ প্ৰেমৰ এক সুগভীৰ আবেদন অনুভূত হয়। ইয়াত ৰসেই গুৰুত্বপূৰ্ণ স্থান লাভ কৰিছে যদিও বীৰ, ভয়ানক আৰু কৰুণ ৰসেও যথেষ্ট প্ৰাধান্য বিস্তাৰ কৰি আছে। কিন্তু সেয়ে হ'লেও নাট্য কাহিনীৰ সমাপ্তি ঘটিছে নিৰপৰাধী চৰিত্ৰ ৰূপালীমৰ কৰুণ মৃত্যুত। ৰূপালীমৰ জীৱনৰ সংঘাত অনিবাৰ্য আৰু এই সংঘাতৰ পৰিণতিও কৰুণ। সেয়ে ৰূপালীম নাটকত বীৰ, ভয়ানক আদি একাধিক কাব্যৰসৰ সমাহাৰ হ'লেও 'ৰূপালীম' কৰুণ ৰসাত্মক নাটক হিচাপে পৰিগণিত হয়। সংলাপ, মঞ্চসজ্জাৰ মাজেৰে নাটকখনৰ কাব্যিকতা কেনেদৰে প্ৰকাশ পাইছে সেয়া আলোচনা কৰা হওক।

**৭.০১ মঞ্চসজ্জা ঃ**

নাটকখনৰ কাব্যিক আবেদন প্ৰকাশৰ দিশত নাটকখনৰ মঞ্চ নিৰ্দেশনাবিলাকৰ মূল্য স্বীকাৰ কৰিব লাগিব। কবিত্বময় পৰিৱেশ সৃষ্টিৰ দিশত নাটকখনৰ প্ৰথমৰ মঞ্চ নিৰ্দেশনা অতি গুৰুত্বপূৰ্ণ। দুই পৰ্বতৰ মাজৰ এখন পৰ্বতীয়া নৈৰ পাৰৰ ৰূকমী গাঁও প্ৰথম অংকৰ পটভূমি।

নিৰ্মল আকাশ, জোনৰ কোমল কান্তিত নৈ, বিল, জানৰ ৰূপোৱালী পানী, পৰ্বতীয়া নৈৰ পানীৰ কলকলনি বতাহৰ ফুৰফুৰণিৰ এক স্বপ্নালি পৰিৱেশ। এই পৰিৱেশতে পানী যুঁৰলীৰে এচটা শিলত বহি মায়াব'ই পেঁপা বজাই আছে। গোটেই পৰিবেশটোৰেই কাব্যিক। তাতে মায়াব'ই মাজে মাজে পেঁপা বজাবলৈ এৰি দূৰণিলৈ চাই উচপিচাই আকৌ পেঁপা বজায়। এনেতে দূৰণিৰপৰা নৈৰ বকুৰেদি ভাহি আহে নাৰী কণ্ঠত মৃদু গীতৰ বিননি-

"জিৰ জিৰ জিৰ জিৰ
জিৰ জিৰ তাতে নিজৰি জিৰ জিৰ নিজৰি অ'।"

প্ৰথম অংকৰ এই মঞ্চ নিৰ্দেশনাই পাঠক দৰ্শকৰ মনত


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

এক কোমল কাব্যিক অনুভূতিৰ শিহৰণ তোলে। প্ৰথম অংকৰ দৰে আটাইকেইটা অংকতে মঞ্চ নিৰ্দেশনা বৰ্ণনাৰ কাব্যিক অনুভূতিৰে উপচা আৰু চিন্তাকৰ্ষক।

**৭.০২ সংলাপ ঃ**

নাটকখনৰ মঞ্চ নিৰ্দেশনাত সৃষ্টি হোৱা পৰিবেশৰ দ্বাৰা নাটকখন কবিত্বময় হৈ উঠাৰ উপৰিও ইয়াৰ সংলাপেও নাটকখনক কাব্যিক গুণধৰ্মী কৰি তুলিছে। মায়াব', ৰূপালীম আৰু মণিমুগ্ধ— এই তিনিওটা চৰিত্ৰই প্ৰেমিক চৰিত্ৰ। চৰিত্ৰ তিনিটাৰ প্ৰেমানুভূতি প্ৰকাশক সংলাপবোৰ কল্পনাৰ কোমলতা, অনুভূতিৰ সূক্ষ্মতা আৰু আবেগৰ আকুলতাই ৰূপালীম নাটকক কাব্যিকতা দান কৰিছে। মায়াব'ই হৃদয়াবেগ প্ৰকাশ কৰি ৰূপালীমক কৈছিল—

মায়াব'— মোৰ হিয়াৰ মাজত সোমাই থকা ৰূপালীমৰ মাতটিয়ে এই পেঁপাৰ বিন্ধাই বিন্ধাই ওলাই আহি তোমাৰেই দৰে এই পেঁপাটিয়ে তোমাৰ গীতকে মোক গাই শুনাইছিলে।
ৰূপালীম, তুমি কিয় ইমান নিমৰমিয়াল বাৰু? তুমি তাকলৈ এৰি থৈ গ'লে তুমিয়ে হৈ পেঁপাটিয়ে মোক কতনো ইননি-বিননিৰে বিয়াকুল কৰি থৈছিল।"

(১ম অংক, জ্যোতিমনীষা, পৃঃ-৮৮)

কাব্যিক কল্পনাসমৃদ্ধ মায়াব'ৰ এই উক্তিৰ উপৰিও প্ৰথম অংকৰ মায়াব' আৰু ৰূপালীমৰ প্ৰেমানুভূতি প্ৰকাশক গোটেইখিনি সংলাপেই কাব্যময়। প্ৰেমানুভূতিৰে তীব্ৰতৰ বাবেই বহুসময়ত সংলাপ সুদূৰ কল্পনা প্ৰসাৰী হৈ পৰে। এইক্ষেত্ৰত ৰূপালীম আৰু মায়াব'ৰ দুটামান সংলাপ উল্লেখযোগ্য—

ৰূপালীম— বাৰু মায়াব'। জোনটোৰে ইমানবোৰ পোহৰ দি থাকে, তাৰ পোহৰবোৰ বাৰু ঢুকাই
নাযায় কিয়?

মায়াব'— সি পৃথিৱীখন খুব ভাল পায় সেই গুণে। সেই পোহৰবোৰ জোনৰ মৰম। পৃথিবীখনলৈ জোনৰ ইমান মৰম আছে— সি কেতিয়াও নুঢুকায়। বাৰু ৰূপালীম, তোমাৰো মোলৈ তিমান মৰম আছেনে? (১ম অংক)

মণিমুগ্ধই ৰূপালীমে মায়াব'ক কিমান ভালপায় বুলি সোধোঁতেও ৰূপালীমে হৃদয়াবেগৰ আতিশয্যত কৈছিল—

ৰূপালীম— মই ক'ব নোৱাৰোঁ। খুব ভাল পাওঁ। পাওঁ গছত যিমান ফুল আছে, ডালত যিমান
পাত আছে, নৈত যিমান পানী আছে, শুইনত যিমান বতাহ আছে, নিশাৰ আকাশত যিমান তৰা আছে— তিমান
(৪ৰ্থ অংক, জ্যোতিমনীষা, পৃঃ ৮৯)

মায়াব' আৰু ৰূপালীমৰ দৰেই মণিমুগ্ধৰ মুখতো অনেক কাব্যগন্ধী উক্তি আছে আৰু এইবোৰৰ কবিত্বময় কল্পনা আৰু অনুভূতিয়ে নাটকখনক কাব্যিক গুণশালী কৰি তুলিছে। এনেধৰণৰ ভাবঘন আৰু অনুভূতিপ্ৰৱণ সংলাপেৰে ৰূপালীম নাটক উপচি আছে আৰু এনে সংলাপে নাটকখনক কাব্যিক ৰসানুভূতিপূৰ্ণ কৰি তুলিছে।

**৭.০৩ গীতিধৰ্মিতা ঃ**

সংলাপৰ কবিত্বময়তাৰ উপৰিও ৰূপালীম নাটকৰ গীতসমূহেও নাটকখনক কাব্যধৰ্মী কৰি তোলাত যথেষ্ট অৰিহণা যোগাইছে। নাটকখনৰ মুঠ গীতৰ সংখ্যা চাৰিটা। প্ৰথম অংকত 'জিৰ জিৰ', দ্বিতীয় অংকত 'জিলিকা পাখিৰে', চতুৰ্থ অংকত 'অ' সখি আজি যৌৱন বন জুৰি', ষষ্ঠ অংকত 'জয় আলোকময়' গীত সংযোজন কৰিছে। গীতসমূহৰ সুৰ, ভাৱ আৰু বিষয়-বস্তুৰ গভীৰতা, গীতৰ কাব্যধৰ্মিতা বহু পৰিমাণে ৰোমান্টিক।

প্ৰথম অংকৰ 'জিৰ জিৰ জিৰ জিৰ' গীতটোৰ মাজেৰে নাট্যকাৰে নাট্যকাহিনী আৰম্ভ কৰিছে। গীতটিৰ মাজেৰে 'মৰমৰ বতৰা' বিলাই দিব বিচৰা হৈছে—

মৰমৰ বতৰা
লৈ
বৈ থাক
বৈ থাক
বৈ
বৈ

সেইদৰে ষষ্ঠ অংকৰ সামৰণিত 'জয় আলোকময় অনাদি অনন্ত প্ৰসাৰী' গীতটি সংযোগ কৰিছে।

গতিকে, নাটকখনত জ্যোতিপ্ৰসাদে মঞ্চ নিৰ্দেশনাৰ লগতে সংলাপৰ কবিত্বময়তা আৰু গীতিধৰ্মিতা তথা বৰ্ণনাৰ চিত্ৰময়তাৰে পৰিপুষ্ট ৰসঘন কাব্যিক পৰিমণ্ডলৰ সৃষ্টি কৰিছে।


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

**৮.০০ সামৰণি ঃ**

জ্যোতিপ্ৰসাদ আছিল ৰূপান্তৰৰ শিল্পী। তেওঁ পৰিৱৰ্তনত অটল বিশ্বাসী। তেওঁ কৈছিল: ৰূপান্তৰেহে জগত ধুনীয়া কৰে। তেওঁৰ চিন্তাৰ ৰূপান্তৰ কেৱল বাহ্যিক বা দৃশ্যমান জগতখনৰে পৰিৱৰ্তন নহয়। মানুহৰ মন আৰু দৃষ্টিভংগীৰ পৰিৱৰ্তন হ'লেহে সমাজৰ প্ৰকৃত পৰিৱৰ্তন হ'ব। 'ৰূপালীম' নাটকত তেওঁ ৰূপালীমৰ দৃঢ়মনা চৰিত্ৰ আৰু একধৰণৰ অবোধ্য ব্যক্তিত্বই মণিমুগ্ধৰ মানসিক পৰিৱৰ্তন ঘটাইছে। জ্যোতিপ্ৰসাদৰ শিল্পীসুলভ দৃষ্টিভংগীৰ স্পষ্টতাৰে বিদ্যমান 'ৰূপালীম' নাটকখন হৈছে কাহিনী সাহিত্য। নাটকীয় তথা কাব্যিক গুণেৰে সমৃদ্ধ ৰূপালীম নাটকৰ জৰিয়তে জ্যোতিপ্ৰসাদৰ নাট্যপ্ৰতিভা পৰিস্ফুত হৈছে। শেষত ক'ব লাগিব যে জ্যোতিপ্ৰসাদৰ 'ৰূপালীম' পুৰণিৰ ভেটিত নিৰ্মাণ কৰা এক নতুন নাটক। পাশ্চাত্যৰ বিশিষ্ট নাট্য বৈশিষ্ট্যৰ সৈতে সমধৰ্মিতা ৰক্ষা কৰিলেও 'ৰূপালীম' জ্যোতিপ্ৰসাদৰ মৌলিক সৃষ্টি।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১. বৰুৱা, প্ৰহ্লাদ কুমাৰ (১৯৮৮), জ্যোতি মনীষা, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, প্ৰথম প্ৰকাশ।
২. ভৰালী, শৈলেন (১৯৭৬), নাটক আৰু অসমীয়া নাটক, বীণা লাইব্ৰেৰী, গুৱাহাটী, প্ৰথম প্ৰকাশ
৩. মহন্ত, পোনা (১৯৭৫), নাটকৰ কথা, বীণা লাইব্ৰেৰী, গুৱাহাটী, প্ৰথম প্ৰকাশ
৪. শইকীয়া, জ্যোতিপ্ৰসাদ (২০১৭), জ্যোতিপ্ৰসাদৰ সৃষ্টি আৰু চেতনা, সদৌ অসম ছাত্ৰ সন্থা,ডিব্ৰুগড়, প্ৰথম প্ৰকাশ
৫. শৰ্মা, সত্যেন্দ্ৰনাথ (২০০০), অসমীয়া নাট্য সাহিত্য, লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী, প্ৰথম প্ৰকাশ।

❖ ❖ ❖

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

# ঔপন্যাসিক বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য

✍ ড° অপৰাজিতা গগৈ
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
কমাৰবন্ধা মহাবিদ্যালয়, কমাৰবন্ধা, গোলাঘাট

**সংক্ষিপ্তসাৰ ঃ**

অসমীয়া উপন্যাস সাহিত্যৰ এগৰাকী অন্যতম শ্ৰেষ্ঠ ঔপন্যাসিক হিচাপে আমি বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ নাম ল'ব পাৰোঁ। বিশেষকৈ *মৃত্যুঞ্জয়* শীৰ্ষক উপন্যাসৰ বাবে ১৯৭৯ চনত অসমীয়া সাহিত্যৰ প্ৰথম জ্ঞানপীঠ বঁটা লাভ কৰা আৰু ১৯৬১ চনত ইয়াৰুইঙ্গম উপন্যাসৰ বাবে অসমীয়া সাহিত্য ক্ষেত্ৰত উপন্যাস হিচাপে প্ৰথম সাহিত্য অকাডেমি বঁটা বিজয়ী হিচাপেও তেখেতৰ নাম বিশেষভাৱে উল্লেখযোগ্য। আনহাতে প্ৰথম প্ৰকাশিত উপন্যাস *ৰাজপথে ৰিঙিয়াইৰ* পৰা আৰম্ভ কৰি শেষৰ উপন্যাস *বলিয়া সময়*লৈকে বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ কলমৰ পৰা ওলোৱা প্ৰতিখন উপন্যাসৰ মাজেৰে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ সমাজ বাস্তৱতাৰ এখন জীৱন্ত প্ৰতিচ্ছবি প্ৰস্ফুটিত হৈ উঠাৰ সমান্তৰালভাৱে লেখকৰ সমাজ সচেতন দৃষ্টিভংগীও ইয়াৰ মাজেৰে স্পষ্টকৈ দৃষ্টিগোচৰ হয়।

বিশেষকৈ স্বাধীনতা আন্দোলনকালীন সময়ত শৈশৱ-কৈশোৰ-যৌৱন পাৰ কৰা ভট্টাচাৰ্যই তেখেতৰ উপন্যাসসমূহৰ মাজত ক্ৰিয়া কৰা ৰাজনৈতিক চেতনাৰ সম্পৰ্কে নিজে স্বীকাৰ কৰি গৈছে। তেখেতৰ অন্যান্য সাহিত্যৰাজিৰ লগতে উপন্যাসৰাজিতো ৰাজনৈতিক চেতনাৰ সমান্তৰালভাৱে সমাজবাদ আৰু মানৱতাবাদৰ আদৰ্শই কাহিনীৰ মাজেৰে প্ৰকাশৰ বাট বিচাৰি লৈছিল। সেয়েহে তেখেতৰ উপন্যাসসমূহত সমসাময়িক সমাজ চেতনা, বাস্তৱকেন্দ্ৰিক চিন্তন আৰু মানৱীয় অনুভূতিৰ জীৱন্ত চিত্ৰণো স্পষ্ট ৰূপত ফুটি উঠিছে। আমাৰ এই চমু আলোচনাত ঔপন্যাসিক হিচাপে বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ উপন্যাসৰাজিৰ সংক্ষিপ্ত পৰিচয় দাঙি ধৰাৰ লগতে এই উপন্যাসসমূহৰ মাজত পৰিস্ফুট হোৱা বৈশিষ্ট্যৰ বিষয়ে আলোচনা কৰাৰ প্ৰয়াস কৰা হ'ব।

**বীজশব্দ ঃ** সমাজ ,উপন্যাস, ৰাজনৈতিক চেতনা,সাহিত্য,আন্দোলন

**১.০ আৰম্ভণি ঃ**

অসমীয়া সাহিত্য জগতৰ এগৰাকী অন্যতম শ্ৰেষ্ঠ ঔপন্যাসিক হিচাপেই আমি বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ নাম ল'ব পাৰোঁ। তেখেতৰ কলমৰ পৰা ওলোৱা উপন্যাসৰাজিৰ মাজেৰে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ সমাজ বাস্তৱতাৰ এখন জীৱন্ত প্ৰতিচ্ছবি প্ৰস্ফুটিত হৈ উঠাৰ সমান্তৰালভাৱে লেখকৰ সমাজ সচেতন দৃষ্টিভংগীও ইয়াৰ মাজেৰে দৃষ্টিগোচৰ হয়। উপন্যাসৰ লগতে ভট্টাচাৰ্যই অসমীয়া সাহিত্যৰ অন্যান্য শাখা কবিতা, গল্প, প্ৰবন্ধ, নাটক আৰু সমালোচনা সাহিত্যলৈও উল্লেখযোগ্য অৱদান আগবঢ়াই গৈছে। সমান্তৰালভাৱে তেখেতে সাংবাদিক আৰু সম্পাদক হিচাপেও নিজৰ বিচক্ষণতাৰ পৰিচয় দিবলৈ সক্ষম হৈছিল। এইদৰে বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ সামগ্ৰিক লিখনিৰ মাজেৰে প্ৰতিফলিত হোৱা অসম আৰু চুবুৰীয়া ৰাজ্যসমূহৰ সমাজ জীৱন আৰু বাস্তৱ পৃথিৱীৰ বিষয়বস্তুলৈ লক্ষ্য ৰাখিয়েই আমি তেখেতক অসমীয়া সাহিত্যৰ সামাজিক বাস্তৱবাদী ধাৰাৰ এগৰাকী শ্ৰেষ্ঠ লেখক হিচাপে অভিহিত কৰিব পাৰোঁ।

আমি ইতিমধ্যে উল্লেখ কৰা এগৰাকী অন্যতম শ্ৰেষ্ঠ অসমীয়া ঔপন্যাসিক বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ উপন্যাসৰ বিষয়বস্তুৰ

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

বিষয়ে ক'বলৈ গৈ মলয়া খাওন্দে এইদৰে উল্লেখ কৰিছে —

বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ প্ৰায় সকলোবোৰ উপন্যাসতে সমাজৰ দলিত-পীড়িতসকলৰ প্ৰতি সহানুভূতিৰ সুৰ বাজি উঠিছে। তেওঁৰ উপন্যাসৰাজিত শুনিবলৈ পোৱা যায় সৰ্বহাৰা আৰু বঞ্চিতসকলৰ বিননি, তেহেলৈ সি কাৰখানাৰে বনুৱা হওক বা অসমৰ খেতিয়কেই হওক। (খাওন্দ, আগকথা)

আলোচ্য লিখক তথা ঔপন্যাসিক বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ জীৱন পৰিক্ৰমালৈ লক্ষ্য কৰিলে আমি দেখা পাওঁ যে তেখেতে এনেকুৱা এক সময়ত শৈশৱৰ দেওনা পৰা কৰিছিল, যি সময়ত নিজৰ মাতৃভূমি সুদীৰ্ঘ দিনৰ পৰাধীনতাৰ শিকলি ছিঙি কেতিয়া বন্ধনমুক্ত হ'ব - তাৰে অধীৰ প্ৰতীক্ষাত সকলো উদ্বিগ্ন হৈ আছিল। পঢ়ি থকা অৱস্থাতে তেখেতে মহাত্মা গান্ধীৰ নেতৃত্বত দেশৰ স্বাধীনতাৰ বাবে আৰম্ভ হোৱা অসহযোগ আন্দোলনত প্ৰত্যক্ষভাৱে অংশগ্ৰহণ কৰিছিল। ছাত্ৰাৱস্থাৰ সেই অভিজ্ঞতা আৰু পৰৱৰ্তী সময়ত কংগ্ৰেছৰ নেতৃত্বত সমগ্ৰ দেশতে গণ-আন্দোলনৰ যি প্ৰৱল জোৱাৰ উঠিছিল সেই জোৱাৰৰ সংস্পৰ্শইও বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ মনত ৰাজনৈতিক চেতনাৰ বীজ ৰোপণ কৰিছিল। ক্ৰমান্বয়ে সেই চেতনাই পূৰ্ণাঙ্গ ৰূপ লাভ কৰিছিল তেখেতৰ নিজস্ব চিন্তা-চেতনাৰ অবিৰত কৰ্ষণ আৰু নিজৰ জন্মভূমিৰ প্ৰতি থকা গভীৰ স্বদেশানুৰাগৰ বাবে।

সেয়েহে আমি ক'ব পাৰোঁ যে "জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰিয়সী" — এই স্বদেশপ্ৰেমৰ মহামন্ত্ৰই তেওঁৰ অগ্ৰজ আৰু সমসাময়িক স্বদেশানুৰাগীসকলৰ অনুৰূপে তেওঁকো অজানিতে ৰাজনীতিৰ জগতখনলৈ টানি আনিছিল।

যদিওবা বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য ৰাজনীতিৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত নেতা নাছিল তথাপি তেখেতৰ সাহিত্যৰাজিত ৰাজনৈতিক চেতনাই বিশেষ প্ৰভাৱ বিস্তাৰ কৰা দৃষ্টিগোচৰ হয়। ছাত্ৰাৱস্থাৰে পৰা ৰাজনৈতিক সচেতনতা পৰিলক্ষিত হোৱা ভট্টাচাৰ্যৰ ৰাজনৈতিক ভাৱধাৰা মহাত্মা গান্ধীৰ আদৰ্শ আৰু কাৰ্ল মাৰ্ক্সৰ দৰ্শনৰদ্বাৰা প্ৰভাৱান্বিত আছিল। যাৰ বাবে সমাজবাদ আৰু মানৱতাবাদৰ আদৰ্শই তেখেতৰ অন্যান্য সাহিত্যৰাজিৰ লগতে উপন্যাসবোৰৰ মাজেৰে প্ৰকাশৰ বাট বিচাৰি লৈছিল। নিজা সৃষ্ট উপন্যাসসমূহৰ মাজত ক্ৰিয়া কৰা ৰাজনৈতিক চেতনাৰ সম্পৰ্কে লিখকে নিজে স্বীকাৰ কৰি গৈছে। ৰাজনৈতিক চেতনাৰ উপৰিও তেখেতৰ উপন্যাসসমূহত সমসাময়িক সমাজ চেতনা, বাস্তৱকেন্দ্ৰিক চিন্তন আৰু মানৱীয় অনুভূতিৰ জীৱন্ত চিত্ৰণো স্পষ্ট ৰূপত ফুটি উঠিছে।

**২.০ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য ঃ**

আমাৰ এই চমু আলোচনাত বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ উপন্যাসসমূহৰ চমু পৰিচয় আৰু উপন্যাসসমূহত সামগ্ৰিকভাৱে প্ৰকাশ পোৱা বৈশিষ্ট্যৰাজিৰ বিষয়ে চমুকৈ আলোচনা কৰাৰ প্ৰয়াস কৰা হ'ব। উপন্যাসসমূহত প্ৰকাশ পোৱা সামগ্ৰিক বৈশিষ্ট্যৰ আলোচনা কৰোঁতে বিভিন্নজন গৱেষক-সমালোচকে তেখেতৰ উপন্যাসৰ বিষয়ে কৰা বক্তব্যসমূহলৈও বিশেষ দৃষ্টি দিয়া হ'ব।

**৩.০ অধ্যয়নৰ পৰিসৰ ঃ**

'ঔপন্যাসিক বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য' শীৰ্ষক আলোচনাটিৰ আওতালৈ সাহিত্যিকগৰাকীৰ জীৱন পৰিক্ৰমাৰ উপৰিও তেওঁৰ উপন্যাসৰ ক্ষেত্ৰত থকা অৱদান আৰু সমাজ চেতনাক অনা হৈছে।

**৪.০ অধ্যয়নৰ পদ্ধতি ঃ**

আলোচনাটি যুগুত কৰোঁতে প্ৰয়োজনীয়তাৰ তাগিদাত বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতি গ্ৰহণ কৰা হৈছে।

**৫.০ ঔপন্যাসিক বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যঃ**

কটন কলেজৰপৰা 1945 চনত বিজ্ঞান শাখাত স্নাতক পৰীক্ষাত উত্তীৰ্ণ হৈ কলিকতাত পঢ়িবলৈ যোৱা বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যই তাতেই উপন্যাস লিখিবলৈ আৰম্ভ কৰিছিল। তেওঁ তাত লিখা 'মহাপ্ৰস্থানৰ পথিক' শিৰোনামৰ উপন্যাসখনৰ একমাত্ৰ পাণ্ডুলিপিটো অমূল্য বৰুৱাক পঢ়িবলৈ দিয়া বুলি নিজে উল্লেখ কৰিছে। কিন্তু এই উপন্যাসখনৰ একমাত্ৰ পাণ্ডুলিপিটো 1946 চনৰ কলিকতাৰ সাম্প্ৰদায়িক সংঘৰ্ষত অমূল্য বৰুৱাৰ মৃত্যুৰ লগতে হেৰাই যোৱাত ইয়াৰ নামটোৰ বাহিৰে আমি একো নাপাওঁ। সেয়েহে তেখেতৰ প্ৰথম উপন্যাস হিচাপে 1955 চনত প্ৰকাশ পোৱা 'ৰাজপথে ৰিঙিয়াই' উপন্যাসখনকে আমি মানি লৈছোঁ। প্ৰথম উপন্যাসখনৰ বিষয়ে ঔপন্যাসিকে এইদৰে উল্লেখ কৰিছে —

উপন্যাস ৰচনাত হাত দিছিলোঁ কলিকতাত। হাৰ্ডিঞ্জ হোষ্টেলৰ ওপৰ মহলাত স্বৰ্গীয় কৃষ্ণ বৰকাকতীৰ আলহী হৈ আছিলোঁ; দিনত এডভান্সত কাম কৰোঁ, ৰাতি আৰু পুৱা লিখোঁ। উপন্যাসখন লিখি শেষ হ'লত স্বৰ্গীয় অমূল্য বৰুৱাই পঢ়িবলৈ নিলে; শেহত অমূল্য গ'ল, লগতে লৈ গ'ল পাণ্ডুলিপিখন।

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

নাম আছিল মহাপ্ৰস্থানৰ পথিক। (দাস আৰু বায়ন - সম্পা., পৃ. ৭৯৪)

'ৰাজপথে ৰিঙিয়াই' উপন্যাসখনৰ ৰচনাৰ পৰৱৰ্তী সময়ত বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যই অসমীয়া সাহিত্যৰ অন্যান্য বিভাগতো নিজৰ স্বকীয় উপস্থিতি জাহিৰ কৰিছে। সেয়ে হলেও তেখেতে অসমীয়া উপন্যাস সাহিত্যক নিজস্ব স্বকীয় সৃষ্টিৰাজিৰে চহকী কৰি থৈ গৈছে। তেখেত ৰচনা কৰা উপন্যাসৰাজি প্ৰকাশৰ কাল অনুসৰি এইদৰে উল্লেখ কৰিব পাৰি — দেশৰ স্বাধীনতাৰ প্ৰথম দিনটোৰ আধাৰত লিখা *ৰাজপথে ৰিঙিয়াই* (১৯৫৫), দ্বিতীয় বিশ্বযুদ্ধৰ পটভূমিত টাংখুল নগা সমাজখনৰ আলমত লিখা *ইয়াৰুইঙ্গম* (১৯৬০), নিজৰ গাঁওখনৰ বাস্তৱ অভিজ্ঞতাৰ আলমত লিখা *আই* (১৯৬০), ১৯৬২ চনত চীনে ভাৰত আক্ৰমণ কৰাৰ পটভূমিত লিখা *শতঘ্নী* (১৯৬৫), বৃদ্ধস্য তৰুণী ভাৰ্যাৰে আৰম্ভ কৰা যুগ্মজীৱনত সৃষ্টি হোৱা বেমেজালি আৰু অপূৰণ কামনা-বাসনাৰ আলমত লিখা মনস্তাত্ত্বিক উপন্যাস *নষ্টচন্দ্ৰ* (১৯৬৮), অসমৰ ডিগবৈ তেল শোধনাগাৰত হোৱা শ্ৰমিক আন্দোলনৰ পটভূমিত লিখা *প্ৰতিপদ* (১৯৭০), নাৰী-পুৰুষৰ প্ৰেমৰ প্ৰকৃত স্বৰূপ উদ্‌ঘাটনৰ উদ্দেশ্যৰে লিখা *চিনাকি সুঁতি* (১৯৭১), বাংলাদেশৰ মুক্তি সংগ্ৰামৰ পটভূমিত লিখা *কবৰ আৰু ফুল* (১৯৭২), *বল্লৰী* (১৯৭৩), আওকলীয়া সামাজিক ৰীতি-নীতি আৰু পুঁজিবাদী অৰ্থনৈতিক ব্যৱস্থাৰ বিৰুদ্ধে সাধাৰণ জনতাই কৰা সংগ্ৰামখনৰ আধাৰত লিখা *ৰঙা মেঘ* (১৯৭৬), সহজ-সৰল গাঁৱলীয়া ছোৱালী এজনীৰ অফুৰন্ত সাহস আৰু সুকোমল নাৰী হৃদয়ৰ আলমত লিখা *ডাইনী* (১৯৭৬), সত্তৰ দশকৰ ভাৰতবৰ্ষত হোৱা জৰুৰীকালীন অৱস্থাৰ অস্পষ্ট প্ৰকাশৰ মাজৰে অসমৰ নিৰ্দিষ্ট এক গ্ৰামাঞ্চলৰ সামাজিক দিশ তথা সমস্যাৰ প্ৰকাশেৰে লিখা *মুনিচুনিৰ পোহৰ* (১৯৭৯), অসমৰ চাহবাগানৰ পটভূমিত বগা-চাহাবৰ শোষণ আৰু পীড়নৰ জীয়া ছবিৰ প্ৰতিফলনেৰে লিখা *কালৰ হুমুনিয়াহ* (১৯৮২), অসমত ১৯৭২ চনত হোৱা ভাষা আন্দোলনৰ পটভূমিত লিখা *এটি নিশা* (১৯৭৩), *ভাৰতী, টব আৰু ইডা, পৰিব্ৰাজক আৰু এটি নিশা* এই চাৰিখন উপন্যাসিকাৰ সমষ্টি *চতুৰঙ্গ* (১৯৮৭), ভাৰতবৰ্ষৰ স্বাধীনতা লাভৰ আগমুহূৰ্তত চল্লিছৰ দশকৰ গুৱাহাটীৰ এটা শিক্ষিত মধ্যবিত্ত পৰিয়ালৰ দ্বন্দ্ব-সংঘাতময় জীৱনপ্ৰৱাহৰ আলমত অসমীয়া সমাজ জীৱনৰ এক বাস্তৱ চিত্ৰায়ণেৰে লিখা *ফুলকোঁৱৰৰ পখীঘোঁৰা* (১৯৮৮), *অমিতৰ প্ৰেম* (২০০৪), স্বাধীনতাৰ পৰৱৰ্তী সময়ৰে পৰা দেশত বাঢ়ি অহা দাৰিদ্ৰতা আৰু শ্ৰেণী বৈষম্যৰ সমাধান বিচাৰি এচাম যুৱকে মুকলিকৈ বা গোপনে কৰিবলৈ লোৱা আন্দোলনৰ আলমত ১৯৭১ চনৰ 'আমাৰ প্ৰতিনিধি' আলোচনীত লিখা *অগ্নিগড়*, ১৯৯০ চনৰ শাৰদীয় সংখ্যা 'আজিৰ অসম' কাকতত এসময়ৰ নগাপাহাৰ আৰু বৰ্তমানৰ নাগালেণ্ডৰ ৰাজ্যৰ নগা বিদ্ৰোহীৰ ম্যানমাৰত থকা গোপন ঘাটি তথা দুৰ্গম পাহাৰীয়া অঞ্চলবোৰত চলি থকা সংঘৰ্ষৰ আলমত লিখা আৰু ইয়াৰুঙ্গম উপন্যাসখনৰ সংযোগী খণ্ড বুলিব পৰা *প্ৰেম আৰু মৃত্যু* আৰু ১৯৯৩ চনৰ শাৰদীয় সংখ্যা 'আজিৰ অসম' কাকতত অসমত বিদেশী সমস্যা সমধানৰ বাবে হোৱা আন্দোলনৰ কালছোৱাৰ চাক্ষুষ বৰ্ণনাৰে লিখা বলিয়া সময় এই তিনিখন উপন্যাসৰ একত্ৰ সংকলন গ্ৰন্থাকাৰে প্ৰকাশিত হৈছে *বলিয়া সময়* (২০০৯) নামেৰে।

উপন্যাসবোৰ বিষয়বস্তুৰ এই অতি সংক্ষেপ অৱলোকনৰ পৰা এটা কথা স্পষ্টকৈ প্ৰতিয়মান হয় যে ঔপন্যাসিকে নিজে বসবাস কৰা সমাজখনৰ চৌপাশে সংঘটিত বিভিন্ন ঘটনা-পৰিঘটনা আৰু এই ঘটনা-পৰিঘটনাবোৰৰ সমাজ জীৱনত পৰা বৰ্তমান আৰু ভৱিষ্যতৰ প্ৰভাৱক অৱলম্বন হিচাপে লৈ বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যই তেখেতৰ প্ৰতিখন উপন্যাসকে এক স্বকীয় ৰূপত গঢ় দি লৈছিল। ইয়াকে কৰিবলৈ যাওঁতে নিজা সূক্ষ্ম পৰ্যবেক্ষণেৰে জীৱনত লাভ কৰা অভিজ্ঞতাৰ আলমত বাস্তৱ পৃথিৱীখন বুজাৰ চেষ্টাত তেখেত ব্ৰতী হৈছিল। ব্যক্তিগতভাৱে সমাজবাদী আদৰ্শত বিশ্বাসী বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যই তেখেতৰ উপন্যাসৰ মাজেৰে প্ৰকাশ কৰিব বিচৰা সমাজতাত্ত্বিকতাৰ বিষয়ে মোৰ 'উপন্যাসঃ নেপথ্যৰ কথা' শীৰ্ষৰ প্ৰবন্ধটোত এইদৰে উল্লেখ কৰিছে —

অসমীয়া বৌদ্ধিক জগৎ আজিও অবিকশিত অৱস্থাত। ইয়াৰ উপৰি সাধাৰণভাৱে আমাৰ বুদ্ধিজীৱীসকলৰ মনত সামগ্ৰিকতাৰ আকাংক্ষা আছে, সি ঊনৈছ শতিকাৰ পুনৰুজ্জীৱিত আধুনিক ভাৰতীয় দৰ্শনৰপৰাই গ্ৰহণ কৰা বস্তু। অসমীয়া সাহিত্য জগতত যি সামগ্ৰিকতাৰ টান আছে তাৰ লগত জড়িত ধ্যান-ধাৰণাসমূহত সেয়ে আধুনিক জ্ঞানলব্ধ সমাজতাত্ত্বিক পোহৰ নাই। সমাজবাদী হিচাপে মই এনে এটা সমাজতাত্ত্বিক সামগ্ৰিকতাৰ বাবেও আগ্ৰহান্বিত। বহুত দিনৰেপৰা আধুনিক জ্ঞানৰ সমন্বয়ৰ বাবে ওকালতি কৰি আহিছোঁ আৰু বিজ্ঞানসম্মত সমাজতাত্ত্বিক সামগ্ৰিকতাৰ

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

প্ৰয়োজন অনুভৱ কৰি আহিছোঁ আৰু মোৰ উপন্যাসকেইখনমানত ইয়াক প্ৰকাশ কৰিবলৈও যত্ন কৰিছোঁ। (প্ৰাগুক্ত, পৃ.৭৯৮)

বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ উপন্যাসসমূহৰ সামগ্ৰিক বিশ্লেষণ কৰিবলৈ যাওঁতে ঔপন্যাসিক হিচাপে তেখেতৰ সফলতা আৰু উপন্যাসসমূহৰ বিষয়বস্তুৰ গভীৰতাৰ সম্পৰ্কে আমি শোণিত বিজয় দাসৰ ভাষাৰে ক'ব পাৰোঁ —

কলাৰ মাজত অন্তৰ্নিহিত দৰ্শন আৰু সেইবোৰে প্ৰকাশ কৰা কল্পদৃষ্টি; লগতে, বিষয়বস্তু আৰু ইয়াৰ গঠন, শিল্পী আৰু শ্ৰোতা-দৰ্শক, সৃষ্টিশীল ব্যক্তি আৰু সমাজ এইবোৰৰ আন্তঃসম্পৰ্ক — আধুনিক সাহিত্যিৰ বাবে প্ৰয়োজনীয় এই

সকলো ধৰণৰ পৰিৱৰ্তনৰ ভেটিত নিজা সূত্ৰ স্থাপন কৰি সক্ষ্ম পৰ্যবেক্ষণ আৰু বস্তুনিষ্ঠ অনুসন্ধানেৰে গোটেই

জীৱনটো প্ৰত্যক্ষ কৰা সমাজ আৰু বাস্তৱ জীৱনৰ বিভিন্ন সাঁথৰ সদৃশ অভিজ্ঞতাৰ আধাৰত মানৱতা আৰু তেওঁ বাস কৰা পৃথিৱীখনক একেলগে বুজাৰ প্ৰচেষ্টাত আমৃত্যু মানৱতাবাদৰ পৃষ্ঠপোষকতা কৰি লিখা উপন্যাসসমূহত এজন

প্ৰায় সফল ঔপন্যাসিকৰ বৈশিষ্ট্য বিদ্যমান। (প্ৰাগুক্ত, আগকথা)

**৬.০ উপন্যাসসমূহৰ সামগ্ৰিক বিশ্লেষণত পৰিস্ফুট বৈশিষ্ট্যৰাজিঃ**

স্বাধীনতা আন্দোলনকালীন সময় আৰু স্বাধীনতাৰ পৰৱৰ্তী সময়ত স্বচক্ষে দেখা পোৱা স্বদেশ আৰু স্বজাতিৰ দুখ-দুৰ্দশাত বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ অন্তৰে হাহাকাৰ কৰি উঠিছিল। আনহাতে জন্ম চাহবাগানত হোৱা সূত্ৰে তেখেতে চাহবাগানত কাম কৰা বনুৱাসকলৰ দুৰ্দশাক নিচেই কাষৰপৰা প্ৰত্যক্ষ কৰাৰ সুযোগ পাইছিল। সেয়েহে শৈশৱ কালতে স্বচক্ষে দেখা পোৱা বাগানত বনুৱাৰ ওপৰত মালিক তথা বাবুসকলে কৰা নিৰ্যাতনে তেখেতৰ মন-মগজুত বিশেষ ক্ৰিয়া কৰিছিল। ইয়াৰোপৰি অসমৰ গ্ৰামাঞ্চলৰ ভূমিহীন খেতিয়কৰ অভাৱ-অনাটনেও বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যক চিন্তান্বিত কৰি তুলিছিল। এনেবোৰ কাৰকেই পৰৱৰ্তী সময়ত তেখেতৰ সাহিত্য সৃষ্টিত প্ৰত্যক্ষ প্ৰভাৱ বিস্তাৰ কৰিছিল। সেয়েহে বাস্তৱ অভিজ্ঞতাৰ দ্বাৰা উদ্বুদ্ধ হৈ উপন্যাস ৰচনাত হাত দিয়া বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ উপন্যাসসমূহ সূক্ষ্মভাৱে বিশ্লেষণ কৰিলে দেখা পোৱা যায় যে উপন্যাসবোৰৰ বিভিন্ন ঘটনা-পৰিঘটনা আৰু চৰিত্ৰসমূহৰ জৰিয়তে তেখেতে অসমৰ সাধাৰণ জনতাৰ দুখ-দুৰ্দশা, সমস্যা আদি আনুধাৱনৰ চেষ্টা কৰাৰ লগতে সাধাৰণ জনতাৰ মনত জাতীয় চেতনা জগাই তোলাৰ চেষ্টা কৰিছিল। ইয়াকে কৰিবলৈ যাওঁতে তেখেতে নিজা ৰাজনৈতিক আদৰ্শৰে উপযুক্ত পথৰ সন্ধান কৰিছিল যদিও আন ৰাজনৈতিক আদৰ্শকো তেখেতে অৱজ্ঞা কৰা নাছিল। বাস্তৱ জীৱনত বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য নিজে সমাজবাদী আদৰ্শত বিশ্বাসী হোৱাৰ উপৰিও এই আদৰ্শত দীক্ষিত আছিল। তথাপি তেখেতে উপন্যাসৰ মাজেৰে গান্ধীবাদী আৰু মাৰ্ক্সবাদী আদৰ্শকো যুক্তিসন্মতভাৱে আৰু বিশ্বাসযোগ্যতাৰে চিত্ৰিত কৰিছে। আনকি বিশ্বৰ বিভিন্ন প্ৰখ্যাত ৰাজনীতিবিদৰ প্ৰতি থকা তেখেতৰ অপৰিসীম শ্ৰদ্ধাও তেখেতৰ উপন্যাসৰ বিভিন্ন স্থানত কেতিয়াবা নিৰ্দিষ্ট চৰিত্ৰৰ মাধ্যমেৰে আৰু কেতিয়াবা পৰোক্ষভাৱেও চিত্ৰিত হোৱা দৃষ্টিগোচৰ হয়।

ঔপন্যাসিকৰ ৰাজনৈতিক আদৰ্শ বিচাৰ কৰিবলৈ যাওঁতে আমি দেখা পাওঁ যে গান্ধী, ৰামমনোহৰ লোহিয়া, আচাৰ্য নৰেন্দ্ৰদেৱ, লোকনায়ক জয়প্ৰকাশ নাৰায়ণ, অচ্যুত পটবৰ্ধন, যুছুফ মেহেৰালী আদি সমাজবাদী ৰাজনৈতিক নেতাসকলৰ ৰাজনৈতিক চেতনা আৰু আদৰ্শৰ লগত বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ ৰাজনৈতিক চেতনা আৰু আদৰ্শৰ সাদৃশ্য দেখা পোৱা যায়। ভট্টাচাৰ্যৰ নিজৰ ভাষাত —

সেই সময়ত মই সমাজবাদী ৰাজনৈতিক দৰ্শনৰ প্ৰতি গভীৰভাৱে আকৃষ্ট হৈছিলো। এতিয়াও অৱশ্যে মই সেই

দৰ্শনত বিশ্বাস কৰো (নগেন শইকীয়া - সম্পা., আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ, পৃ.২০১)

ঔপন্যাসিকৰ নিজা এই স্বীকাৰোক্তিৰ পৰাই স্পষ্ট হয় যে তেখেতৰ ৰাজনৈতিক আৰু সামাজিক চেতনাত সমাজবাদী দৰ্শনৰ গভীৰ আৰু স্পষ্ট প্ৰভাৱ পৰিছিল। সেয়েহে তেখেতৰ সাহিত্যৰাজিত ইয়াৰ প্ৰভাৱ পৰাত অস্বাভাৱিকতা একো নাছিল। মৃত্যুঞ্জয় উপন্যাসত তেখেত উল্লেখ কৰিছে —

নৃসিংহৰ দৰে এই যুগতো দৰিদ্ৰ-নাৰায়ণৰ অৱতাৰ হৈছে। সেই অৱতাৰ তাৰ মতে গান্ধী। (ভট্টাচাৰ্য, মৃত্যুঞ্জয়, পৃ.৭)

কাৰ্ল মাৰ্ক্স, মহাত্মা গান্ধী, জয়প্ৰকাশ নাৰায়ণ আদিৰ নিচিনাকৈ বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যয়ো সমাজবাদী ৰাজনৈতিক দৰ্শনত বিশ্বাসী নেতাসকলক এক প্ৰকাৰে Social Scientist বুলি বিশ্বাস কৰিছিল। কৃষ্ণকুমাৰ মিশ্ৰই বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

উপন্যাসত প্ৰতিফলিত ৰাজনৈতিক চেতনাৰ বিষয়ে আলোচনা কৰিবলৈ গৈ এইদৰে উল্লেখ কৰিছে —

> বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ উপন্যাসত প্ৰতিফলিত ৰাজনৈতিক চেতনাৰ অন্তৰালত ঘাইকৈ দুটা অনুঘটকে ক্ৰিয়া কৰিছে। এটা হ'ল প্ৰত্যক্ষ অভিজ্ঞতাৰ যোগেদি অৰ্জিত লিপ্ততা (involvement)। ...দ্বিতীয়টো কথাটো হ'ল তেওঁৰ ৰাজনৈতিক ভাৱাদৰ্শ। ভট্টাচাৰ্যই গণতান্ত্ৰিক সমাজবাদত বিশ্বাস কৰিছিল, সাম্যবাদৰ সপক্ষে তেওঁ ভিন ভিন উপন্যাসত যুক্তি দাঙি ধৰিছিল। (মিশ্ৰ, ২০০৮, পৃ.৬৮)

বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য প্ৰত্যক্ষভাৱে ৰাজনৈতিক নেতা নাছিল যদিও ছাত্ৰাৱস্থাতে তেখেত ৰাজনীতিৰ প্ৰতি আকৰ্ষিত হৈছিল। আৰম্ভণিতে আমি উল্লেখ কৰাৰ দৰে শৈশৱ-কৈশোৰত প্ৰত্যক্ষ কৰা স্বাধীনতা আন্দোলনৰ প্ৰভাৱে তেওঁৰ অন্তৰত যি স্বদেশপ্ৰেমৰ জন্ম দিছিল সেয়া তেখেতৰ ৰচনাসমূহৰ মাজেৰে প্ৰকাশ পোৱা দৃষ্টিগোচৰ হয়। আনকি মৃত্যুঞ্জয় উপন্যাসত আমি হিংসাত্মক বিপ্লৱৰ প্ৰতি থকা ঔপন্যাসিকৰ সমৰ্থনৰ মাজেৰে তীব্ৰ স্বদেশানুৰাগ প্ৰতিফলিত হোৱা দেখা পাওঁ। দেশৰ স্বাধীনতাৰ বাবে আত্মবলিদান দিবলৈ কুণ্ঠাবোধ নকৰা ধনপুৰ, ভিভিৰাম, মহদা গোঁসাইৰ দৰে চৰিত্ৰৰ মাজেৰে ঔপন্যাসিকৰ এই স্বদেশানুৰাগৰ প্ৰতিফলন দেখা পোৱা যায়।

বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যই ব্যক্তিগতভাৱে যি ৰাজনৈতিক দৰ্শনত আস্থা ৰাখিছিল তাৰ মূল বিষয়বস্তু আছিল - সাম্য, ন্যায় আৰু মানৱতা। এই তিনিটা আদৰ্শৰ ভেঁটিত প্ৰতিষ্ঠা হোৱা ৰাজনীতিয়ে যে সমগ্ৰ মানৱজাতিৰ কল্যাণ সাধিব পাৰিব তাক লৈ বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ যি গভীৰ বিশ্বাস আছিল তাৰ উমান পাওঁ আমি *ৰাজপথে ৰিঙিয়াই, প্ৰতিপদ, মৃত্যুঞ্জয়, ইয়াৰুইঙ্গম* আদি উপন্যাসৰ মাজেৰে।

আনহাতে বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ উপন্যাসত প্ৰতিফলিত দুটা বিশেষ ৰাজনৈতিক আদৰ্শৰ বিষয়ে গোবিন্দ প্ৰসাদ শৰ্মাই 'বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যঃ ঔপন্যাসিক' শীৰ্ষক গ্ৰন্থত উল্লেখ কৰিছে। সেয়া হ'ল ক্ৰমে বৈজ্ঞানিক সমাজবাদ বা মাৰ্ক্সীয় সমাজবাদ আৰু গণতান্ত্ৰিক সমাজবাদ। শৰ্মাৰ মতে *ৰাজপথে ৰিঙিয়াই, প্ৰতিপদ, ৰঙা মেঘ* উপন্যাস তিনিখন প্ৰথমটো ৰাজনৈতিক দৰ্শনৰ ভিতৰত পৰে আৰু *ইয়াৰুইঙ্গম, মৃত্যুঞ্জয়, মুনিচুনিৰ পোহৰ, কালৰ হুমুনিয়াহ* উপন্যাস কেইখন দ্বিতীয়টো ৰাজনৈতিক দৰ্শনৰ অন্তৰ্গত।

ব্যক্তি হিচাপে ৰাজনৈতিক ভাৱধাৰা বিশ্বাসৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ সময়ত কংগ্ৰেছ দলৰ ভিতৰতে সুকীয়াকৈ গঢ় লৈ উঠা সমাজবাদী দলৰ সমৰ্থক আছিল বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য। পৰৱৰ্তী কালত গঢ় লৈ উঠা ছছিয়েলিষ্ট দলৰ মুখপত্ৰ হিচাপে প্ৰকাশ পোৱা 'জনতা'ৰো সম্পাদক আছিল তেখেত। সমাজবাদী দলৰ অন্যতম প্ৰধান নেতা তথা প্ৰতিষ্ঠাপক ৰামমোহন লোহিয়া, জয়প্ৰকাশ নাৰায়ণৰ দৰে ব্যক্তিৰো সান্নিধ্য লাভ কৰিছিল বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যই। *মৃত্যুঞ্জয়* উপন্যাসত সেয়েহে তেখেতে পোনপটীয়াকৈ ৰামমোহন লোহিয়া আৰু জয়প্ৰকাশ নাৰায়ণৰ প্ৰসংগ উল্লেখ কৰিছে —

> জয়প্ৰকাশ নাৰায়ণে জেলৰ পৰা পলাই আহি ঠিকেই কৰিছে। ... লোহিয়াই বিপ্লৱীসকলক আগবাঢ়িব লাগে বুলি লিখা পুস্তিকাখন পঢ়ি মোৰ ধাৰণা আৰু দৃঢ় হৈছে। (ভট্টাচাৰ্য, ২০.., পৃ.১২৩)

'ৰঙা মেঘ' উপন্যাসখনৰ মাজেৰে তেখেতে মাৰ্ক্সবাদত বিশ্বাসী চীনা বিপ্লৱী মাও-চে-ডুঙৰ আদৰ্শকো গ্ৰহণ কৰিছে। নায়ক আনন্দৰ মুখত তেখেত মাওৰ উক্তি সংযোজনেৰে প্ৰশাসনিক পৰিৱৰ্তনৰ বিষয়ে যুক্তি দিছে।

বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ উপন্যাসত দেখা পোৱা আন এটা বিশেষত্ব হ'ল উপন্যাস এখনৰ নায়ক-নায়িকা চৰিত্ৰৰ উপৰিও বহুতো পাৰ্শ্ব চৰিত্ৰই উপন্যাসবোৰৰ কাহিনীত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে, লাগিলে তেনে চৰিত্ৰ টাইপ চৰিত্ৰ বা অ-টাইপ চৰিত্ৰই নহওক কিয়। উদাহৰণস্বৰূপে *ইয়াৰুইংগম*ৰ চাৰেংলা, জীৱন মাষ্টৰ, ফানিটফাং; *মৃত্যুঞ্জয়*ৰ ধনপুৰ, ডিমি, আঘোণা, ৰূপনাৰায়ণ; *প্ৰতিপদ*ৰ লছমী, পান্নু, মিছেছ ফ্লেমিং, চণ্ডী; *ৰাজপথে ৰিঙিয়াই*ৰ ছামছেৰ, মদন শৰ্মা; *আইৰ* ৰজত, বাপুকণ, কেন্দুকলাই আদি বিভিন্ন চৰিত্ৰৰ বিষয়ে আমি উল্লেখ কৰিব পাৰোঁ। বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ উপন্যাসত থকা এনে বহুতো পাৰ্শ্ব চৰিত্ৰৰ কাৰ্য-কলাপে পাঠকক সমাজ এখনত ক্ৰিয়া কৰা বলিষ্ঠ আদৰ্শবাদিতা, ত্যাগৰ মহত্ত্ব, নৈতিক অধঃপতন, মানসিক উন্মুক্ততা, স্বাৰ্থপৰতাৰ ব্যাপ্তি, গভীৰ বেদনা, সামাজিক অসমতাৰ বিৰোধিতা, অপ্ৰয়োজনীয়া ৰীতি-নীতিৰ সমালোচনা, সামাজিক বিপ্লৱৰ আদৰ্শ আদি মানৱীয় দোষ-গুণসমূহ বাস্তৱসন্মত ৰূপত অনুভৱ কৰোৱাত সফল হৈছে।

আনহাতে বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ উপন্যাসবোৰৰ কাহিনীলৈ দৃষ্টি দিলে আমি দেখা পাওঁ যে আৱেগতকৈ যুক্তিপূৰ্ণতা আৰু বৈজ্ঞানিক বিশ্লেষণাত্মক দৃষ্টিভংগীয়েহে

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

কাহিনীবোৰত অগ্ৰাধিকাৰ পাইছে। অসমীয়া সমাজ-সংস্কৃতিৰ সমান্তৰালভাৱে ভাৰতীয় জাতীয় জীৱন আৰু সংস্কৃতিৰ প্ৰতি থকা ঔপন্যাসিকৰ শ্ৰদ্ধাও তেখেতৰ উপন্যাসবোৰৰ মাজেদি প্ৰস্ফুটিত হৈ উঠা দৃষ্টিগোচৰ হয়। পৰম্পৰাগত বিশ্বাসৰ বিপৰীতে যুক্তিপূৰ্ণ আৰু বৈজ্ঞানিক বিশ্লেষণত প্ৰাধান্য দিয়াৰ স্পষ্ট আভাস তেখেতৰ উপন্যাসৰ ভিন ভিন চৰিত্ৰৰ কাৰ্য-কলাপ, সংলাপ আদিৰ মাজত পোৱা যায়। উদাহৰণস্বৰূপে —

মই পাপ, পুণ্য, ঈশ্বৰ এইবোৰ একোতে বিশ্বাস নকৰোঁ। (ডাইনী, পৃ.৪৬)

শালগ্ৰাম হ'ল শিল, থাপনা হ'ল মাটিৰ ঢিপ। (ৰঙা মেঘ, পৃ.৪৩)

- আদিৰ নিচিনা সংলাপবোৰৰ মাজেদি ঔপন্যাসিকৰ সামাজিক সচেতন দৃষ্টিভংগীৰ প্ৰকাশ ঘটাৰ লগতে তেখেতৰ বৈজ্ঞানিক মানসিকতাসম্পন্ন জগতখনৰো উমান আমি পাওঁ।

**৫.০ সামাৰণিঃ**

বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ উপন্যাসৰ সামগ্ৰিক বিশ্লেষণত দৃষ্টিগোচৰ হয় যে তেখেতৰ প্ৰতিখন উপন্যাসেই সমাজলৈ কিবা এক বতৰা দিয়াৰ প্ৰয়াস কৰে। সেই বিশেষ বতৰা সামাজিক, অৰ্থনৈতিক বা মানবীয় অৱস্থাৰ বিষয়েই কিয় নহওক, ইয়াৰ সৈতে অঙ্গাঙ্গীভাৱে জড়িত হৈ থাকে ৰাজনীতিৰ প্ৰসংগ। কাৰণ সামাজিক প্ৰাণী হিচাপে মানুহৰ জীৱনচৰ্যাক সূক্ষ্মভাৱে নিৰীক্ষণ কৰিলে মানুহৰ প্ৰতিটো কাৰ্যতে ৰাজনীতিৰ স্পষ্ট প্ৰভাৱ পৰিস্ফূট হয়। এনে এক ভাৱনাৰে প্ৰভাৱান্বিত হোৱা বাবেই ভট্টাচাৰ্যই ৰচনা কৰা উপন্যাসসমূহৰ প্ৰায়বোৰতে ৰাজনীতিৰ প্ৰত্যক্ষ নতুবা পৰোক্ষ প্ৰকাশ দেখা পোৱা যায়। তেখেতে নিজৰ উপন্যাসত স্থান পোৱা ৰাজনীতিৰ প্ৰভাৱৰ বিষয়ে 'মোৰ উপন্যাসঃ নেপথ্যৰ কথা' শীৰ্ষক প্ৰবন্ধটোত এইদৰে উল্লেখ কৰিছিল —

মোৰ উপন্যাসসমূহৰ মাজত যুগসন্ধিক্ষণজনিত একপ্ৰকাৰ ৰাজনৈতিক ৰস আছে; ৰাজপথে ৰিঙিয়াই, ইয়াৰুইঙ্গম, প্ৰতিপদ — এইবিলাকত ই কম-বেছি পৰিমাণে পৰিস্ফূট। আনকি আই, নষ্টচন্দ্ৰ, শতঘ্নী, বল্লৰী — এইবিলাক অৰাজনৈতিক মানবীয় কাহিনীতো সেই ৰস আহি ছিটিকি পৰিছেহি। ইয়াৰ কাৰণে মই অনুতপ্ত নহয়, যদিও মোৰ কিছু পাঠক অসন্তুষ্ট। কাৰণ, ৰাজনৈতিক ৰস মানৱ ৰসৰে অংগ মাথোঁন। (দাস আৰু বায়ন -সম্পা, ২০১৩, পৃ.৭৯৪)

ভট্টাচাৰ্যৰ উপন্যাসসমূহৰ মাজেৰে ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলন তথা দেশ স্বাধীন হোৱাৰ পৰৱৰ্তী কালত সংঘটিত ঘটনাৰ পটভূমিত গঢ় লোৱা ৰাজনৈতিক চেতনাৰ ভিন ভিন ৰূপ পৰিস্ফূট হৈছে। আনহাতে যিকেইখন উপন্যাসত ৰাজনৈতিক চেতনাৰ প্ৰভাৱ নাই, সেইকেইখন উপন্যাসত সামাজিক চেতনা তথা সমসাময়িক সমাজৰ দৃষ্টিভংগী স্পষ্ট ৰূপত প্ৰকাশ পাইছে। সেয়েহে একাষাৰতে ক'বলৈ গলে বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ সাহিত্য সৃষ্টিৰ মাজেৰে প্ৰতিফলিত সমাজ চেতনা আৰু ৰাজনৈতিক চেতনাৰ বলিষ্ঠ প্ৰকাশে সাহিত্যিকগৰাকীৰ সমসাময়িক সমাজ তথা ৰাজনীতি সম্পৰ্কে থকা দৃষ্টিভংগী আমাৰ আগত স্পষ্ট ৰূপত দাঙি ধৰিছে।

বিশেষকৈ বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যই ৰচনা কৰা *ৰাজপথে ৰিঙিয়াই, প্ৰতিপদ, ইয়াৰুইংগম, মৃত্যুঞ্জয়, ৰঙা মেঘ, মুনিচুনিৰ পোহৰ* আৰু *কালৰ হুমুনিয়াহ* উপন্যাসৰ মাধ্যমেৰে অসমত সংঘটিত ভিন ভিন সময়ৰ ৰাজনৈতিক আৰু ঐতিহাসিক ঘটনা-পৰিঘটনাৰ বলিষ্ঠ উপস্থাপনে ঔপন্যাসিক বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ নিজস্ব ৰাজনৈতিক দৰ্শন প্ৰকাশ কৰাৰ সমান্তৰালভাৱে তেখেতৰ ৰাজনৈতিক আৰু ঐতিহাসিক সচেতনতাৰ পৰিচয় দাঙি ধৰিছে।

ঔপন্যাসিক বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ উপন্যাসবোৰৰ বিশ্লেষণত ধৰা পৰা আন এটা দিশৰ বিষয়ে সমালোচক গোবিন্দ প্ৰসাদ শৰ্মাই উল্লেখ কৰিছে। সেইটো হ'ল ভট্টাচাৰ্যৰ দুখনমান উপন্যাসত ধৰা পৰা পাশ্চাত্য উপন্যাস আৰু নিৰ্দিষ্ট ঔপন্যাসিকৰ উপন্যাসৰ প্ৰভাৱ। এইক্ষেত্ৰত তেখেতৰ প্ৰথম উপন্যাস *ৰাজপথে ৰিঙিয়াত* ধৰা পৰা চেতনা-স্ৰোত পদ্ধতিৰ উপন্যাসৰ

দুটামান বৈশিষ্ট্য আৰু *প্ৰতিপদ, মৃত্যুঞ্জয়, আই* উপন্যাসত দৃষ্টিগোচৰ হোৱা *টলষ্টয়ৰ* উপন্যাস 'ফৰ্ হুম্ দ্য বেল্ ট'লছ্'ৰ প্ৰভাৱলৈ আঙুলিয়াব পাৰি। সমালোচক শৰ্মাৰ মতে —

সকলো কথাতে এই প্ৰভাৱ সমানে সুখকৰ নহ'লেও, ভালেকেইটা দিশত, এই প্ৰভাৱৰ সুখকৰ ফলত, এওঁ আমাৰ নিজস্ব সমাজ, আমাৰ সামাজিক পৰম্পৰা, আমাৰ মনোভংগী তথা ৰাজনৈতিক দৃষ্টিভংগী অতি সুন্দৰ ৰূপত ফুটাই তুলিছে। (শৰ্মা, পৃ. ১৫০)

আলোচনাৰ শেষত আমি ক'ব পাৰোঁ যে বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যই তেখেতৰ সৃষ্ট উপন্যাসৰাজি জৰিয়তে সমাজ পৰিৱৰ্তনৰ কথা কোৱাৰ সমান্তৰালভাৱে অসমৰ সমাজ


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 03, Issue: 01; January, 2026

জীৱনৰ বিভিন্ন দিশৰ বিষয়েও তেখেতৰ চিন্তা প্ৰকাশ কৰিছে। ইয়াৰোপৰি ঔপন্যাসিক হিচাপে মানৰীয় ভাৱ-অনুভূতি তথা মানৱ জীৱনৰ কিছু চিৰন্তন সত্যক শক্তিশালী ৰূপত উপন্যাসৰ কাহিনী আৰু চৰিত্ৰ মাধ্যমেৰে উপস্থাপন কৰাত বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য সফল বুলি আমি ক'ব পাৰোঁ।

**গ্ৰন্থপঞ্জীঃ**

১. খাওন্দ, মলয়া (২০১৭) *বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য আৰু তেওঁৰ উপন্যাস* , সাহিত্য প্ৰকাশ, গুৱাহাটী, দ্বিতীয় প্ৰকাশ।

২. ঠাকুৰ, নগেন (সম্পা.), (২০০০), *এশ বছৰৰ অসমীয়া উপন্যাস*, জ্যোতি প্ৰকাশন, গুৱাহাটী।

৩. দাস, শোণিত বিজয় আৰু মুনীন বায়ন (সম্পা.), (২০১৩), *বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য ৰচনাৱলী* ,কথা প্ৰকাশন, গুৱাহাটী।

৪. দাস, শোণিত বিজয় (সম্পা.), (২০২২), *বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য ৰচনাৱলী*, কথা প্ৰকাশন, গুৱাহাটী।

৫. শৰ্মা, হেমন্ত কুমাৰ আৰু ৰাজেন্দ্ৰ মোহন শৰ্মা (সম্পা.), [2008] , *বীৰেন্দ্ৰ ভট্টাচাৰ্যৰ সাহিত্য-কৃতি*, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী।

৬. মিশ্ৰ, কৃষ্ণ কুমাৰ(২০০৮) *প্ৰসঙ্গ উপন্যাস*, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী ।

**আলোচনীঃ**

১. শইকীয়া, চন্দ্ৰপ্ৰসাদ (১৯৯৭) *গৰিয়সী* (বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য শ্ৰদ্ধাৰ্ঘ্য সংখ্যা), সাহিত্য প্ৰকাশ, গুৱাহাটী, পঞ্চম বছৰ, দ্বিতীয় সংখ্যা, নৱেম্বৰ।

****************